ফেব্ৰুৱাৰী 2002 Rs. 10/-

চান্দমামা



Atul chooses the best!
Atul and his mother go to the supermarket.
STORES
What's this, Atul?
The best toy for my baby brother!
What's this?
The best dress for my little brother!
Ma, pick up only the best for my brother!
"Mysore Sandal Baby soap is the best soap for babies!
It is made of natural ingredients like sandalwood oil and almonds. Sandal oil keeps the baby's skin cool, clean and free from prickly heat! The oil of almonds makes the baby's skin glow with health!"
Then pick up two, Ma! One for baby and one for me!
Mysore Sandal
Baby
Soap
Enriched with sandalwood and almond oils.
The house of Mysore Sandal has been bringing the goodness of sandalwood right into your homes for over 80 years.
For greater cleanliness and hygiene, turn to MYSORE SANDAL BABY SOAP.

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
HTA.5979.2001

এই সংখ্যাত আছে

বৰ্ষ : ২৯ ফেব্ৰুৱাৰী ২০০২ সংখ্যা - ২

ভাৰত কথা
৪১

গালিৰ পিশাচিনী
(বেতাল কথা)
১৯

যক্ষ পৰ্বত
১২

দেৱী ভাগৱত
৫১

এই মাহৰ বিশেষ আকৰ্ষণ

★ দায়িত্ব ... ৭ ★ বেপাৰীৰ স্বভাৱ ... ৯★ যক্ষ পৰ্বত-১২ ... ১১
★ খ্যাতি ... ১৮ ★ গালিৰ পিশাচিনী (বেতাল কথা) ... ১৯
★ ভাৰতৰ বিষয়ে জানি লোৱা ... ২৫ ★ কোহিতোয়ে শান্তি পাইছিল ... ২৬ ★ ৰসিক ব্যক্তি--তেনালীৰাম ... ৩২
★ ইণ্ডিয়াস্কোপ ... ৩৪ ★ বসন্ত পঞ্চমী ... ৩৭ ★ ভাৰত কথা ... ৪১ ★ গণেশ ... ৪৫ ★ দেৱী ভগৱত ... ৫১
★ একতা... ৫৬ ★ সুন্দৰীৰ সাৱধানবাণী ... ৫৯
★ অজেয় গৰুড় ... ৬২ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

একৈশ শতিকাৰ কাৰণে মূলমন্ত্ৰ

আমি প্ৰায়ে বিভিন্ন ৰূপত ভাইৰাচৰ প্ৰাদুৰ্ভাৱ হোৱাৰ কথা শুনি থাকো, যিয়ে পৰিবেশ দূষিত কৰে আৰু মানুহৰ শৰীৰৰ কাৰ্য্যক্ষমতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে । এই ভাইৰাচবোৰ প্ৰকৃতিৰ পৰাই জন্ম হয় আৰু বায়ু, পানী, মাটিত সক্ৰিয় হৈ থাকে আৰু এইবোৰ বহন কৰি ফুৰে গছ-গছনি, জীৱ-জন্তুবোৰে । সেয়া হলেও এই ভাইৰাচবোৰ নানা বৈজ্ঞানিক উপায়েৰে নিয়ন্ত্ৰন তথা ৰোধ কৰিব পাৰি ।

ইয়াৰ বিপৰীতে আৰু অন্য কিছুমান ভাইৰাচ আছে যিবোৰে মানুহৰ মনত জন্ম লয় আৰু যিবোৰ আদৰ্শৰ নাম লৈয়ে সাৰি যায় । আদৰ্শক এক বিশ্বাস, বিশেষকৈ ৰাজনৈতিক বিশ্বাস হিচাবে ব্যাখ্যা কৰিব পাৰি, যাৰ ওপৰত নিৰ্ভৰ কৰে জনগণ, দল আৰু দেশৰ শাসন ব্যৱস্থাৰ । এইবোৰৰ পৰা যদিও কিবা সাফল্য লাভ কৰিব বুলি আশা কৰা হয়, প্ৰায়ে ই মানুহৰ স্বাৰ্থৰ বিপৰীতে যায় আৰু ইয়াৰ পৰা জনসাধাৰণৰ কোনো লাভ নহয়।

উদাহৰণ স্বৰূপে সন্ত্ৰাসবাদৰ কথাই ধৰা যাওক । ইয়াৰ আৰম্ভণি হয় এটা উদ্দেশ্য লৈ, কিন্তু শেষ হয় হিংসাত্মক কাৰ্য্যকলাপেৰে । ইয়াক কোনো আদৰ্শ বুলিব নোৱাৰি । বৰ্ত্তমানে বিশ্বৰ বহুতো ঠাইত সন্ত্ৰাসবাদী কাৰ্য্য চলি আছে, যাৰ কাৰণে দেশৰ সুস্থিৰতাৰ ওপৰত আঘাত হানিছে । এইবোৰ কাৰ্য্যই এচাম লোকৰ বিকাৰগ্ৰস্ত মনৰ হে পৰিচয় দিয়ে । কিন্তু এই সন্ত্ৰাসবাদী কাৰ্য্যৰ বলি হয় নিৰীহ জনসাধাৰণ ।

আমি আজি একৈশ শতিকাত উপনিত হৈছো; তথাপিতো আমি সেই পুৰণিকলীয়া মতবাদ “হিংসাৰ বিৰুদ্ধে হিংসাৰ”মতকে ধৰি আছো । মানুহৰ সম্পৰ্কৰ মূল ভেটি হিচাবে আমি প্ৰেম আৰু কৰুণাৰ কথা কওঁ আৰু লিখো । মানুহৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সেই শব্দকেইটাকে মূলমন্ত্ৰ কৰি লোৱাৰ আজি এইটোৱে সময় ।

সম্পাদক : বিশ্বম

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া -৫

ভাৰতৰ স্বাধীনতা আন্দোলনে বহুতো হিৰো জন্ম দিছিল। তাৰে কেইজনমানক ইয়াতে উল্লেখ কৰা হ'ল। তোমালোকে চিনাক্ত কৰিব পাৰিবানে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

1 তেওঁ ভাৰতীয় জাতীয় বাহিনী (Indian National Army) গঠন কৰিছিল । তেওঁৰ নামটো জানিবলৈ তোমাক অন্য চিনাকি নালাগিব কিজানি! --

2 তেওঁ 'চেম্পিয়ন অফ দি চি' হিচাবে পৰিচিত । তেওঁ বৃটিচক অৱজ্ঞা কৰি নিজৰ জাহাজ কোম্পানী এটা চলাইছিল । তেওঁ কোন আছিল তুমি জানানে ?

----

3 এই স্বাধীনতা সংগ্ৰামীজনে অলপ বয়তে খ্যাতি অৰ্জন কৰিছিল, কাৰণ তেওঁ সৰুতে এটা বাঘ চিকাৰ কৰিছিল । তেওঁ কোন তুমি জানানে ?

----

4 তেওঁ আৰু তেওঁৰ বন্ধুসকলে বাজনগৰত ৰেলগাড়ী ৰখাই বৃটিচৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অস্ত্ৰ কিনাৰ বাবে টকা লুট কৰিছিল । এইজন কোন আছিল ?

----

5 তেওঁ নানা চাহেবৰ সৈন্যক নেতৃত্ব দি বৃটিচৰ পৰা কানপুৰ দখল কৰিছিল । ১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত গোৱালিয়ৰ দখল কৰিবলৈ তেওঁ ঝাঁচিৰ ৰাণীক সহায় কৰিছিল । তেওঁৰ নাম কি ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা আধুনিক হিৰো কোনজন আৰু কিয় ভাললাগে ? মোৰ ভাললগা আধুনিক হিৰোজন হ'ল --এই বিষয়ে ১০ টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম..

বয়স.......................শ্ৰেণী..............................

ঠিকনা...

পিন........................ফোন..............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-5
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ মাৰ্চৰ আগতে পোৱাকৈ পঠাবা ।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

দায়িত্ব

ৰামপুৰ অঞ্চলত এটা ডাঙৰ পুখুৰী আছিল । সেই পুখুৰীটোৰ কাষতে কিছুমান দুখীয়া লোকে জুপুৰী সাজি থাকিবলৈ লৈছিল। তাৰে এটা জুপুৰীত সুদামা নামৰ এজন মানুহে তেওঁৰ পত্নীৰে সৈতে থাকিবলৈ লৈছিল ।

সুদামা খুব এলেহুৱা আছিল । জুপুৰীৰ সন্মুখৰ চোতালৰ চাৰপাইখনত শুই শুই দিবাস্বপ্ন দেখি আছিল । তেওঁৰ বিশ্বাস আছিল, কোনোবা নহয় কোনোবা এদিন তেওঁৰ ভাগ্য মুকলি হবই আৰু তেওঁ এজন ধনী ব্যক্তি হিচাবে প্ৰতিষ্ঠিত হব । তেওঁ মানুহৰ মুখত শুনিছিল, এনেকুৱা বহুতো লোক আছে, যিয়ে কোনো কাম-কাজ নকৰাকৈয়ে ভাগ্যবান হৈছে । গতিকে তেওঁৰ বিশ্বাস, তেওঁ কিয় এইদৰে ভাগ্যবান হব নোৱাৰিব ? তেওঁও এদিন ধনী হবই ।

পতিৰ এই অকৰ্মণ্য স্বভাৱ, তেওঁৰ পত্নী বিমলাই সমূলি ভাল নাপাইছিল । তেওঁ সুদামাক বহুবাৰ বুজাবলৈ চেষ্টা কৰিছিল, কাম নকৰিলে কেনেকৈ পেট ভৰিব । কিন্তু সুদামাই তেওঁৰ পত্নীৰ কথা ইখন কাণেৰে শুনি সিখন কাণেৰে উলিয়াই দিছিল । বেচেৰী বিমলাই কৰিবই বা কি ? দৈনিক চাৰি-পাঁচ ঘৰ মানুহৰ ঘৰত কাম কৰিছিল আৰু কোনোমতে পৰিয়ালটো চলাইছিল ।

এদিন সুদামাই চোতালত চাৰপাইখন পাতি লৈ শুই আছিল । সেই সময়তে এজনী চেৰেলা মাইকী কুকুৰ তালৈ আহিছিল । তাইৰ পিছে পিছে তাইৰ পোৱালি তিনিটাও আহিছিল । সিহঁতে মাকৰ গাখীৰ খাবলৈ খুব চটফটাই আছিল । কিন্তু মাইকী কুকুৰটোৱে পোৱালিকেইটাক যথেষ্ট পৰিমাণৰ গাখীৰ দিব পৰা নাছিল । বেচেৰা পোৱালি কেইটাই ভোকতে অলপ দূৰত গৈ বাগৰি পৰিছিল ।

মাইকী কুকুৰটোৱে সুদামাৰ ঘৰত সোমাই খোৱা বস্তুত মুখ দি খাব খুজিছিল হে এনেতে বিমলা আহি উপস্থিত হৈছিল । যেতিয়া তেওঁ

দেখিছিল কুকুৰটোৱে সিহঁতৰ ৰান্ধি থোৱা বস্তু খাবলৈ গৈছে তেতিয়া বিমলাই এডাল লাঠি লৈ কুকুৰটোলৈ মাৰি পঠাইছিল । কুকুৰটোৱে চিঞৰি চিঞৰি দৌৰি পলাই গৈছিল ।

বিমলাই বৰ ডাঙৰ চিন্তাত পৰি গৈছিল, যি খোৱা বস্তুত কুকুৰে মুখ দিছে সেই খোৱা বস্তুবোৰ কেনেকৈ খোৱা যায় । তেওঁ সেই খোৱাবস্তুবোৰ বাহিৰত পেলাই দিছিল । খোৱাবস্তু দেখি কুকুৰটো আৰু পোৱালিবোৰ তালৈ দৌৰি গৈ সেইবোৰ পেটভৰাই খাইছিল। পেটভৰাই খাবলৈ পাই পোৱালিবোৰক তাই যথেষ্ট গাখীৰ দিব পাৰিছিল ।

পিছদিনা ঠিক সেই সময়তে আহি কুকুৰটোৱে আকৌ বিমলাহঁতৰ ঘৰত সোমাইছিল । এইবাৰো বিমলাই কুকুৰটো ঘৰত সোমোৱা দেখিবলৈ পালে আৰু কুকুৰটোৰ গালৈ শিল এটা দলিয়াই দিলে । কুকুৰটোৱে চিঞৰি চিঞৰি তাৰপৰা দৌৰি পলাই গৈছিল ।

কুকুৰৰ বিকট চিঞৰ শুনি চাৰপাইত শুই সপোন দেখি থকা সুদামাই চক্‌খাই উঠি বহিছিল । কি হৈছিল তেওঁ দেখিয়ে বুজিব পাৰিছিল । তেওঁ খঙতে কৈছিল, "এই কুকুৰটো আকৌ আহিছে ? কালি ইমান মাৰ খালে তথাপি আকৌ আজি আহি ঘৰত সোমাইছে ।"

বিমলাই সুদামাৰ ফালে পোন্দোৱাকৈ চাই কৈছিল, "নিজৰ পোৱালিকেইটাক লালন পালন কৰাৰ কাৰণে বেচেৰী কুকুৰটোৱে ছাটিফুটি কৰি আছে । মাৰ খালে কি হব, খাবলৈ পাবতো ! এই ক্ষেত্ৰত তাই মাৰ খাবলৈকো প্ৰস্তুত । তাইৰ লক্ষ্য মাথোঁ পোৱালিকেইটাক কেনেকৈ খুৱাব পাৰে । নিজৰ পোৱালিৰ ভোক গুচাবলৈ এজনী কুকুৰেও ইমান খিনি কষ্ট সহ্য কৰিব পাৰে, কিন্তু তোমাৰ দৰে মানুহৰ কথা কিনো কম, যিয়ে নিজৰ দায়িত্বৰ কথা নুবুজে । তুমি মাথোঁ ঠেঙৰ ওপৰত ঠেং তুলি আকাশ চাং পাতি থাকা ।" সুদামাক বকি বকি বিমলাই ঘৰৰ ভিতৰলৈ গৈছিল ।

সুদামাই এতিয়াহে পত্নীৰ কথাৰ আঁৰত থকা গূঢ়াৰ্থ বুজিব পাৰিছিল । তেওঁ চাৰপাইখন তুলি চোতালৰ একোণত থৈ কামৰ সন্ধানত ওলাই গৈছিল ।

বেপাৰীৰ স্বভাৱ

এজন বেপাৰী আছিল । তেওঁ সুতলৈ ধন ধাৰে দিছিল । লগতে তেওঁ অন্য ব্যৱসায়ো কৰিছিল। সুবিধা পালে অলপ সময়তে বহুতো টকা উপাৰ্জন কৰিছিল । তেওঁ আজৰি সময় পালে ওচৰতে থকা সৰোবৰটোলৈ গৈ মাছ ধৰিছিল । মাছ ধৰি তেওঁ খুব ভাল পাইছিল ।

এদিনাখন বেপাৰীজনে এখন নৱাত উঠি সৰোবৰৰ মাজলৈ গৈ জাল পেলাইছিল । জালত এটা ধুনীয়া মাছ পৰিছিল । তেওঁ জালখন তুলি মাছটো নাৱত থৈছিল ।

মাছটো কিন্তু সাধাৰণ মাছ নাছিল । পাঁচ ৰঙৰ এই মাছটো ৰ'দৰ পোহৰত জিলিকি আছিল । মাছটো দেখি বেপাৰীজন আচৰিত হ'ল । মাছটোৱে নাৱত চটফটাই আছিল । মাছটোৱে বেপাৰীক কৈছিল, "মই কিন্নৰ জাতিৰ মাছ । মই তোমাক তিনিটা বৰ দিম । যিমান সোনকালে পাৰা মোক সৰোবৰৰ পানীত এৰি দিয়া । মই ইয়াত কষ্ট পাইছো।"

"তিনিটা নহয়, পাঁচটা বৰ দিয়া ।" বেপাৰীজনে কৈছিল । মাছটোৱে চট্‌ফটাই থাকি কৈছিল, "তিনিটাহে বৰ মই দিব পাৰিম । পাঁচটা বৰ দিয়াৰ প্ৰশ্নই নুঠে ।"

"তোমাৰ সৈতে দৰ-ভাও কৰাৰ মোৰ সময় নাই । বচ, চাৰেচাৰিটা দিয়া, হৈ যাব ।" বেপাৰী জানে কৈছিল ।

"নহয়, তিনিটা বৰহে দিম ।" মাছটোৱে কঁপা কঁপা মাতেৰে কৈছিল ।

"চোৱা, মই এজন বেপাৰী । দৰ-ভাও কৰা মোৰ স্বভাৱ । আধা কমাই দিছো বাৰু, মাথোঁ চাৰিটা বৰ দিয়া।" বেপাৰীজনে কৈছিল ।

মাছটোৰ পৰা কিন্তু কোনো উত্তৰ নাহিল । কাৰণ, মাছটো ইতিমধ্যে মৰি গৈছিল । -শকুন্তলা



ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ

কোৰাপুত

প্ৰকৃতিপ্ৰেমীসকলে কোৰাপুত ঠাইখন চাই ভাল পাব । উৰিষ্যাৰ এই জিলাখন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ । এই ঠাইখন ২,৯৯০ ফুট উচ্চতাত আৰু প্ৰসিদ্ধ দণ্ডাকাৰণ্য হাবিৰ ওচৰত অৱস্থিত। কোৰাপুত জিলাৰ প্ৰধান বাণিজ্যিক কেন্দ্ৰ স্থল জয়পুৰত জলপ্ৰপাত আৰু বন্যজন্তুৰে ভৰা অতব্য হাবি আছে । জয়পুৰৰ পৰা ওচৰ-কাষৰৰ অন্যান্য ঠাইলৈ ভ্ৰমণ কৰিবলৈ যোৱাৰ সুবিধা আছে ।

জয়পুৰৰ পৰা ৭০ কি.মি. দূৰত মচছকুণ্ড নদীৰ ওপৰত দুদুমা জলপ্ৰপাতৰ উৎপত্তি হৈছে ।

ভ্ৰমণকাৰীসকলৰ কাৰণে অন্য এখন ভ্ৰমণ কৰিবলগীয়া স্থান হ'ল গুপ্তেশ্বৰ । এই ধুনীয়া ঠাইখনৰ গুহাত ভগবান শিৱ গুপ্তেশ্বৰৰ তীৰ্থস্থান আছে । জয়পুৰৰ পৰা ইয়াৰ দূৰত্ব ৫৮ কি.মি. ।

ৰায়গড় জিলাৰ সদৰঠাই ৰায়গড় চহৰখন বেৰহামপুৰৰ পৰা কোৰাপুতলৈ যোৱা পথতে পৰে। এই ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য্যও অতি মনোৰম । ১৩৪ কি.মি দূৰত তিনিটা নদীৰ সঙ্গম স্থল হ'ল মিনাঝোলা । এই ঠাইখন অকল প্ৰাকৃতিক সৌন্দৰ্য্যতে চহকী নহয়, ই এখন পবিত্ৰ স্থান হিচাবেও সৰ্বজন বিদিত । কোৰাপুতত বহুতো জনজাতিৰ লোকে বাস কৰে ।

তোমালোকৰ বাবে কুইজ
১৪ বছৰৰ তলৰ শিশুৰ বাবে
প্ৰতিযোগিতা - ৬

১. কোৰাপুত জিলাৰ সেউজীয়া উপত্যকা অঞ্চলৰ এখন ঠাইত এৰো ইঞ্জিন ফেক্টৰী এটা আছে । কোনখন ঠাইত সেইটো অৱস্থিত তুমি জানানে ?

----

২. এচিয়াৰ বৃহত্তম এলুমিনিয়াম উৎপাদনকাৰী NALCO কোৰাপুতৰ ওচৰতে অৱস্থিত । ইয়াৰ ফেক্টৰীটো ক'ত আছে?

----

৩. এই ধুনীয়া ঠাইখনত নাগৱল্লী নদীৰ দুটা জলপ্ৰপাত আছে। ইয়াতে থকা দুটা অসামান্য আকাৰৰ ডাঙৰ শিল অতি বিখ্যাত। ঠাইখনৰ নাম কোৱা ?

প্ৰশ্নৰ তলত দিয়া খালী ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা ।
তলত দিয়া কুপণখন পূৰ্ণ কৰি এই ঠিকনালৈ পঠাবা-

Orissa Tourism Quiz Contest - 6
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....
বয়স : ....
ঠিকনা : ....
: ....
পিন.................ফোন..................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3 days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar-751 014. Ph: (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

যক্ষ পৰ্বত

12

(খৰ্গবৰ্মা আৰু জীৱদন্তই বুদ্ধি কৰি বীৰপুৰৰ সৈনিকসকলক গৰ্তদুৰ্গৰ ভিতৰত সোমাবলৈ দি বাহিৰৰ পৰা বেৰি ধৰিছিল। তেতিয়া সেনাপতি আৰু সৈনিকসকলে পৰাজয় স্বীকাৰ কৰি লৈছিল। সমৰবাহুৰ সৈতে তেওঁলোকে যেতিয়া পাহৰী দুৰ্গলৈ আহিছিল তাত তেওঁলোকে বীৰপুৰৰ বৃদ্ধ মন্ত্ৰীক দেখিবলৈ পাইছিল। মন্ত্ৰীয়ে সমৰবাহুক স্বাধীন ৰজা ঘোষণা কৰিছিল। তাৰপাছত তেওঁ খৰ্গ আৰু জীৱদন্তক লৈ নদীৰ পাৰলৈ গৈছিল।) ইয়াৰ পিছত --

খৰ্গ আৰু জীৱদন্ত বীৰপুৰৰ মন্ত্ৰীৰ সৈতে নদীৰ পাৰলৈ আহিল। নদীত ৰথৰ আকৃতিৰ এখন নাও আছিল। নাওঁখন তেওঁলোকৰ ফালেই আগবাঢ়ি আহি আছিল। খৰ্গ আৰু জীৱদন্তই নাওখনৰ ফালে একান্ত মনে চাবলৈ ধৰিলে। তেওঁলোকে জানিব পাৰিলে এইখন ৰথৰ আকৃতিৰ এখন কাঠৰ নাওহে।

জীৱদন্তই বীৰপুৰৰ মন্ত্ৰীৰ ফালে ঘূৰি চাই কলে, "মহামন্ত্ৰী, আপুনি কৈছিল নহয় এজন যক্ষৰ পৰা আপুনি আমাৰ বিষয়ে শুনিবলৈ পাইছে। আপুনি সেই যক্ষটোক নাৱত দেখা কৰিছে নেকি বাৰু ?"

"হে ক্ষত্ৰিয় যোদ্ধাদ্বয়, মই তোমালোকৰ পৰা একো কথা লুকুৱাব বিচৰা নাই। যি ঘটিছে মই সকলো কম। যোৱা ৰাতিৰ দ্বিতীয় প্ৰহৰত আকাশ মাৰ্গেৰে এটা যক্ষ আহিছিল। সেই সময়ত বীৰপুৰৰ ৰাজকুমাৰী বসন্তকুমাৰী সখীসকলৰ লগত কথা হৈ আছিল। সেই যক্ষই বলপূৰ্বক অপহৰণ কৰি ৰাজকুমাৰীক লৈ গৈছে। যোৱাৰ সময়ত যক্ষই ৰাজভৱনত এটা তালপত্ৰ এৰি থৈ গৈছে। তালপত্ৰত লিখা কথাৰ পৰা বুজা গৈছিল যে, সেই যক্ষই ইয়াৰ আগতে পদ্মসেন মহাৰাজৰ কন্যা পদ্মাৱতীকো এইদৰে অপহৰণ কৰি লৈ গৈছিল।" মন্ত্ৰীয়ে কলে।

মন্ত্ৰীৰ কথা শুনি জীৱদন্তই গম্ভীৰ হৈ



কলে, "এই যক্ষৰ সৈতে আমাৰ অৰণ্যপুৰ নামৰ প্ৰদেশত দেখা হৈছিল । তেতিয়া তেওঁ আমাক মিছাকৈয়ে কৈছিল যে তেওঁ পদ্মাৱতীক বিবাহ কৰাই নিজ ঘৰলৈ লৈ গৈ আছে ।"

"অ', এইহে কথা । ৰাজভৱনত পেলাই থৈ যোৱা তালপত্ৰত ইয়াকো লিখা আছিল, বিন্ধ্যা পৰ্বতৰ পাথৰেৰে নিৰ্মিত এখন ৰথ তোমালোকে চলাইলৈ যাবলৈ প্ৰতিজ্ঞা কৰিছিলা । কথাটো সঁচানে ?"

মন্ত্ৰীয়ে সুধিলে ।

জীৱন্ত্ৰই ইয়াৰ উত্তৰ দিয়াৰ আগতে খৰ্গবৰ্মাই কলে, "হয়, কথাটো সঁচা । সেই দুষ্ট যক্ষক দন্ড দিহে এৰিম আৰু তাৰ কবলত বন্দী হৈ থকা পদ্মাৱতী আৰু বসন্তকুমাৰীক যদি মুক্ত কৰি আনিব নোৱাৰো আমি ক্ষত্ৰিয়ই নহয় ।"

তেতিয়ালৈকে নাওখন নদীৰ পাৰ আহি পাইছিল । যক্ষৰ দৰে আভূষণ পৰিধান কৰা লোক এজনে নাৱৰ আগভাগলৈ আহি সকলোৰে ফালে অতি মনোযোগেৰে চাবলৈ ধৰিলে আৰু তাৰপিছত কলে, "বিন্ধ্যা পৰ্বতৰ পাথৰৰ ৰথ চলাই অনা লোক তোমালোকৰ ভিতৰত কোনজন ?"

খৰ্গ আৰু জীৱদন্ত্ৰই মুখেৰে একো নোকোৱাকৈ নিজৰ নিজৰ হাত দাঙি দেখুৱালে। তেতিয়া যক্ষই ব্যাঙ্গ সুৰেৰে কলে, "তেতিয়াহলে তোমালোক দুয়ো নাৱলৈ আহিব পাৰা । মই তোমালোকক যক্ষ পৰ্বতলৈ লৈ যাম। তাতেই মোৰ বন্ধু যক্ষ মণিৰঞ্জিত থাকে । পদ্মাৱতী আৰু বসন্তকুমাৰীও তাতেই আছে । অতি শীঘ্ৰেই তেওঁলোক দুয়োকে তেওঁ বিবাহ কৰাব ।" যক্ষই কলে ।

খৰ্গ আৰু জীৱদন্ত্ৰই বীৰপুৰৰ মন্ত্ৰীক তাতেই এৰি থৈ নাৱত উঠিল । জীৱদন্ত্ৰই যক্ষক তেওঁৰ নামটো সুধিলে ।

"মোৰ নাম মণিভূষণ । মোৰ বন্ধু মণিৰঞ্জিত এজন অসামান্য পৰাক্ৰমী বীৰ । তেওঁৰ যোগ্য কোনো নাই । তেওঁৰ তন্ত্ৰ-মন্ত্ৰৰ শক্তিও অসাধাৰণ । যক্ষ পৰ্বতলৈ অহাতো তোমালোক দুয়োৰে বাবে বিপদ চপাই লোৱা যেন হে হৈছে। তোমালোকে নিজেই নিজৰ মৃত্যুক আহ্বান জনাইছা ।" যক্ষই কলে ।

"আচ্ছা, এইটোহে কথা !" এইবুলি কৈ জীৱদন্ত্ৰই নিজৰ মন্ত্ৰদন্ডডাল তেওঁৰ বাহুৰ ওপৰত ৰাখিলে । যক্ষই তৎক্ষণাত থৰ থৰ কৈ কঁপিবলৈ ধৰিলে । তেওঁৰ এনে লাগিছিল, যেন তেওঁৰ ওপৰত হঠাতে বজ্ৰ হে পৰিছে । যক্ষই কলে, "এইডাল আকৌ

কেনে মন্ত্রদন্ড ? তোমাৰ ইমানেই অদ্ভুত শক্তি আছে ?”

জীৱদন্ত্রই মৌন হৈ মন্ত্র জপ কৰি এইবাৰ তর্জনী আঙুলিৰে যক্ষক স্পর্শ কৰিলে । যক্ষই জোৰেৰে এটা চিঞৰ মাৰি মাটিত পৰি গ'ল । অলপ সময় পাছত জ্ঞান পাই যক্ষই কলে, “তুমি মোৰ বন্ধুৰ সমানেই শক্তি-শালী। মই বাৰু জানিব পাৰোনে তোমা-লোক দুয়োৰে মাজত কিহৰ বাবে নো এই শত্রুতা ?”

খৰ্গবৰ্মাই ক্রোধিত হৈ তেওঁৰ ফালে তৰোৱালখন দাঙি লৈ ধমক দি কলে, “বন্ধ কৰা তোমাৰ কথা । অযথা পেক্‌পেকাই কি লাভ । চুপচাপ তোমাৰ বন্ধুয়ে বাস কৰা যক্ষপৰ্বত অভিমুখে নাও চলাই নিয়া । তেওঁক টুকুৰা-টুকুৰ কৈ কাটি তেওঁৰ মঙহ কাউৰী আৰু শগুণৰ মাজত ভগাই দিম । তেওঁৰ চিনচাপে নোহোৱা কৰি দিম ।”

দুজন মানৱে এইদৰে তেওঁক ভয় খুউৱা দেখি যক্ষই খুব অপমান বোধ কৰি লাজতে তলমূৰ কৰি বিনম্র সুৰে কলে, “ক্ষত্রিয় যোদ্ধাদ্বয়, তোমালোক দুয়োকে তেওঁৰ ওচৰলৈ লৈ যাবলৈ মণিৰঞ্জিতেহে আদেশ দিছে । ৰাজকুমাৰীসকলৰ অপহৰণ আৰু পাথৰৰ ৰথৰ বিষয়ত মোৰ কোনো হাত নাই।”

জীৱদন্ত্রৰ আদেশ অনুসাৰে যক্ষই নাৱৰ গুৰি ধৰিলে আৰু নাওখন নদীৰ মাজেৰে লৈ যাবলৈ ধৰিলে । নদীৰ পাৰত থিয় হৈ থকা মন্ত্রীয়ে হাতদাঙি খৰ্গ আৰু জীৱদন্ত্রক আশীৰ্বাদ দিলে ।

নদীৰ মাজলৈ আহি জীৱদন্ত্রৰ সন্দেহ হ'ল, এইখন সেই নাওখনেই নহয়তো, য'ত উঠি মণিৰঞ্জিতে আকাশ পথেৰে উৰি যায় ।

তেওঁ যক্ষৰ আগত নিজৰ সন্দেহৰ কথাটো ব্যক্ত কৰিলে ।

মণিভূষণে কলে, “এইখন সেই নাও নহয়। তেওঁ ৰথৰ আকৃতিত তৈয়াৰ কৰা বস্তু খুব ভাল পায় ।”

যক্ষৰ কথা শুনি জীৱদন্ত্রই হাঁহিলে । তাৰপাছত তেওঁ নদীৰ দুয়োপাৰৰ পৰ্বত আৰু গছ-গছনিবোৰৰ দৃশ্য উপভোগ কৰি গৈ থাকিল । তেওঁ যক্ষক সুধিলে, “এইটো বিন্ধ্যা পাৰ্বত্য অঞ্চল নেকি বাৰু ?”

যক্ষই মূৰদুপিয়াই হয় বুলি কলে । অস্তগামী সূৰ্য্যটোৰ ফালে চাই জীৱদন্ত্রই খৰ্গবৰ্মাক কলে, “আমি ৰাতি নদীৰ পাৰতে খোৱা-লোৱাৰ ব্যৱস্থা কৰিব লাগিব, তাতেই থাকি সূৰ্য্যোদয় হোৱাৰ পিছত যাত্রা কৰিব লাগিব । এইটো ব্যৱস্থাই আমাৰ বাবে উত্তম হব ।”

তেওঁলোকৰ কথা শুনি মণিভূষণে অসন্তুষ্ট হৈ কলে, "মোৰ বন্ধু মণিৰঞ্জিতে তোমালোক দুয়োকে যথাসম্ভৱ সোনকালে লৈ যাবলৈ আদেশ দিছে । আমি ৰাতি যদি ইয়াতে থাকো, তেতিয়াহলে আমি গৈ পোৱাত পলম হব্ ।"

তেতিয়া জীৱদন্ত্ৰই চকুপকাই ধমক দি মণিভূষণক কলে, "ইয়াতে আমাৰ আদেশ হে চলিব । আমিহে আদেশ দিম । কন্যা অপহৰণকাৰী তোমাৰ মিত্ৰৰ আদেশ ইয়াতে নচলিব । তুমি অতি শীঘ্ৰে নদীৰ পাৰৰ ফালে নাওখন লৈ বলা । শুনিছানে ?

যক্ষই নাওখন নদীৰ মাজৰ পৰা লৈ গৈ পাৰত লগাই দিলে । নাওখন পাৰ পোৱাৰ লগে লগে খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰই নাৱৰ পৰা মাটিত নামিল । তাৰ পিছত জীৱদন্ত্ৰই খৰ্গক কলে, "খৰ্গ, মই হাবিৰ মাজৰ পৰা হৰিণ চিকাৰ কৰি এতিয়াই ঘূৰি আহিম । ইয়াৰ ভিতৰতে তুমি শুকান গছৰডাল যোগাৰ কৰি আনি ভালদৰে একুৰা জুই ধৰা ।"

এই কথা শুনি মণিভূষণে ভয় খাই কলে, "এই অতব্য হাবিত, এই ওখ পৰ্বতবোৰৰ গুহাত ভয়ঙ্কৰ ৰাক্ষসবোৰে বাস কৰে । তোমালোকে কিয় বিপদ চপাই লব খুজিছা?

জীৱদন্ত্ৰই হাঁহিমাৰি কলে, "ভয়াতুৰ কৰবাৰ, তোমালোকৰ যক্ষ ৰাক্ষসতকৈও ভয়ঙ্কৰ । তন্ত্ৰ মন্ত্ৰত অতি পাকৈত । যেতিয়া মই সেই যক্ষৰ ওচৰলৈকে যাবলৈ ওলাইছো ৰাক্ষসৰ বাবে ভয় কিহৰ ।" এইবুলি কৈ জীৱদন্ত্ৰই গছৰ মাজে মাজে আগবাঢ়ি গ'ল ।

পোন্ধৰ মিনিটৰ ভিতৰতে জীৱদন্ত্ৰই এটা হৰিণা চিকাৰ কৰি কান্ধত তুলি লৈ সেই ঠাই আহি পালে । দুয়ো মিলি সেইটো কাটি-বাচি তাৰ মাংসবোৰ জুইত সেকিবলৈ ধৰিলে । মাংস পোৰাৰ গোন্ধ চাৰিওফালে বিয়পি পৰিল ।

সেই সময়তে এক কদাকাৰ আকৃতিৰ ৰাক্ষসী গছৰ মাজে মাজে জঁপিয়াই জঁপিয়াই আগুৱাই আহি চিঞৰি কবলৈ ধৰিলে "মানুহৰ গোন্ধ, মানুহৰ গোন্ধ ।"



ৰাক্ষসীক দেখিয়েই খৰ্গবৰ্মাই খাপৰ পৰা তৰোৱাল উলিয়াই লালে । তেতিয়া জীৱদন্তই খৰ্গবৰ্মাক বাধা দি ৰাক্ষসীৰ ফালে চাই কলে, "মানুহৰ গোন্ধৰ লগে লগে হৰিণাৰ মাংসৰ গোন্ধও ইয়াত ওলাইছে । তুমি ৰাক্ষসী নে ৰাক্ষসীৰ ৰূপ ধৰি অহা যক্ষ ?"

তেতিয়া ৰাক্ষসীয়ে কলে, "তোমালোক কোন ? মানুহ হৈও মোক দেখি তোমালোকৰ ভয় লগা নাই ? ওলোতাই মোক হে প্ৰশ্ন কৰিছা ?"

জীৱদন্তই তৎক্ষণাত নিজৰ মন্ত্ৰদণ্ডডাল ৰাক্ষসীৰ শিৰত ৰাখি সুধিলে, "হে ৰাক্ষসী, এতিয়া কোৱা আমি সাধাৰণ মানুহ নে....."কথাটো শেষ নকৰাকৈ ৰৈ গ'ল ।

ৰাক্ষসীৰ শৰীৰ ঘামেৰে তিতি গ'ল । তাই কবলৈ ধৰিলে, "তোমালোক মানৱ নহয় যেন লাগিছে । যক্ষ কিজানি । মোৰ দুই পুত্ৰক বন্দী কৰি তোমালোকেই যক্ষ পৰ্বতলৈ লৈ গৈছিলা । কিন্তু মোক বন্দী কৰি তালৈ লৈ নাযাবা । মই এতিয়া বুঢ়ী হৈছো । যক্ষপৰ্বতৰ শিল ভাঙি তোমালোকৰ বাবে সোণ আৰু মণিবোৰ উলিয়াব নোৱাৰিম । এতিয়া মোৰ শৰীৰত ইমান শক্তি নাই ।"

জীৱদন্তই ৰাক্ষসীক আশ্বাস দি কলে, তোমাক বধ কৰাতো মোৰ উদ্দেশ্য নহয় । অনুমান হৈছে, তুমি যক্ষপৰ্বতৰ বিষয়ে বহুতো কথা জানা । আমি দুয়ো এই নাৱত যক্ষ পৰ্বতলৈ যাম । সেই নাৱত থকাজন যক্ষ। সেই ঠাইৰ ৰহস্য সম্পৰ্কে ইয়াত একো নকবা । মোক তোমাৰ গুহালৈ লৈ বলা ।"

"হে মানৱ, মোৰ গুহা ওচৰতে আছে । মোৰ পতি গুহাৰ ভিতৰতে আছে । তেওঁ তোমাক যক্ষ পৰ্বতৰ বিষয়ে বহুতো ৰহস্যৰ

কথা কব পাৰিব ।" ৰাক্ষসীয়ে জীৱদন্তক কলে ।

ৰাক্ষসীয়ে তেতিয়াও ভয়তে কঁপি আছিল। তাই জীৱদন্তক লগত লৈ পাঁচ মিনিটমান যোৱাৰ পিছতে এটা গুহাৰ দুৱাৰমুখতগৈ উপস্থিত হ'ল। গুহাৰ ভিতৰত এটা প্ৰকাণ্ড ৰাক্ষসে এচটা শিলত বহি মূৰ টোপনিয়াই আছিল ।

ৰাক্ষসটোয়ে হঠাতে চকুমেলি সম্মুখত জীৱদন্তক দেখি কবলৈ ধৰিলে, "কি আচৰিত, কি আচৰিত, ইয়ালৈ এজন মানৱ আহিছে! নিৰ্ভীকভাবে ইয়ালৈ তোমাৰ সৈতে অহা কোন এই মানৱ ?"

ৰাক্ষসীয়ে তাইৰ পতিৰ ওচৰলৈ আহি সৰু সৰু মাতেৰে কলে, "পেটৰ ভোকতে ইয়াক মাৰি খাই নেপেলাবা । এই মানৱৰ হাতত মহিমামণ্ডিত মন্ত্ৰদন্ত আছে । এই মানৱে আৰু ইয়াৰ বন্ধুয়ে লগলাগি এটা



পাপী। এনে কোনো অপৰাধ নাই, যি তেওঁ কৰা নাই।"

"তেওঁ যে অধম পাপী এই কথাটো ময়ো জানো। সেই পাপীয়ে আমাৰ দেশৰ দুই ৰাজকুমাৰীক অপহৰণ কৰি লৈ গৈছে। এতিয়া কোৱাচোন তাত কোনো শিলৰ ৰথ আছে নেকি ?" জীৱদন্তই সুধিলে।

"হয়, হয়। কোৱা শুনিছো, সেই ৰথখন পৰ্বতৰ শিলেৰেই নিৰ্মাণ কৰিছে।"

জীৱদন্তই তাৰপৰা উভতিবৰ সময়ত ৰাক্ষসীক কলে, "মানৱৰ গন্ধ লৈ লৈ তুমি আমাৰ তালৈ যোৱাত ভালেই হ'ল। এতিয়া মোৰ সৈতে বলা, তোমাক যিমান হৰিণাৰ মাংস লাগে লৈ আহিবা।"

কিছু সময় পিছত জীৱদন্তৰ সৈতে ৰাক্ষসী আহি থকা দেখি যক্ষ মণিভূষণে ভয়তে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। তেওঁ খৰ্গবৰ্মাৰ ফালে চাই কলে, "সেইফালে চোৱা। তোমাৰ বন্ধুয়ে এজনী ৰাক্ষসী লগত লৈ আহিছে।"

"ৰাক্ষসীয়ে নিশ্চয় তোমাকে আহাৰ কৰিব। আগতে ৰাক্ষসীক আহিবলৈ দিয়া।" খৰ্গবৰ্মাই হাঁহি হাঁহি কলে।

"এইটো ঘোৰ অন্যায়। মণিৰঞ্জিত কেৱল মোৰ মালিক হে। তেওঁ মোৰ বন্ধু নহয়। মই মাথোঁ তেওঁৰ আদেশ পালন কৰিছো। মই যিমান দূৰ জানো, জ্ঞাতভাৱে মই কাৰো কেতিয়াও অন্যায় কৰা নাই।" মণিভূষণে কঁপা কঁপা মাতেৰে কলে।

জীৱদন্তই আহি থাকোতেই মণিভূষণৰ কথা শুনিবলৈ পাইছিল। তেওঁ মণিভূষণক উদ্দেশ্য কৰি কলে, "মণিভূষণ, এতিয়াই ইমান ভয় খাব নালাগে। যদি মই আৰু খৰ্গবৰ্মাই তোমাৰ মালিকক পৰাজয় কৰিব

যক্ষক বন্দী বনাই লৈছে। সেই যক্ষটো নাৱতে পৰি আছে।"

ৰাক্ষসটোয়ে চকুদুটা ডাঙৰকৈ মেলি জীৱদন্তৰ ফালে চাই সুধিলে, "হে অদ্ভুত মানৱ, মোৰ পত্নীয়ে কোৱা কথাটো সঁচানে? তাইৰ অলপ মূৰটো গৰম।"

জীৱদন্তই হাঁহিমাৰি কলে, "তোমাৰ পত্নীয়ে যি কৈছে সেই সকলোবোৰ সঁচা। শুনিবলৈ পাইছো তোমাৰ দুই পুত্ৰক বোলে যক্ষই বন্দী কৰি যক্ষ পৰ্বতলৈ লৈ গৈছে। তুমি যক্ষ পৰ্বতৰ ৰহস্যৰ কথা কিবা জানানে?"

ৰাক্ষসটোয়ে মূৰটো লৰাই কিছুসময় মাটিৰ ফালে চাই থাকিল। তাৰ পাছত কলে, "যক্ষ পৰ্বত আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ অধিপতি হ'ল মণিৰঞ্জিত। যক্ষ ৰজাই বহুদিন আগতে তেওঁক এই অঞ্চলৰ অধিপতি কৰিছিল। তেওঁ অতি দুষ্ট, অধম

নোৱাৰো তেতিয়া ৰাক্ষস সেনাই যক্ষসকলক আক্ৰমণ কৰিব । ৰাক্ষসৰ এটা ডাঙৰ সৈন্যবাহিনী আছে । তোমালোকৰ পৰ্বতৰ সৰ্বনাশ ঘটাবলৈ সিহঁতে ছেগ চাই আছে। মোৰ কথা সম্পূৰ্ণ সঁচা ।

"ৰাক্ষস সেনা ।" এইবুলি কৈ মণিভূষণ স্তম্ভিত্ হৈ গ'ল । তেওঁৰ শৰীৰ শেঁতা পৰি গ'ল।

"হয়, হয়, ৰাক্ষস সেনা ।" তাৰপিছত ৰাক্ষসীৰ ফালে ঘূৰি জীৱদন্ত্ৰই কলে, "লাজ কৰিব নালাগে, হৰিণাৰ মাংস যিমান লাগে লৈ যোৱা । আৰু এটা কথা শুনা । তোমালোকৰ হাজাৰ ৰাক্ষসৰ মহান নেতা মহোগ্ৰনেত্ৰক কবা যে, তেওঁ যেন যক্ষপৰ্বত আক্ৰমণত অলপ সময় পলম কৰে । এই আক্ৰমণ কেতিয়াবা হলেও হবই । তেওঁলোকক সাজু থাকিবলৈ কবা ।"

ৰাক্ষসীয়ে মূৰটো লৰাই সম্মতি জনাই যথেষ্ট পৰিমাণৰ মাংস লৈ গুহাৰ ফালে গ'ল। ইয়াৰ পিছত তেওঁলোক তিনিওজনে মাংস ভোজন কৰি এডাল গছৰ তলত শিলৰ ওপৰতে শুই পৰিল । মণিভূষণে তেওঁলোক দুজনতকৈ অলপ আঁতৰত শুইছিল । শোৱাৰ আগতে তেওঁ দুই তিনিবাৰ নাওখনৰ ফালে চাইছিল । মণিভূষণে বাৰে বাৰে নাওখনৰ ফালে চাই থকা কথাটো খৰ্গবৰ্মাই লক্ষ্য কৰিছিল । তেওঁ জীৱদন্ত্ৰক মনে মনে কৈছিল, "যক্ষই খুব ভয় খাইছে । আমি কিবা কৰিম বুলি তাৰ বৰ ভয় হৈছে । ৰাতি নাৱত উঠি যক্ষই পলাই যাব বুলিহে মোৰ সন্দেহ হৈছে । যক্ষৰ ওপৰত নজৰ ৰাখিবা ।

জীৱদন্ত্ৰইও মণিভূষণৰ বিষয়ে সেই একেই কথাকে ভাবিছিল । সেয়েহে তেওঁলোকে টোপনি যোৱাৰ ভাও ধৰি যক্ষৰ গতিবিধি লক্ষ্য কৰি থাকিল । মাজ নিশা মাটি শুঙি শুঙি এটা ভালুক আৰু এটা কুকুৰনেচীয়া বাঘ সেই ঠাইত আহি উপস্থিত হ'ল । হয়তো সিহঁতে হৰিণাৰ মাংসৰ গন্ধ পাই তালৈ আহিছিল । সিহঁতে মণিভূষণৰ ফালে যাবলৈ ধৰিছিল । এনেতে খৰ্গবৰ্মাই উঠি বহিল আৰু এটা শিলগুটি জন্তু দুটাৰ ফালে মাৰি পঠালে। সিহঁতে ভয় খাই দৌৰি পলাই গ'ল ।

জন্তুদুটা দৌৰি যোৱাৰ শব্দত মণিভূষণে সাৰ পালে আৰু চাৰিওফালে চকু ফুৰাই চাই চিঞৰিবলৈ ধৰিলে, "খৰ্গবৰ্মা, জীৱদন্ত্ৰ, উঠা! ৰাক্ষস সেনাবোৰ আমাৰ ফালে আগবাঢ়ি আহিছে !"

(অহা সংখ্যাত সমাপ্ত)

খ্যাতি

ৰামপুৰৰ জমিদাৰৰ নাম আছিল শ্ৰীপতি । গৌৰীশংকৰ নামৰ নায়েব এজনে জমিদাৰীৰ কাম-কাজ সুচাৰুৰূপে চলাইছিল । কিন্তু হঠাতে এদিন গৌৰীশংকৰৰ মৃত্যু হ'ল ।

গৌৰীশংকৰৰ ঠাইত এতিয়া কাক নিযুক্ত কৰা যায় এই লৈ শ্ৰীপতিৰ মনত চিন্তা লাগিল ।

ৰুক্মিনী নামৰ মহিলা এজনীয়ে জমিদাৰৰ ঘৰত ৰান্ধনি কাম কৰিছিল । তেওঁ এদিন জমিদাৰক লগ কৰিবলৈ আহিল ।

ৰুক্মিণীক দেখি শ্ৰীপতিয়ে সুধিলে, "কি কথা ? কিহৰ কাৰণে ইয়ালৈ আহিছা ?" ৰুক্মিণীয়ে কলে,

"মহাশয়, ৰাণী আইৰ পৰা জানিব পাৰিলো আপোনাক বোলে নায়েব এজনৰ আৱশ্যক ।"

"হয়, হয় ! জমিদাৰীৰ কাম-কাজ চলাবলৈকে মোক এজন যোগ্য নায়েবৰ আৱশ্যক । কাকনো নিযুক্ত কৰা যায় এই বিষয়ে চিন্তা কৰি আছো ।" জমিদাৰে কলে ।

"মহাশয়, মই আমাৰ পুত্ৰ কেশৱৰ কথাকে কবলৈ আহিছো । আপুনি তাক ভালদৰে জানেই । গৌৰীশংকৰ বাবুয়েও তাক খুব ভাল পাইছিল । খুব স্ফুৰ্তিবান ল'ৰা । ভালদৰে কাম-কাজ কৰিব পাৰিব ।" ৰুক্মিণীয়ে কলে।

তেতিয়া জমিদাৰে হাঁহিমাৰি কলে, "তুমি যি কৈছা ঠিকেই । তোমাৰ ল'ৰাক দুই তিনিবাৰ লগ পাইছো । কিন্তু এই কামৰ কাৰণে আৱশ্যক অতি সাৱধান আৰু কাৰ্য্যদক্ষ মানুহৰ । তোমাৰ ল'ৰাৰতো সেই যোগ্যতা বা খ্যাতি নাই ।"

ৰুক্মিণীয়ে অলপ সময় চিন্তা কৰি মনতে কিবা ভাবি কলে, "মহাশয়, আপুনি তাক যি পদত নিযুক্ত কৰিব সেই পদেই তাক যোগ্যতা আৰু খ্যাতি আনি দিব ।"

তাৰ পিছদিনাই জমিদাৰে ৰুক্মিণীৰ পুতেকক গৌৰীশংকৰৰ ঠাইত নায়েব পদত নিযুক্ত কৰিলে ।

-প্ৰতাপ বৰ্মা-





বেতাল কথা

গালিৰ পিশাচিনী

ৰাতিৰ এন্ধাৰ ক্ৰমে গভীৰ হৈ আহিছিল। মাজে মাজে বৰষুণ দি আছিল। হাবিৰ গছবোৰত বতাহৰ কোব লাগি এটা সোঁ সোঁৱনি শব্দ উঠিছিল । বিজুলী গাজনি, শিয়ালৰ হোৱা আৰু মাজে মাজে ভূতবোৰৰ বিকট হাঁহিৰ শব্দত ঠাইখন আৰু ভয়াল হৈ উঠিছিল । কিন্তু ৰজাই কোনো ভয় নকৰাকৈ পোনে পোনে গৈ থাকিল । দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য গৈ সেই গছজোপাৰ ওচৰত উপস্থিত হ'ল । তেওঁ গছত উঠি গছৰ ডালৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই



ললে। তাৰপাছত তেওঁ মৌন হৈ শ্মশানৰ ফালে আগবাঢ়ি গৈ থাকিল।

তেতিয়া শটোৰ ভিতৰত থকা বেতালে ৰজাক মাত লগাই কলে, “হে ৰাজন, তোমাৰ উদ্দেশ্যনো কি মই একো বুজিব পৰা নাই। তুমি কিহৰ আশাত এনেকুৱা বিপজ্জনক পথেৰে আগবাঢ়িছা? এই মাজ নিশাৰ ঘোৰ অন্ধকাৰৰ মাজত কাষৰ বস্তুটোও দেখা নাযায়। তোমাৰ বাৰু ভয় লগা নাই নে? হিংস্ৰ জন্তু, ভূত-প্ৰেত আৰু বিষাক্ত প্ৰাণীৰ মাজত থাকি তোমাৰ জীৱন বিপন্ন কৰিব খুজিছা কিয়? তোমাৰ আকাংক্ষানো কি মোক জানিবলৈ দিয়া। এইটো প্ৰায়ে দেখা যায়, মানুহে নিজৰ আকাংক্ষা পূৰণৰ উদ্দেশ্যে এনেকুৱা চাপৰ ভিতৰত থাকে, অৱশেষত তেওঁ পাহৰিয়ে যায় তেওঁনো কি বিচাৰিছিল। মই অৰুণা নামৰ ছোৱালী এজনীৰ গল্প কও শুনা, যিয়ে এজন মহৰ্ষিৰ পৰা এটা বৰ লাভ কৰিছিল। কিন্তু তাই এই বৰটো নিজৰ লাভৰ কাৰণে ব্যৱহাৰ কৰা নাছিল। তাই কোনো চিন্তা নকৰাকৈয়ে অইনৰ মঙ্গলৰ কাৰণে এই বৰটো ব্যৱহাৰ কৰিছিল। তুমি যাতে তেনেকুৱা মূৰ্খামি নকৰা এই গল্পটোৰ পৰা তাৰে শিক্ষা পাবা। এতিয়া তুমি পথৰ ভাগৰ দূৰ কৰিবলৈ কাহিনীটো মনোযোগেৰে শুনি গৈ থাকা। তাৰপিছত বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে।

গঙ্গা আছিল এজনী অতি কথকী আৰু দন্দুৰী তিৰোতা। সুবিধা পালেই তাই আনক গালি পাৰিছিল। তাইৰ স্বামী, বীৰবল কিন্তু এজন ভদ্ৰ ব্যক্তি আছিল। ঘৈণীয়েকৰ সকলো গালি-শপনি তেওঁ নীৰৱে সহ্য কৰি গৈছিল। তেওঁলোকৰ ভীম নামৰ এজন পুতেক আছিল। ভীমো পিতাকৰ নিচিনাই শান্ত স্বভাৱৰ আছিল। সি মাকৰ বাহিৰে পৃথিবীত কোনো লোককে ভয় নকৰিছিল।

এদিনাখন ভীমে মাকৰ কাৰণে এখন পাটৰ শাৰী কিনিবলৈ গঙ্গাপুৰলৈ গৈছিল। এই গাওঁখন পাটৰ শাৰীৰ কাৰণে অতি বিখ্যাত। বহু দূৰৰ পৰা পাটৰ শাৰী কিনিবলৈ মানুহে ইয়ালৈকে আহিছিল। গঙ্গাৰো ইয়াতে বোৱা শাৰী এখন পিন্ধাৰ খুব ইচ্ছা আছিল। তাই শাৰীখনৰ ৰং আৰু ডিজাইনৰ বিষয়ে ভীমক কৈ পঠাইছিল।

ভীমে বহুতো বোৱনীৰ ঘৰলৈ গৈ শাৰীবোৰ চাইছিল, কিন্তু মাকে কৈ পঠোৱা ধৰণৰ শাৰী পোৱা নাছিল। যদি সি শাৰী নিনিয়াকৈ ঘৰলৈ যায় তেতিয়াহলে মাকে তাক কেনে বেয়া ভাষাত গালি পাৰিব সেইটো সি কল্পনা কৰি লৈছিল। সি কি কৰিব ভাবি পোৱা নাছিল। হতাশ হৈ সি নদীৰ পাৰ গছ এডালৰ তলত বহি পৰিছিল।

ঠিক সেই সময়তে এদল ছোৱালী আহি তাত

উপস্থিত হৈছিল। সিহঁতে সদায় এই সময়ত কাষত কলহ লৈ নদীত গা ধুবলৈ আহে আৰু গা-পা ধুই কলহত পানী লৈ উভতি যায় । সেই ছোৱালীবোৰৰ ভিতৰত এজনীৰ নাম আছিল অৰুণা। তাই কৰ্কশভাবে ভীমক কৈছিল, "হেৰা! তুমি ইয়াত কিয় বহি আছা ? আমি ছোৱালীবোৰে যে ইয়াতে গাধুম তুমি নাজানা নেকি ?

অৰুণাৰ কৰ্কশ সুৰৰ কথাত ভীমৰ খং উঠিছিল। সি কিয় তাত বহি আছে সেইটো তাইক বুজাই কৈছিল । ভীমৰ কথা শুনি অৰুণাই ডাঙৰকৈ হাঁহি এটা মাৰি কৈছিল, "তোমাৰ মায়েৰানো কেনে তিৰোতা ? শাৰী কিনিবলৈ তেওঁ নিজে আহিব লাগিছিল অথবা অইন এজনী তিৰোতাক পঠাব লাগিছিল । বাৰু, চিন্তা নকৰিবা। মই তোমাক সহায় কৰিম । তুমি গাঁৱলৈ গৈ শিৱৰাজৰ ঘৰটো বিচাৰি উলিয়াবা। তাতে তুমি মোৰ বাবে অপেক্ষা কৰি থাকিবা । মই তোমাৰ মাৰাৰ পচন্দৰ শাৰী এখন কিনি দিম। তেতিয়া চাবা তোমাৰ মাৰাই তোমাক কিমান প্ৰশংসা কৰিব ।

ভীমে তাৰ পৰা উঠি গৈ শিৱৰাজৰ ঘৰত গৈ অৰুণাৰ বাবে অপেক্ষা কৰি থাকিল । কিছুসময় পিছত অৰুণা গা ধুই আহি পালে । ভীমৰ মাক দেখিবলৈ কেনেকুৱা অৰুণাই ভীমক সুধিছিল । তাৰপাছত এখন সস্তা দামৰ শাৰী টানমাৰি উলিয়াই আনি তাৰ হাতত কৈ দি ছিল,। তুমি ঘৰলৈ গৈ এইখন তোমাৰ মাৰাক দিবা আৰু কবা যে ঠিক এনেকুৱা এখন শাৰী পাঁচ বছৰ আগতে এজনী ৰাণীয়ে কিনিছিল বুলি তোমাক বোৱনীটোৱে কৈছে । লগতে এইটোও কবা যে ৰাণীৰ পচন্দৰ সৈতে তোমাৰ পচন্দ একে হোৱা বাবে তেওঁ আচৰিত হৈছে । তেতিয়া তোমাৰ মাৰা খুব আনন্দিত হব । কাৰণ তেওঁক

ৰাণীৰ লগত তুলনা কৰা হৈছে । চিন্তা নকৰিবা, তেওঁ এই শাৰীখন পচন্দ কৰিবই ।"

ভীমে ঘৰলৈ গৈ মাকৰ হাতত শাৰীখন দি অৰুণাই কোৱা কথাখিনি মাকক কৈছিল । ভীমৰ কথা শুনি মাকৰ মনত আনন্দ লাগিছিল আৰু এনে এখন শাৰী অনা বাবে ভীমক প্ৰশংসা কৰিছিল ।

তাৰ পছত ভীমে গোটেই ঘটনাটোৰ কথা পিতাকৰ আগত বিবৰি কৈছিল । তেওঁ ভাবিছিল ভীমলৈ যদি অৰুণাক বিয়া কৰাই আনিব পাৰো তেতিয়াহলে অৰুণাই গঙ্গাৰ স্বভাৱৰ পৰিবৰ্তন আনিব পাৰিব ।

পিছদিনাখন ভীমে গঙ্গাপুৰলৈ গৈ সেই একে ঠাইতে অৰুণাৰ বাবে অপেক্ষা কৰি আছিল । তেওঁ ভীমক দেখা মাত্ৰকে আগবাঢ়ি আহি সুধিছিল, "শাৰীখন তোমাৰ মাৰাৰ পচন্দ হোৱা নাই নেকি ? তেওঁ তোমাক তিৰস্কাৰ কৰিছে নেকি ?"



"নহয়, মোৰ মায়ে শৰীখন খুব ভাল পাইছে। মই অন্য এটা জৰুৰী কথা কবলৈহে আহিছিলো। মই তোমাক বিয়া কৰাব খোজো।" ভীমে দ্বিধাযুক্ত ভাবে কথাখিনি কৈছিল।

"তুমি মোক কিয় সুধিছা? তোমাৰ পিতা মাতাক মোৰ পিতা মাতাৰ সৈতে কথা হবলৈ কোৱাগৈ।" অৰুণাই কৈছিল।

"সেইটো বাৰু পিছতো হব। তাৰ আগতে মই তোমাৰ মতামত জানি লবলৈ আহিছো।" ভীমে কৈছিল।

অৰুণাই এক মুহূৰ্ত্ত সময় কিবা ভাবি উত্তৰ দি কৈছিল, "তুমি অতি নম্ৰ আৰু ভদ্ৰ, সেয়ে তোমাক মোৰ ভাল লাগে। সেই কাৰণেই মই তোমাক শাৰী পচন্দ কৰাত সহায় কৰি দিছিলো।"

ভীমে তেতিয়া অৰুণাৰ আগত মাকৰ সকলোবোৰ কথা কৈছিল আৰু তাইক সুধিছিল, "তুমি তোমাৰ বুদ্ধিৰ দ্বাৰা মাৰ স্বভাৱৰ পৰিবৰ্তন আনিব পাৰিবানে?"

এক সিদ্ধান্তত উপনিত হবলৈ অৰুণাৰ বেচি সময় নালাগিল। তাই মহৰ্ষি বিলম্বক সোঁৱৰণ কৰিছিল। মহৰ্ষি বিলম্বই দেশ ভ্ৰমণ কৰোতে এবাৰ গঙ্গাপুৰলৈকো আহিছিল। এদিন মহৰ্ষিয়ে ভৰি পিছলি নদীৰ পাৰত পৰি গৈছিল। তেওঁ ভৰিত খুব আঘাত পোৱা বাবে থিয় হবই পৰা নাছিল। ডাঙৰ মানুহ এজন পিছলি পৰা বাবে নদীত গা ধুবলৈ অহা ছোৱালীবোৰে খুব ৰং পাইছিল। তেতিয়া অৰুণাই লগৰীয়াসকলক ধমক দিছিল আৰু ঋষিৰ হাতত ধৰি তুলি দিছিল। ঋষিয়ে অৰুণাৰ ব্যৱহাৰত অতিকৈ সন্তুষ্ট হৈ কৈছিল, "মই তোমাৰ ব্যৱহাৰত অতি সন্তুষ্ট হৈছো। তোমাক কি বৰ লাগে কোৱা।"

সেই সময়ত অৰুণাই কিনো বৰ লব একো সিদ্ধান্ত কৰিব পৰা নাছিল। তেতিয়া ঋষিয়ে কৈছিল, "যেতিয়া তোমাৰ কিবা আৱশ্যক হয়, তুমি চকুমুদি মোৰ নাম তিনিবাৰ উচ্চাৰণ কৰিবা। তেতিয়া মই তোমাৰ সন্মুখত দেখা দিম আৰু তোমাক বৰ দিম।" এইবুলি কৈ তেওঁ তাৰপৰা গুচি গৈছিল।

অৰুণাই গোটেই ঘটনাটো ভীমৰ আগত বিবৰি কৈছিল আৰু তাৰপাছত ভীমক কৈছিল, "মই ভবো সাধাৰণ মানুহৰ পক্ষে তোমাৰ মাৰাৰ অন্তৰ পৰিবৰ্তন কৰা সহজ নহব। আমি মহৰ্ষি বিলম্বৰ সহায় লব লাগিব।" এইবুলি কৈ অৰুণাই চকুমুদি তিনিবাৰ ঋষিৰ নাম উচ্চাৰণ কৰিছিল।

লগে লগে বিলম্ব আহি তাত উপস্থিত হৈছিল। ঋষিয়ে অৰুণাৰ মুখৰ পৰা গোটেই কথাখিনি শুনিছিল, তাৰপিছত ভীমক কৈছিল, "আহা বাচা, তোমাৰ মাৰ লগত দেখা কৰো।"

তেওঁলোক গৈ ভীমহঁতৰ গাঁৱত গৈ উপস্থিত হৈছিল। ঋষিয়ে ভীমৰ ঘৰৰ দুৱাৰ মুখলৈ গৈ



বিচনাত শুই থকা মাকক কৈছিল, “মা, অলপ ভিক্ষা দিয়া !”

গঙ্গাই বিচনাৰ পৰা উঠি অলপ কৰ্কশভাবে কৈছিল, “তুমি ভিক্ষা কৰিবলৈ আহিছা । এনেকৈ কোনোবাই ভিক্ষা খোজে নেকি ?” তাৰপাছত গঙ্গাই অলপ বেয়া ভাষাৰে ঋষিক গালি পাৰিবলৈ ধৰিলে ।

তেতিয়া বিলম্বই কৈছিল, “মা, তোমাৰ ইচ্ছা থাকিলে মোক ভিক্ষা দিবা, নহলে গুচি যাবলৈ কবা । এই দিৰে মিছাতে কৰ্কশ ব্যৱহাৰ কৰিলে তোমাৰ কটু কথাই পিশাচিনীৰ ৰূপ ধৰি তোমাকে ককৰ্থনা কৰিব ।”

“সৰুৰেপৰা গালি পৰাতো মোৰ অভ্যাসত পৰিণত হৈছে । মই মা-পিতা, শাহু-শহুৰকো এইদৰে গালি পাৰি আহিছো । মই স্বামী আৰু পুত্ৰকো এনেদৰে ব্যৱহাৰ কৰো । তেওঁলোকো মোৰ ব্যৱহাৰৰ সৈতে অভ্যস্ত হৈ গৈছে । সেয়েহে এতিয়ালৈকে মোৰ কোনো সমস্যা হোৱা নাই ।” গঙ্গাই গৰ্বেৰে ডাঙৰ ডাঙৰকৈ কথখিনি কৈছিল ।

“যদি মই কিবা পাপ কৰো তেতিয়াহে তোমাৰ গালি মোৰ গাত লাগিব । কিন্তু যদি অকাৰণতে তুমি মোক গালি পাৰা, তেতিয়াহলে তোমাৰ গালি তোমাৰ নিজৰ গতে লাগিব । তুমি এই কথাটো জনা উচিত । যদি কোনো কাৰণ নোহোৱাকৈ তুমি কাৰোবাক গালি পাৰা, সেই গালিয়ে পিশাচিনী হৈ তোমাৰ সন্মুখত দেখা দিব !” মহৰ্ষি বিলম্বই কৈছিল ।

ঠিক সেই সময়তে হিংস্ৰ প্ৰকৃতিৰ এটা পিশাচিনী গঙ্গাৰ সন্মুখত আহি দেখা দিছিল । পিশাচিনীটোৱে গঙ্গাক কৈছিল, “গঙ্গা, মই গালিৰ ৰাণী পিশাচিনী । চাৰি বছৰৰ ভিতৰত মই তোমাক বিকলাঙ্গ কৰাৰ কথা আছিল । কিন্তু এই ঋষিৰ শাপৰ কাৰণে পিশাচিনীৰ ৰূপ ধৰি মই এতিয়াই আহিবলৈ বাধ্য হৈছো । তুমি যদি কাৰোবাৰ অনিষ্ট কৰিব খোজা এতিয়াই মোক কোৱা, নহলে মই তোমাৰে অনিষ্ট কৰিম !”

গঙ্গাই খুব ভয় খাই গৈছিল । তাই অন্য উপায় নেদেখি ঋষিৰ ভৰিত দীঘলদি পৰি কৈছিল, “হে পুণ্যাত্মা, মোক ক্ষমা কৰা । মই নাজানি ডাঙৰ ভুল কৰিছো ।”

তেতিয়া মহৰ্ষিয়ে কৈছিল, “পিশাচিনী আহিছে তোমাৰ মৰমৰ কিবা এটা বস্তু যেতিয়া তাই ধবংশ কৰিবই । তোমালোকৰ বাৰিৰ পিছফালে থকা আমগছ জোপা তুমি খুব ভাল পোৱা । পিশাচিনীক তুমি সেই গছজোপাই উভলি পেলাবলৈ কোৱা । তেতিয়া পিশাচিনীয়ে তোমাক এৰি দিব ।”

গঙ্গাই তাকে কোৱাত পিশাচিনীটো তাৰপৰা তৎক্ষণাত নোহোৱা হৈ গৈছিল । বাৰিৰ পিছফালৰ আম গছজোপাও বাগৰি পৰি আছিল ।

তেতিয়া অতি নম্রভাবে মহৰ্ষিয়ে কৈছিল, "গঙ্গা, এতিয়াৰপৰা তুমি কোনো মানুহকে কোনো কাৰণ নোহোৱাকৈ তিৰস্কাৰ নকৰিবা। যদি তিৰস্কাৰ কৰা তেতিয়া পিশাচিনীয়ে আহি তোমাক শাস্তি দিব । যদি তোমাৰ স্বভাৱ ভাল হয় পিশাচিনী অহাৰ প্ৰশ্নই নুঠে । গঙ্গাপুৰ গাঁৱত অৰুণা নামৰ এজনী ছোৱালী আছে । তাই খুব বুধিয়ক ছোৱালী । তুমি তাইক বোৱাৰী কৰি আনা । যদি তুমি তাইৰ সৈতে ভাল ব্যৱহাৰ কৰা আৰু তাইক খুব মৰম কৰা, তেতিয়াহলে পিশাচিনী অহাৰ পথ লাহে লাহে বন্ধ হৈ যাব । এতিয়া তোমাৰ সুখ তোমাৰ হাততে ।"

ইয়াৰ কেইদিনমান পিছতে ভীম আৰু অৰুণাৰ বিয়া হৈ গৈছিল ।

কাহিনীটো শেষ হোৱাৰ পিছত বেতালে ৰজাক কৈছিল, "হে ৰাজন, এইটো দেখা যায়, মহৰ্ষি বিলম্বই দিয়া বৰটো অৰুণাই ভাল কামত লগোৱা নাছিল । এই বৰটোৰ সহায়ত তাই কোনোবা ধনীঘৰৰ বোৱাৰী হব পাৰিলেহেতেন আৰু মহা সুখে জীৱন যাপন কৰিব পাৰিলেহেতেন । তাই নিজৰ সুখৰ কাৰণে বৰটো ব্যৱহাৰ কৰা নাছিল । ভীমৰ সুখৰ কাৰণে তাই বৰটো ব্যৱহাৰ কৰিছিল । মই ভাবো অৰুণাই এইটো ভাল কাম কৰা নাই । এই বিষয়ে তোমাৰ মন্তব্য কি ? যদি তুমি ইয়াৰ উত্তৰ জানিও মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।"

তেতিয়া ৰজা বিক্ৰমাদিত্যই উত্তৰ দি কৈছিল, "সকলো মাক পিতাকে তেওঁলোকৰ ছোৱালীজনী ভাল ঠাইত বিয়াহৈ সুখেৰে থকাতো বিচাৰে । মই ভাবো পিতা মাতাৰ মনত সুখ দিবলৈকে অৰুণাই বৰটো কামত লগাইছিল। সাধাৰণতে পুৰুষবোৰ অলপ খঙাল প্ৰকৃতিৰ হয় । কিন্তু ভীমৰ প্ৰকৃতি আছিল তাৰ সম্পূৰ্ণ বিপৰীত । ভীম বৰ সহিষ্ণু আছিল । যিকোনো ছোৱালীয়ে তেনে প্ৰকৃতিৰ পুৰুষকে বিয়া কৰাবলৈ বিচাৰে । অৰুণাই তাইৰ শাহুয়েকৰ স্বভাৱৰ পৰিবৰ্তন আনিবলৈ বৰটো ব্যৱহাৰ কৰিছিল । তাৰ দ্বাৰা পৰিয়ালত সুখ শান্তি বাঢ়িব । পৰিয়ালৰ মঙ্গলৰ কাৰণেই এইটো কৰা হৈছিল । সেয়েহে, মই ভাবো অৰুণাৰ সিদ্ধান্ত অযৌক্তিক নাছিল ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল । ৰজাইও তৰোৱালখন উলিয়াই লৈ শটোৰ পিছে পিছে গ'ল ।

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

কিছুমান ঠাইৰ কিছুমান বিশেষত্ব আছে । সেই বিশেষত্বৰ বাবে সেই ঠাইবোৰ বিখ্যাত । তলত উল্লেখিত ঠাইবোৰ কি কি বিশেষত্বৰ বাবে বিখ্যাত তাক বিচাৰি উলিয়াবলৈ চেষ্টা কৰা -

১. জাপানক 'সূৰ্য্যোদয়ৰ দেশ' বুলি কোৱা হয় । ভাৰতৰ কোনটো অঞ্চলত প্ৰথমতে সূৰ্য্যৰ পোহৰ পৰে ?

২. কোনখন ৰাজ্যত জনজাতীয় লোকৰ সংখ্যা শতকৰা হাৰ বেচি ?

৩. ৰাজ্যবোৰৰ ভিতৰত এখন ৰাজ্যত নৃত্যৰ নিজস্ব শৈলী আছে । কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সেই নৃত্যশৈলী বাহিৰৰ পৃথিবীৰ লগত পৰিচয় কৰাই দিছিল । সেই ৰাজ্যখনৰ নাম কি ?

৪. এখন ৰাজ্যত বহু সংখ্যক বৌদ্ধ বিহাৰ আছে আৰু তাৰ পৰাই ৰাজ্যখনৰ নামটো উৎপত্তি হৈছে । ৰাজ্যখনৰ নাম কি ?

৫. বৃটিচ চৰকাৰে যেতিয়া দিল্লীৰ পৰা ৰাজ্য শাসন কৰিছিল কোনো এঠাইত তেওঁলোকৰ গ্ৰীষ্মৰ ৰাজধানী আছিল । কোন ৰাজ্যৰ কোনখন চহৰত সেই ৰাজধানী পাতিছিল ?

৬. বিশ্বৰ কোনখন ৰাজ্যত প্ৰথম গণতান্ত্ৰিকভাবে নিৰ্বাচিত কমিউনিষ্ট চৰকাৰ এখন গঠন হৈছিল।

৭. ফৰাচী স্থাপত্যবিদ লা কোৰবোচিয়াৰ (Le corbusier)-এ এখন চহৰৰ আৰ্হি তৈয়াৰ কৰিছিল। এই চহৰখন দুখন ৰাজ্যৰ ৰাজধানী । চহৰখন আৰু ৰাজ্যদুখনৰ নাম কি কি ?

৮. চাৰিখন বেলেগ বেলেগ ঠাইত কুম্ভ মেলা পতা হয় । তাৰ ভিতৰত দুখন ঠাই এখন ৰাজ্যতে অৱস্থিত । ৰাজ্যখনৰ নাম কি ?

(উত্তৰ অহা সংখ্যাত)

জানুৱাৰী মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. নেতাজী সুভষ চন্দ্ৰ বসু ।

২. মগনলাল গান্ধীয়ে 'সদাগ্ৰহ' শব্দটো উদ্ভৱ কৰিছিল, তাৰ অৰ্থ হ'ল ভাল কামৰ প্ৰতি আগ্ৰহ। গান্ধীজীয়ে তাক সত্যাগ্ৰহলৈ ৰূপান্তৰ কৰিছিল ।

৩. ১৯১৬ চনত বহা কংগ্ৰেছৰ লক্ষ্ণৌ অধিবেশন ।

৪. লালা লাজপত ৰায়, বাল গঙ্গাধৰ তিলক আৰু পিন চন্দ্ৰ পাল ।

৫. ১৯০৫

৬. ১৮৫৭

৭. ১৯২৯ চনৰ ৩১ ডিচেম্বৰত বহা কংগ্ৰেছৰ লাহোৰ অধিবেশন ।

৮. ১৯২৮ চনত ভাৰতীয় নেতৃবৃন্দৰ লগত প্ৰশাসনীয় সংস্কাৰৰ বিষয়ে আলোচনা কৰিবলৈ চাৰ জন চাইমনৰ নেতৃত্বত এটা কমিচন আহিছিল ।

৯. ১৯৪৬ চনৰ ২৪ আগষ্ট ।

১০. বাল গঙ্গাধৰ তিলক ।

নাগালেণ্ডৰ লোক কথা

নাগালেণ্ড ৰাজ্যখন ভাৰতবৰ্ষৰ একেবাৰে উত্তৰ-পূব্ কোণত অৱস্থিত। এই ৰাজ্যখনৰ উত্তৰে আছে অৰুণাচল প্ৰদেশ আৰু অসম, দক্ষিণে মণিপুৰ, পশ্চিমে অসম আৰু পূবে ম্যায়নমাৰ (পূৰ্বৰ ব্ৰহ্মদেশ)।

এই ৰাজ্যখনৰ আয়তন ১৬,৫২৭ বৰ্গ কি:মি: আৰু মুঠ জনসংখ্যা ১,৯৮৮,৬৩৬ জন (২০০১ চনৰ চেঞ্চাচ মতে)। এই পাহাৰী ৰাজ্যখন সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰায় ১,৪৯০ মিটাৰ উচ্চতাত অৱস্থিত।

নাগালেণ্ড ৰাজ্যখন ১৯৬৩ চনৰ ১ ডিচেম্বৰত এখন বেলেগ ৰাজ্য হিচাবে গঠন কৰা আৰু এইখন আছিল ভাৰতবৰ্ষৰ ১৬ তম ৰাজ্য। ইয়াৰ ৰাজধানী কোহিমা। এই ৰাজ্যত প্ৰচলিত প্ৰধান ভাষাবোৰ হ'ল, ইংৰাজী, হিন্দী আৰু নাগামিজ।

নগা পাৰ্বত্য অঞ্চলৰ উচ্চতম শৃঙ্গটোৰ নাম সৰামতী। সমুদ্ৰ পৃষ্ঠাৰ পৰা ইয়াৰ উচ্চতা ৩,৮৭৭ মিটাৰ। ইয়াৰ ৰাজধানী কোহিমা এখন সুন্দৰ পাৰ্বত্য চহৰ। এই চহৰৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম।

নগালেণ্ডৰ অন্যতম প্ৰধান চহৰ ডিমাপুৰক ৰাজ্যখনৰ দুৱাৰ মুখ বুলি কোৱা হয়। সমুদ্ৰ পৃষ্ঠৰ পৰা ইয়াৰ উচ্চতা ১৯৫ মিটাৰ।

কোহিতোয়ে শান্তি পাইছিল

নাগালেণ্ডৰ জুনহেবতো নামৰ সৰু গাওঁ এখনত কোহিতোয়ে বাস কৰিছিল। চৈধ্য বছৰীয়া এই মাউৰা ল'ৰাজনক সকলোৱে অৱহেলা কৰিছিল। গাঁৱৰ সকলোবোৰ মানুহ সদায় নিজৰ কামতে ব্যস্ত আছিল। কোহিতোয়ে গাঁৱৰ অন্যান্য ল'ৰাবোৰৰ সৈতে মুৰুগুত থাকিছিল আৰু তাতে কোনোমতে দৈনন্দিন খোৱাতো পালেও সি সামান্যহে ভাগত পাইছিল। দাও আৰু খৰাহি তৈয়াৰ কৰা আৰু হাবিত চিকাৰ



কৰিব শিকাৰ তাৰ খুব ইচ্ছা আছিল । কিন্তু কোনেও তাক শিকাব নুখুজিছিল ।

কোহিতোৱে এবাৰ খৰাহি তৈয়াৰ কৰা মানুহ এজনৰ ওচৰলৈ গৈছিল । তাৰ ছাঁটো দেখিয়েই মানুহজনে তাক তাৰ পৰা খেদি দি কৈছিল, “যোৱা, যোৱা, ইয়াৰ পৰা গুচি যোৱা ।” কোহিতোৱে হতাশ হৈ চাৰিওফালে ঘূৰি ফুৰিছিল ।

এদিনাখন নেদেলীয়ে দা এখন ধাৰ দি আছিল। “তুমি মোক যাঠী তৈয়াৰ কৰিবলৈ শিকাবানে ?” কোহিতোয়ে সুধিছিল ।

“এতিয়া নহয়, পিছত । তোমাৰ দৰেতো মোৰ আজৰি সময় নাই ।” নেদেলীয়ে কৈছিল ।

কোহিতোৰ তেতিয়া খুব খং উঠিছিল । সি গাঁৱৰ বাহিৰলৈ গৈ বাঁহনী এডৰাৰ ওচৰত গৈ ৰ’ল । “মোৰ কাম-বন নাই, মই ভাল মানুহ নহয় ।’ সি হাতখন মোহাৰি মোহাৰি ভাবিবলৈ ধৰিলে । ‘সিহঁতৰ সন্মান পাবলৈ হলে মই কিবা কৰিবই লাগিব । মই এনে কাম কৰি দেখুৱাম যি কাম কোনো নগাই আগতে কৰা নাই ।’ এই চিন্তাই তাক উত্তেজিত কৰি তুলিছিল । সি কি কাম কৰি দেখুৱালে গাওঁবাসী তাৰ প্ৰতি কৃতজ্ঞ হব, তাকে সি ভাবিবলৈ ধৰিলে ।

ঠিক সেই সময়তে সি পানী আনিবলৈ যোৱা ছোৱালীবোৰৰ গান শুনিবলৈ পাইছিল । ছোৱালীবোৰে পানীৰ পাত্ৰবোৰ খাঙত ভৰাই লৈ কেইমাইলমান দূৰত থকা নদীলৈ পানী আনিবলৈ গৈছিল । সিহঁতে বহুদূৰ বাট খোজকাঢ়ি যাব লগা হোৱা বাবে গান গাই গাইয়ে গৈছিল । কোহিতোৰ তৎক্ষণাত এটা মনত খেলাইছিল । পানী !

সিহঁতৰ গাঁৱৰ প্ৰধান সমস্যা হ’ল খোৱা পানী। সি যদি এটা কুৱা খান্দিৰ পাৰে তেতিয়াহলে গাঁৱৰ মানুহবোৰে দূৰলৈ পানী আনিবলৈ আৰু যাব নালাগিব । তেতিয়া তাক আৰু কোনেও অলাগতিয়াল, অকৰ্মণ্য বুলি কব নোৱাৰিব । কোহিতোয়ে সিদ্ধান্ত কৰি লৈছিল যি এটা কুঁৱা খান্দিবই । কিন্তু কামটো শেষ হোৱাৰ আগতে সি এই বিষয়ে কাৰো আগত নকও বুলি সিদ্ধান্ত কৰিছিল, নহলে গাঁৱৰ মানুহবোৰে তাক উপলুঙা কৰিব ।



সি কুঁৱা খন্দা আৰম্ভ কৰিছিল । তাৰ নিচিনা কম বয়সীয়া ল’ৰাৰ কাৰণে এইটো খুব কষ্টসাধ্য কাম আছিল । কিন্তু কোহিতো হতাশ হোৱা নাছিল। সি যিমান পাৰিছিল খান্দি গৈছিল ।

এইদৰে বহুবছৰ পাৰ হৈ গৈছিল । কোহিতো যুৱক হৈছিল । কিন্তু সি খন্দা কাম এৰা নাছিল । এদিনাখন এসোঁতা পৰিষ্কাৰ পানী কুঁৱাৰ তলিৰ পৰা ওলাই তাৰ মুখত চিটিকি পৰিছিল । সি আনন্দতে আত্মহাৰা হৈ পৰিছিল । অৱশেষত পানী পোৱা গ’ল !

কেইদিনমানৰ ভিতৰতে তাৰ কুঁৱাটো

শিৰশ্চেদ প্ৰথা



পুৰণি কালত শিৰশেচদ প্ৰথাটো নাগাসকলৰ এক ডাঙৰ বৈশিষ্ট্য আছিল । এজন ব্যক্তিয়ে কোনো এজনকো শিৰশ্চেদ কৰিব নোৱাৰিলে হাঁহিয়াতৰ পাত্ৰ হব লগা হৈছিল আৰু তেওঁ সহজতে কইণা নাপাইছিল ! নাগাসকলে মানুহৰ শিৰশ্চেদ কৰা মূৰবোৰ বিজয় চিহ্ন হিচাবে ঘৰতে সেইবোৰ ভালদৰে পৰিষ্কাৰ কৰি ৰাখিছিল ।



ব্যৱহাৰৰ উপযোগী হৈ উঠিছিল । সি বাঁহৰ চুঙাটোত পানী ভৰাই তাৰে এঢোক খাইছিল । এনেতে পাণী আনিবলৈ যোৱা ছোৱালীবোৰৰ গান শুনি সি সিহঁতৰ ওচৰলৈ দৌৰি গৈছিল । “তোমালোকে আৰু দূৰলৈ পানী আনিবলৈ যাব নালাগে । মই খন্দা কুৱাটোৰ পৰাই নিব পাৰিবা । তাত সুন্দৰ পৰিষ্কাৰ পানী ওলাছে ।” সি ছোৱালীবোৰক মাতিছিল । প্ৰথমতে সিহঁতে বিশ্বাসে কৰা নাছিল। কিন্তু সিহঁতে কৌতুহলবসত কুঁৱাটো চাবলৈ গ’ল । কুঁৱাটো ঠাণ্ডা পৰিষ্কাৰ পানীৰে ভৰি থকা দেখি সিহঁত আচৰিত হৈছিল।

অতি সোনকালে কোহিতোৰ কুঁৱাৰ কথা গোটেই গাঁৱতে বিয়পি পৰিছিল । গোটেই গাওঁবাসী তাৰ কামত সন্তুষ্ট হৈছিল । কোহিতো এতিয়া এজন দৰকাৰী মানুহ হৈ পৰিছিল ।

কিন্তু এই আনন্দ বেচি দিন নাথাকিল । কোহিতোৰ যশ চাৰিওফালে বিয়াপি পৰিছিল । আনকি মেঘৰ মাজত থকা পৰী সদৃশ কিন্নৰবোৰো কুঁৱাটোলৈ আহিছিল । অৱশ্যে কিন্নৰ কুমাৰীবোৰ ৰাতিৰ আকাশত চন্দ্ৰ উঠাৰ পিছত কুঁৱাটোৰ পাৰলৈ উৰি আহিছিল আৰু গোটেই ৰাতি গাধুই কুঁৱাৰ পাৰত ঘূৰা ফুৰা কৰি কটাইছিল । ৰাতিপুৱাৰ লগে লগে সিহঁত উৰি গৈছিল । এইবোৰ কাৰণত কুঁৱাৰ

পানীবোৰ লেতেৰা হৈ গৈছিল । কিন্নৰৰ পাখী, ফুল উত্যাদি পানীত ওপঙি আছিল ।

তাৰ বাবে গাঁৱৰ মানুহবোৰৰ খং উঠিছিল । “কোনে কুঁৱাটো লেতেৰা কৰিছে ?” মানুহবোৰে কোহিতোক সুধিছিল । বেচেৰা কোহিতোয়ে কিন্তু এই বিষয়ে একো নাজানিছিল । “তুমি নিশ্চয় কাৰোবাক কুঁৱাটো ব্যৱহাৰ কৰিবলৈ দিছা । সেই কাৰণে ইয়াৰ পানীবোৰ ইমান লেতেৰা হৈছে । এইদৰে যদি আগলৈকো চলে, তোমাক গাঁৱৰপৰা বাহিৰ কৰি দিম ।” গাওঁবাসীয়ে কৈছিল ।

এই বিষয়ে ব্যৱস্থা লোৱাৰ কাৰণে কোহিতোয়ে সিদ্ধান্ত কৰিছিল । ইমান বছৰ কষ্ট কৰি সি গাওঁবাসীৰ পৰা সন্মান পোৱাৰ যোগ্য হৈছে । ইমান সহজতে তাক এৰি দিব নোৱাৰে ।

এদিনাখন ৰাতি কোহিতোয়ে কুঁৱাটোৰ ওচৰত লুকাই আছিল । অইন দিনাৰ নিচিনাকৈ সেইদিনাও কিন্নৰ কুমাৰীবোৰ কুঁৱাটোৰ পাৰলৈ আহিছিল । সিহঁতে পানীত নামি যোৱাৰ আগতে পাখীবোৰ পাৰত খুলি হৈছিল । ‘অ’ তোমালোক হে সৰ্বনাশৰ মূল ।’ কোহিতোয়ে ভাবিছিল । এই গাঁৱত তোমালোকে মোৰ দুৰ্ণাম আনিছা । তোমালোকক মই ভাল শিক্ষা দিম ।’ এইবুলি সি মনে মনে পাখীবোৰ থোৱা ঠাইলৈ গৈ লাহেকৈ এযোৰ পাখী টান মাৰি লৈ আন্ধাৰৰ মাজত সি লুকাই পৰিছিল ।

ঠিক ৰাতিপুৱাৰ লগে লগে কিন্নৰবোৰ কুঁৱাৰ পানীৰ পৰা উঠি আহিছিল । সিহঁতে লৰালৰিকৈ পাখীবোৰ বান্ধি লৈ উৰি গুচি গৈছিল । মাথোঁ এজনী কিন্নৰে পাখী বিচাৰি পোৱা নাছিল । “মোৰ কাৰণে অলপ ৰবা, মই পাখী দুখন বিচাৰি পোৱা নাই।” কিন্তু অন্য কিন্নৰবোৰে তাইৰ কথা নুশুনি উৰি গুচি গৈছিল । তাই কান্দি কান্দি তাতে ৰৈ গৈছিল ।

কোহিতোৱে লুকাই থকা ঠাইৰ পৰা ওলাই আহিছিল । “মই তোমাক যাবলৈ নিদিও । তোমাৰ বান্ধবীবোৰ যাতে আকৌ ইয়ালৈ নাহে তাৰ বাবে এইটো এটা শিক্ষা হব ।” সি গৰ্জন কৰি কৈছিল ।

তাই ফেঁকুৰি ফেঁকুৰি কান্দি আছিল । তাইৰ কান্দোন দেখি তাৰ মনটো অলপ কুমলিছিল । কোহিতোয়ে তাইক সুধিছিল, “তুমি মোক বিয়া কৰাবানে ? মই তোমাক খুব মৰম কৰিম ।”

জনজাতি

নাগালেন্ড এখন জনজাতীয় ৰাজ্য । এই ৰাজ্যখনত চৈধ্যটা প্ৰধান জনজাতিৰ লোক বাস কৰে । তাৰ ভিতৰত বিশেষ জনজাতিবোৰ হ’ল --আও, আঙ্গামী, চাকচেং, চেং, খেমুনগন, কন্যাক, লোথা আৰু ফোম । প্ৰতিটো জনজাতিৰে নিজস্ব ঐতিহ্য, ৰীতি-নীতি আৰু ভাষা আছে । জনজাতীয় সম্প্ৰদায় ভেদে পোচাক, আ-অলঙ্কাৰ আনকি টুপীও বেলেগ বেলেগ । এই প্ৰধান জনজাতিবোৰ এতিয়া বহুতো উপ জনজাতিত বিভক্ত হৈছে।

অন্য উপায় নেদেখি তাই তাৰ কথাত সন্মত হৈছিল।

কোহিতোয়ে কিন্নৰজনীক বিয়া কৰাই গাঁৱলৈ লৈ আহিছিল। দুয়ো লগলাগি এটা ভাল ঘৰ সাজিছিল। এইদৰে বছৰবোৰ পাৰ হৈ গৈছিল। যদিও তাই ভাত, মাংস ৰান্ধিবলৈ শিকিছিল, জুথো অৰু ৰুহি বনাব পাৰিছিল আৰু খৰাহী বোৰ জানিছিল, তথাপি তাইৰ মেঘৰ মাজত থকা ঘৰটোৰ কথা বৰলৈ মনত পৰিছিল।

যেতিয়া কোহিতো কাম কৰিবলৈ বাহিৰলৈ গৈছিল, তাই তাইৰ পাখীদুখন বিচাৰিছিল। কিন্তু কোহিতোয়ে সেই দুখন এনে ঠাইত লুকুৱাই থৈছিল তাইৰ বাবে বিচাৰি পোৱা সম্ভৱ নাছিল। 'ক'তনো থব পাৰে ?' তাই মনতে ভাবিছিল। সম্ভবত কুকুৰা বাহত। এই কথাটো মনত খেলোৱাৰ লগে লগে তাই কুকুৰাৰ বাহৰ ওচৰলৈ গৈছিল।

ঠাইখন অতি দুৰ্গন্ধময় আছিল। তথাপি তাই কুকুৰাৰ বাহত হাতখন সোমাই দিছিল। তেতিয়া কুকুৰাৰ পোৱালিবোৰে চিঞৰি উঠিছিল। তাকে দেখি মাইকী কুকুৰা জনীয়ে তাইৰ ধুনীয়া হাতখনত খুটিয়াই দিছিল। তথাপিতো তাই সাহস কৰি

হস্তশিল্প

প্ৰায়বোৰ নাগালোকেই খোদাই কাৰ্য্যত আৰু কাপোৰৰ আৰ্হিত হেড হান্টিংটোকে চিহ্ন হিচাবে ব্যৱহাৰ কৰে। নাগাসকল কাঠত খোদাই কাৰ্য্য আৰু বাঁহ-বেতৰ কামত অতি বিখ্যাত। নাগালেন্ডৰ হাবিত প্ৰচুৰ বাঁহ আৰু বেত পোৱা যায়। নাগাসকল সাধাৰণতে খাং, বাস্কেট আদি তৈয়াৰ কৰাত অতি পাৰ্গত। তেওঁলোকে বাঁহেৰে ধৰি, যাঠী আৰু ঢালো তৈয়াৰ কৰে। বাজু, কন্ঠহাৰ আদিও তেওঁলোকে বেতেৰে তৈয়াৰ কৰে। নাগাসকলৰ বয়ন কাৰ্য্যৰ ভিতৰত নাগাশ্বল অতি বিখ্যাত।

হাতখন আৰু বেচিঁকৈ সোমাই দিছিল আৰু কোমল কোমল কিবা বস্তু তাইৰ হাতত লাগিছিল । তাই টান মাৰি দিয়াত বস্তুটো ওলাই আহিছিল । হয়, এইদুখন তাইৰ পাখী । অলপ লেতেৰা হলেও পাখীদুখন ভালেই আছে !

তাই সেইদুখন পৰিষ্কাৰ কৰি লৈ তাইৰ পিঠিত বান্ধি লৈছিল । তাই পিছলৈ ঘূৰি নোচোৰাকৈ মেঘৰ মাজত থকা তাইৰ ঘৰলৈ উৰি গৈছিল ।

ৰাতি যেতিয়া কোহিতো ঘৰলৈ উভতি আহিছিল, তাৰ পত্নীক বিচাৰি পোৱা নাছিল । সি পাগলৰ দৰে ইফালে সিফালে দৌৰি দৌৰিগৈ আছিল । যাকে য'তে লগ পাইছিল সকলোকে ঘৈণীয়েকৰ কথা সুধিছিল, কিন্তু কোনেও তাইক দেখা নাছিল । সি কুকুৰাৰ বাহৰ ওচৰলৈ দৌৰি আহি বাহৰ ভিতৰত হাতখন সোমাই দিছিল । পাখী দুখন তাত নাই ! এতিয়াহে সি জানিব পাৰিলে তাই গুচি গৈছে । তাৰ মনতো বেদনাৰে ভৰি পৰিছিল ।

কোহিতোয়ে তাৰ ঘৰৰ দুৱাৰ মুখত বহি কান্দিবলৈ ধৰিলে । হঠাতে এটা বগা কাউৰী উৰি আহি তাৰ সন্মুখত পৰিছিল । কাউৰীটোৱে তাক সান্ত্বনা দি কৈছিল, "কোহিতো তুমি নাকান্দিবা । মই তাই উৰি যোৱা দেখিছো । যদি তুমি বিচৰা মই তাইক আনি দিব পাৰো, কিন্তু তাৰ বিনিময়ত তুমিও মোক সহায় কৰিব লাগিব ।

"হে মোৰ বন্ধু, মই তোমাক সহায় কৰিম । কোৱাচোন মই কি কৰিব লাগিব !" কোহিতোয়ে উদ্বিগ্ন হৈ সুধিছিল ।

"মোক এটা ক'লা কাউৰী কৰি দিয়া । মই বগা হোৱা বাবে মোৰ বৰ অসুবিধা হৈছে । মোৰ এই আচৰিত বৰণৰ কাৰণে মোৰ ভাইবোৰে মোক এৰি গৈছে ।"

কিন্নৰ ৰাজ্যত গৈ কোহিতোয়ে কাউৰীটোক ক'লা কৰি দিয়াৰ প্ৰতিজ্ঞা কৰিছিল । তাৰ পিছত সি কাউৰীৰ পিঠিত উঠি উৰি গৈছিল ।

বহুদূৰ উৰি গৈ গৈ অৱশেষত সিহঁতে কিন্নৰৰ ৰাজ্য পাইছিল । কিন্নৰসকলে তাক তাৰ পত্নীৰ ওচৰলৈ লৈ গৈছিল । পত্নীয়েও তাক আদৰ সাদৰ কৰি ঘৰলৈ মাতি নিছিল । তাক তাই সেইদৰে এৰি অহা কাৰণে খুব লাজ পাইছিল । "মোক আৰু মৰ্ত্তলৈ যাবলৈ নকবা !" তাই অনুৰোধ কৰি কৈছিল । "আমি ইয়াতে সুখে শান্তিৰে থাকো আহা ।"

কোহিতোয়েও তাইৰ কথাত সন্মতি জনাইছিল।

শব্দকোষ

মুৰুং - অবিবাহিত নাগা যুৱক সকল থকা ঠাই ।

দাও - এবিধ অস্ত্ৰ ।

খাং - পিঠিত লোৱা এবিধ খৰাহী ।

চুঙ্গা - পাণী আদি খাবলৈ ব্যৱহাৰ কৰা বাহৰ চুঙা ।

কিন্নৰ - আকাশত থকা পৰী ।

জুথো আৰু ৰুহি - চাউলেৰে তৈয়াৰ কৰা মদ ।



ৰসিক ব্যক্তি - তেনালীৰাম

বিজয় নগৰৰ ৰজা কৃষ্ণদেৱ ৰায় এদিন ৰাজসভাত বহি আছিল । দুজন সহায়কে এখন ডাঙৰ পেইন্টিং সভাসদসকলে দেখা পোৱাকৈ দাঙি ধৰি আছিল । এইখন আছিল ৰজাৰ পূৰ্ণ অবয়বৰ এখন ফটো । ফটোখন ভালদৰে নিৰিক্ষণ কৰি ৰজাই আকৌ গৈ সিংহাসনত বহিছিল ।

সভাসদসকলৰ মাজৰ পৰা তেওঁ কিছুমান 'আঃ', 'অঃ' ধ্বনি শুনিবলৈ পাইছিল । ''ইয়াৰ বাবে শিল্পীজনক মই এহেজাৰ সোণৰ মুদ্ৰা দিছো !'' ৰজাই কৈছিল । ''তোমালোকে এই বিষয়ে কি ভাবা ?'' উত্তৰ আশাত ৰজাই সভাসদসকলৰ ফালে চাইছিল ।

ৰজাৰ ওচৰতে বহি থকা এজন সভাসদে থিয় হৈ ডাঙৰকৈ এটা হাঁহি মাৰি কৈছিল, ''মহাৰাজ, এইখন অতি সুন্দৰ হৈছে । আপোনাৰ সৈতে ছবিখনৰ হুবহু মিল আছে । স্বৰ্গদেউ, এই ছবিখন কোনে আঁকিছিল ?



ৰজাই কোনো উত্তৰ দিয়া নাছিল । তেওঁ মাথোঁ ''খুব ভাল হৈছে,'' ''সঁচা যেন দেখা হৈছে,'' এনে ধৰণৰ মন্তব্যবোৰ শুনি আছিল । ৰজাক অসন্তুষ্ট যেন দেখা গৈছিল । ''তেনালী, তুমি বাৰু একো নোকোৱানে ?'' ৰজাই তেওঁৰ ভাললগা সভাসদজনক সুধিছিল ।



“কিন্তু, মহাৰাজ, আপোনাৰ মুখমণ্ডলৰ অন্য ফালটো ক'ত?” তেনালীৰামে কৈছিল। “মই ইয়াতকৈও ভাল পেইন্টিং আকিব পাৰো।” ৰজাই খঙেৰে কৈছিল, “যেতিয়া তুমি এখন পেইন্টিং চোৱা, তাত বহুতো কথা কল্পনা কৰি লব লাগিব। এতিয়া যোৱা! তুমি এখন পেইন্টিং আঁকি ননাকৈ মোৰ ওচৰলৈ নাহিবা।”

এমাহ পাৰ হৈ গ'ল। “তেনালী ক'ত? তেওঁ এতিয়াও ছবি আঁকিয়ে আছে নেকি?” ৰজাই সুধিছিল। এজন সভাসদে কৈছিল, “আমি কোনেও তেওঁক ছবি অঁকা দেখা নাই।” অন্য এজনে থিয় হৈ কৈছিল, “তেওঁ বাৰু তুলিকা ধৰিব পাৰেনে? এইদৰে হাঁহিৰ বোল চলি থাকোতে তেনালীৰামে দুজন মানুহৰ সৈতে সভাকক্ষত প্ৰৱেশ কৰিছিল।



তেনালীৰামে ৰজাৰ ফালে মূৰদোৱাই সুধিছিল, “মোৰ পেইন্টিংখন দেখুৱাবলৈ অনুমতি দিবনে মহাৰাজ?” ৰজাই মূৰটো লৰাই সন্মতি জনাইছিল। মানুহ দু জনে ঢাকনি গুচাই ছবিখন দেখুৱাইছিল। সভাসদসকলে ডিঙি মেলি মেলি ছবিখনৰ ফালে চাইছিল। ৰজাই মন্তব্য কৰি কৈছিল, “এইখন আৰু কেনে ধৰণৰ ছবি? মই মাথোঁ ঘোঁৰাৰ নেজ এডালহে দেখিবলৈ পাইছো!”

“মহাৰাজ! বাকীখিনি আপুনি কল্পনা কৰি লব লাগিব,” তেনালীৰামে এটা কাঠ হাঁহি মাৰি কৈছিল। “ঘোঁৰাটোৱে ঘাঁহ খোৱাৰ পিছত আগবাঢ়ি গৈ আছে। সেইকাৰণে ঘোঁৰাটোৰ গাটো পেইন্টিংখনৰ বাহিৰত আছে!”

তুমি তোমাৰ দেশখন আৰু ইয়াৰ মানুহবোৰক কিমান ভালদৰে জানা ? আমাৰ এই বিশাল দেশখনৰ কিছুমান অসাধাৰণ আৰু কিছুমান মনোমোহা বাস্তৱ ঘটনা ইয়াতে বৰ্ণনা কৰা হ'ল । এই নিবন্ধটোৱে তোমাক ভাৰতীয় মানুহক আৰু ওচৰৰ পৰা জনাৰ অলপ সুযোগ দিব । ভালদৰে পঢ়িবা !

বিশ্বৰ প্ৰথম শৈল্য চিকিৎসক

তেওঁ হয়তো এক ধূসৰ অতীতত বাস কৰিছিল, কিন্তু নিশ্চিতভাবে তেওঁ সেই সময়ৰ এজন নামজ্বলা ব্যক্তি আছি । বিশ্বৰ প্ৰথম শৈল্য চিকিৎসক শুশ্ৰূতই খৃ:পূ: ৮০০ চনতে কেটাৰেক্ট, চিজাৰিন, বৃক্কষ্টোন উলিওৱা আৰু আনকি কচ্‌মেটিক চাৰ্জাৰিও কৰিছিল ।

তেওঁ শৰীৰৰ বাহিৰ ভাগৰ ক্ষত চিলাই কৰাৰ কাৰণে জন্তুৰ নোম, গছৰ আঁহ আৰু চুলি ব্যৱহাৰ কৰিছিল আৰু শৰীৰৰ ভিতৰ ভাগত চিলাই কৰাৰ কাৰণে ক'লা পৰুৱা ব্যৱহাৰ কৰিছিল ।

জখম হোৱা ঠাইখিনিৰ মূৰ দুটা টানি আনি লগলগাই তাত ক'লা পৰুৱা কাষে কাষে লগাই দি যেতিয়ালৈকে পৰুৱাবোৰে চেপেনাৰ দৰে জখমহোৱা ঠাইখিনি চেপি নধৰে তেতিয়ালৈ ধৰি আছিল । যেতিয়া পৰুৱাবোৰে জখম হোৱা ঠাইখিনি চেপি ধৰিব তেতিয়া পৰুৱাবোৰৰ মূৰটো কাটি দেহভাগ উলিয়াই আনিছিল । মানুহৰ দেহৰ ভিতৰত মাথোঁ পৰুৱাৰ মূৰটোহে থাকি গৈছিল । ক'লা পৰুৱা ব্যৱহাৰ কৰাটো বাৰু আচৰিত নহয়নে?

চান্দমামা

কেৰেলাৰ ব্ৰেক-ডেঞ্চ

যেতিয়া পাঞ্চাশজন হৃষ্টপুষ্ট মানুহে বহু সময় ধৰি অবিৰাম ভাবে এখন কাঠৰ মঞ্চৰ ওপৰত সজোৰে ভৰি মাৰি নাচে তেতিয়া বাৰু কি হব ? নিশ্চয় সেই মঞ্চখন ভাঙি পৰিব ! বিশ্বাস কৰা বা নকৰা, এইটো আছিল কেৰেলাৰ এটা লোকনৃত্য, ছৱিত্তু নাটকমৰ বহু প্ৰতীক্ষিত এক চূড়ান্ত প্ৰদৰ্শন।

১৬ শ শতিকাত পৰ্তুগীজ সকলে যেতিয়া কেৰেলাত পদাৰ্পন কৰিছিল তেওঁলোকে লগতে এক ইউৰোপীয়ান নৃত্য পৰম্পৰা লৈ আহিছিল । এই নৃত্য পৰম্পৰাৰ লগত স্থানীয় কথাকলি নৃত্য পৰম্পৰাৰ সমন্বয় ঘটাই ছৱিত্তু নাটকম নামৰ এক নতুন নৃত্য নাটিকাৰ উদ্ভব হৈছিল ।

এই নৃত্য নাটিকাৰ কাহিনীভাগ খৃষ্টিয়ান আখ্যান আৰু ইউৰোপৰ বুৰঞ্জীৰ পৰা লোৱা হৈছিল । অভিনেতা-সকলে মঞ্চত নিজেই গান গাইছিল । কথাকলি নৃত্যৰ দৰে এই নাটিকাৰ অন্তিম দৃশ্যটো যুদ্ধৰে শেষ হৈছিল, য'ত প্ৰায় পঞ্চাশজন মানুহে একেলগে যুদ্ধ কৰিছিল । মঞ্চখন সাধাৰণতে মজবুত কৰিয়ে সজোৱা হৈছিল । শেষৰ দৃশ্যত যদি অভিনেতাসকলৰ ভৰিৰ গচকনিত মঞ্চখন ভাঙি নপৰে তেতিয়াহলে সেই প্ৰদৰ্শন অকৃতকাৰ্য্য হোৱা বুলি বিবেচনা কৰা হৈছিল !

ঠাণ্ডাৰ কাশ্মিৰীসকল

শীত কালত কাশ্মিৰত থাকিলে তুমি কাশ্মিৰৰ ঠাণ্ডা সহ্য কৰিব নোৱাৰিবা ! তেওঁলোকে এই বতৰতো কেনেকৈ নিজকে গৰম কৰি ৰাখে সেইটো জানিলে আচৰিত হবা । তেওঁলোকে বাৰু দেখিবলৈ ইমান তজবজীয়া হাস্য মধুৰ হৈ কেনেকৈ থাকে ? ইয়াৰ

গোপন ৰহস্য হ'ল তেওঁলোকে কাপোৰৰ তলত এটা 'আঙ্গিঠি' ৰাখে ! মাটিৰ এটা সৰু পাত্ৰত জলন্ত আঙঠা ৰাখি সেইটো বেতৰ বাস্কেট এটাত ভৰাই লয়। তাকে আঙ্গিঠি বুলি কয় । কাশ্মিৰীসকলে সেইটো কাপোৰৰ তলত কঁকালত বান্ধি ৰাখে । সেই আঙঠাৰ উত্তাপে গোটেই শৰীৰ গৰম কৰি ৰাখে!

মল্লাখম্ব



মল্লাখম্ব, ভাৰতত খেলা এটা পুৰণি খেল । এই খেল বিশেষকৈ মহাৰাষ্ট্ৰত খেলা হয়। এইটো এক ধৰণৰ ব্যায়মৰ দৰে খেল । ইয়াত খেলুৱৈজনৰ সতৰ্কতা আৰু শাৰীৰিক যোগ্যতাৰ পৰীক্ষা কৰা হয় । খেল পথাৰত এডাল দীঘল খুটা পোটা হয় । খেলুৱৈসকলে সেইটোত ধৰি ঘূৰাই পকাই বিভিন্ন ধৰণৰ ব্যায়াম কৰে । এই খেলটোৰ বিষয়ে দশম শতিকাৰ চালুক্য ৰজাৰ সময়ৰ পুৰণি সাহিত্যত উল্লেখ পোৱা যায় । এই খেলাটো মাজতে মৃতপ্ৰায় অৱস্থাত আছিল । ঊনৈশ শতিকাত পেশ্বৱা বাজিৰাও ২-এ এই খেলটো পুনৰ উদ্জীৱীত কৰিছিল । আজকালি এই খেলা বিধ বিভিন্ন ধৰণে খেলোৱা হয়, আনকি জাতীয় পৰ্য্যায়তো প্ৰতিযোগিতা পতা হয় ।

ইয়াত কোনো সন্দেহ নাই

ধাননি পথাৰত মাছ ? সেইটো তোমাৰ বাবে মন্দেহজনক নহয় নে ? কিন্তু এইটো এটা মাছ পোহা উত্তম পদ্ধতি । অৰুণাচল প্ৰদেশৰ আপাটানি জন-জাতীয় গোষ্ঠীৰ লোকসকলে মাছ আৰু ধানখেতি একে-লগে কৰা পদ্ধতিটো উদ্ভৱ কৰিছে । পানীৰে উপচি থকা ধাননি পথাৰত ধান গছবোৰ যেতিয়া সজাল ধৰি উঠিব তেতিয়া তাত পোনা মাছ এৰি দিয়ে। মাছবোৰে খাবৰ কাৰণে তাত শেলুৱৈ আৰু সৰু সৰু পোক পৰুৱা আদি এৰি দিয়ে। মাছবোৰে খাদ্য খোৱাৰ লগতে ধানৰ গুৰিবোৰো খুচৰি দিয়ে । যেতিয়া ধান কাটিবৰ সময় হয় তাৰ লগে লগে মাছ-বোৰ খোৱাৰো উপযুক্ত হৈ উঠে ।

বসন্ত পঞ্চমী

। বসন্ত কাল আহিলেই গোটেই ভাৰতবৰ্ষ জুৰি অতি উলহ-মালহেৰে বসন্ত পঞ্চমী উৎসৱ পালন কৰা হয় । এই উৎসৱটো মাঘ মাহৰ শুক্লা পক্ষৰ পঞ্চমী তিথিত (ইংৰাজী-জানুৱাৰী-ফেব্ৰুৱাৰী মাহ) অনুষ্ঠিত হয় । ভাৰতৰ পূৰ্বাঞ্চলত সেই দিনটা সৰস্বতী দেৱীৰ পূজা কৰা হয় । সৰস্বতী হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী ।

পশ্চিমবঙ্গ আৰু অসমত সেইদিনা সৰস্বতী দেৱীৰ মূৰ্তি সাজি পূজা কৰা হয়। প্ৰতিমাৰ সম্মুখত কিতাপ, কলম আৰু বাদ্য যন্ত্ৰ আদিও ৰখা হয় । ছাত্ৰ-ছাত্ৰীবোৰে সেইদিনা পঢ়া শুনা বাদ দি পূজাৰ কামতে ব্যস্ত থাকে ! পূজাৰ পিছদিনা নদী বা সাগৰত দেৱীক বিসৰ্জন দিয়ে । সৰস্বতী পূজা উপলক্ষে সেইদিনা আনকি সৰু সৰু ছোৱালী বোৰেও শাৰী অথবা মেখেলা চাদৰ পিন্ধে !

শীত কালত ফুলা ফুলেৰেই দেৱী সৰস্বতীৰ পূজা কৰা হয় । এই পূজাত বিশেষকৈ গেন্ধাই ফুল ব্যৱহাৰ কৰা হয় । ছোৱালীবোৰে গেন্ধাই ফুলৰ মালা গাঠি দেৱীক অৰ্পন কৰে ।

উত্তৰ ভাৰতত, বিশেষকৈ পঞ্জাৱত বসন্ত পঞ্চমীক চিলা উৰুৱা উৎসৱ হিচাবে পালন কৰা হয় । এই উপলক্ষে সেইদিনা চিলা উৰুৱা প্ৰতিযোগিতা পতা হয় ।

বসন্ত কালত প্ৰকৃতি দেৱীয়ে মনোমোহা

ৰূপ লয় । দেশৰ এই সময়ত উত্তৰ ভাগত, পথাৰবোৰ সৰিয়হৰ হালধীয়া ফুলেৰে ভৰি থাকে । সম্ভৱতঃ সৰিয়হৰ হালধীয়া ফুলৰ লগত মিল ৰাখিয়ে বসন্ত ঋতুৰ আনন্দ উৎসৱত যোগ দিবলৈ মানুহে সেইদিনা হালধীয়া ৰঙৰ পোচাক পিন্ধে ।

কার্নিভেল

ফেব্ৰুৱাৰী মাহত গোৱাৰ সম্পূৰ্ণ পৰিৱেশটোৱে হাঁহি আনন্দ আৰু সঙ্গীতেৰে ভৰি থাকে । ইয়াৰ কাৰণ হ'ল সেই সময়ত তাত তিনিদিনীয়াকৈ কার্নিভেল উৎসৱ পালন কৰা হয়। এইটো ৰং ধেমালিৰ সময় ।

গোৱাবাসীয়ে বিশ্বাস কৰে যে, বহু বছৰ পূৰ্বে গোৱাৰ ৰজা মোমোয়ে আদেশ দি কৈছিল, কার্নিভেলৰ দিন কেইটাত তেওঁৰ প্ৰজাসকলে যেন কোনো কাম-বন নকৰে । তেওঁ এইবুলি ঘোষণা কৰিছিল, "মই, ৰজা মোমোয়ে ইয়াৰ দ্বাৰা গোৱা ৰাজ্যৰ সকলো লোককে কার্নেভেলৰ সময়ত কাম কৰাৰ পৰা বিৰত থাকিবলৈ আদেশ দিলো ।" ইয়াৰ পৰাই বুজা যায় ৰজা কিমান ৰং ধেমালি প্ৰিয় লোক আছিল ।

কার্নিভেলত গায়ক আৰু নৃত্য শিল্পীৰ দলবোৰে গোটেই দিন জুৰি ৰংচঙীয়াকৈ সজোৱা নৌকাবোৰত নৃত্য-গীত প্ৰদৰ্শন কৰে । এই উৎসৱ উপলক্ষে নৌকাবোৰ বিভিন্ন আৰ্হিত সুন্দৰকৈ সজা হয় । উৎসৱত অংশ গ্ৰহণকাৰী সকলে কৌতুকপূৰ্ণ মুখা পিন্ধে ।

এই উৎসৱ উপলক্ষে বুৰঞ্জীমূলক ঘটনাৰ

ওপৰত ভিত্তি কৰি নাটিকা ৰচনা কৰা হয় আৰু সেই নাটিকা নৌকাৰ ওপৰতে অভিনয় কৰি দেখুৱা হয় । ইয়াকে 'ফেলোজ' বোলে । সাধাৰণতে এই নাটিকাত পুৰুষসকলেহে অভিনয় কৰে । এই নাটকৰ লগত নৃত্য-গীতো পৰিবেশন কৰা হয় ।

অভিনেতাসকলে মুখত ৰং ঘঁহে, ৰংচঙীয়া সাজ পিন্ধে আৰু মূৰত পৰম্পৰাগত পাগুৰী মাৰে । কাৰ্নিভেলৰ এমাহ আগৰ পৰাই তেওঁলোকে নাটকৰ আখৰা কৰে । এই নাটক ৰাতিপুৱা আৰম্ভ হয় আৰু নিশালৈকে চলে । মানুহৰ জুমবোৰ ভাৱৰীয়াসকলৰ লগে লগে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যায় ।

পর্তু গীজসকলে গোৱাত ৰাজত্ব কৰাৰ সময়ত কাৰ্নিভেলক কোৱা হৈছিল পোৰকো এ ব্ৰুটাল Porco e brutal । ১৭০০ চনৰ শেহৰ ফালে প্ৰায় কৃত্ৰিম যুদ্ধৰ নিচিনাকৈ কাৰ্নিভেল উৎসৱ পালন কৰা হৈছিল । এই যুদ্ধ পচা ডিম আৰু চকমাটিৰ গুড়িৰে পূৰ্ণ কাগজৰ থোঙাৰে কৰা হৈছিল !

ড'চমোছে

ড'চমোছে, জম্মু আৰু কাশ্মিৰৰ লাডাখ অঞ্চলৰ এক পুৰণি পৰম্পৰা, যিটো এতিয়াও তাৰ মানুহে পালন কৰে । প্ৰতি বছৰ ফেব্ৰুৱাৰী মাহত লেহ প্ৰাসাদটো ঢোলৰ বাজনাৰে সঞ্জিৱীত হৈ উঠে । সেইদিনা, বিভিন্ন বৌদ্ধ মঠৰ লামাসকলে মুখা পিন্ধি নৃত্য নাটিকা প্ৰদৰ্শন কৰে। লামাসকলে পৰম্পৰাগত উৎসৰ্গীকৃত বস্তু প্ৰস্তুত কৰি, সেইটো শুচি কৰি লৈ বলি হিচাবে নষ্ট কৰি পেলায় ।

প্ৰধান উচৰ্গা কৰা বস্তু হ'ল 'দো' । সেইবোৰ টেকঠোক মঠৰ লামাসকলে তৈয়াৰ কৰে । তেওঁলোকক জ্যোতিষ, তন্ত্ৰ আৰু তেনে ধৰণৰ বিষয়ত বিচক্ষণ বুলি বিবেচনা কৰা হয় । এইটো বিশ্বাস কৰা হয় যে, যেতিয়া লামাসকলে ধৰ্মীয় আচাৰ অনুষ্ঠান পালন কৰি মন্ত্ৰ পাঠ কৰে তেতিয়া উচৰ্গা কৰা বস্তুটোৰে, অপদেৱতা, ভোকাতুৰ ভূত আৰু দানৱীয় শক্তিক ধৰিবলৈ আশীৰ্বাদ লাভ কৰে ।

বিভিন্ন ধৰণৰ, বিভিন্ন আকাৰৰ দহটা উচৰ্গাৰ বস্তু, প্ৰধান উচৰ্গাৰ বস্তুৰ পৰিপূৰক হিচাবে ধৰা হয় । তাৰ পিছত সেইবোৰ প্ৰধান পথেৰে শোভাযাত্ৰা কৰি লৈ যোৱা হয় । মঠৰ বাদ্য বাদকৰ দলো তাৰ লগে লগে যায় । তাৰ পিছে পিছে যায় ক'লা টুপী পিন্ধা নৃতশিল্পীৰ দল, লামাসকল আৰু ধুনীয়া পোচাক পৰিধান কৰা স্থানীয় মানুহ ।

চহৰৰ এমূৰত গৈ শোভাযাত্ৰাৰ অন্ত পৰে আৰু তাত উৎসৰ্গীকৃত বস্তুবোৰ মহা ধুম-ধামেৰে পুৰি নষ্ট কৰি পেলোৱা হয় । এইবোৰ কৰা হয়, অপদেৱতাবোৰক নাশ কৰি আহি থকা দিনবোৰত যাতে কোনো অমঙ্গল আৰু প্ৰাকৃতিক বিপৰ্যয় নঘটে তাৰ উদ্দেশ্যে । আজি কালি এই অনুষ্ঠানত কিছুমান লোকনৃত্যও প্ৰদৰ্শন কৰা হয় ।

এচ ওৱেড্‌নেচদে



এচ ওৱেড্‌নেচদে এই বছৰ ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে পৰিছে । সেইদিনা খ্ৰীষ্টিয়ান সকলে, তেওঁলোকে কৰা পাপৰ অনুশোচনাৰ চিন হিচাবে তেওঁলোকে কপালত ছাইৰে ক্ৰচ আঁকি লয় । উপাসনা আৰম্ভ হোৱাৰ আগতে পুৰোহিত বা যাযকে তাত উপস্থিত থকা লোকসকলৰ কপালত একোটা চিহ্ন দিয়ে ।

এচ ওৱেড্‌নেচদেত ব্যৱহাৰ কৰা ছাইবোৰ তালপাতৰ পৰা তৈয়াৰ কৰা হয় । এই ছাইবোৰ পবিত্ৰ পানীৰে সৈতে ছটিয়াই দিয়া হয় আৰু চাৰিওফালে সুগন্ধি হৈ উঠে ।

খ্ৰীষ্টিয়ানসকলৰ কাৰণে এই দিনটো যীশু খ্ৰীষ্টই ধৰ্ম প্ৰচাৰ কৰাৰ আগতে কটোৱা চল্লিশ দিন অনশনৰ প্ৰতীক হিচাবে পালন কৰা হয় ।

এটো বিশ্বাস কৰা হয় যে, যীশুখ্ৰীষ্টৰ ৩২ বছৰ বয়সত বেপটিষ্ট জনে তেওঁক খ্ৰীষ্টধৰ্মত দীক্ষিত কৰিছিল আৰু তেওঁ ধৰ্ম প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰাৰ আগতে ৪০ দিন অনশন ব্ৰত কৰিছিল।

সেয়েহে এচ ওৱেডনেচদে, এই চল্লিশ দিন কালৰ এক বিশেষ শুচিকৰণ ব্ৰতৰ প্ৰতীক হিচাবে পালন কৰা হয় । এই সময়ত খ্ৰীষ্টিয়ান লোক সকলে মাংস খোৱাৰ পৰা বিৰত থাকে । এইটো ৪০ দিন ধৰি চলে আৰু ইষ্টাৰৰ সময়ত পূৰ্ণ ৰূপ পায় ।

ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি।

যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

২৩. গল্পৰ আঁৰৰ গল্প



স্কুলৰ বাৰ্ষিক অধিবেশন উপলক্ষে 'অভিজ্ঞান শকুন্তলম' নাটকখন অতি কৃতকাৰ্যতাৰে অভিনিত হোৱাৰ কাৰণে সন্দীপৰ মনত খুব আনন্দ লাগিছিল। সন্দীপে কন্বমুনিৰ ভাৱত অভিনয় কৰিছিল।

"ইতিমধ্যে মই ককাৰ মুখৰ পৰা কন্বমুনিৰ বিষয়ে জানি লৈছিলো, যাৰ কাৰণে সেই চৰিত্ৰত অভিনয় কৰাত মোৰ সুবিধ হৈছিল।" সন্দীপে কৈছিল।

"মই ভাবো তুমি দুৰ্বাসাৰ ভাৱত অভিনয় কৰিলে ইয়াতকৈও বেচি ভাল কৰিব পাৰিলাহেতেন।" চামেলীয়ে মন্তব্য কৰিছিল।

"মনে মনে থাকা," সন্দীপে খঙেৰে কৈছিল।

"মোৰ মতক সমৰ্থন জনোৱা কাৰণে তোমাক ধন্যবাদ," চামেলীয়ে হাত তালি বজাই কৈছিল।

সন্দীপহঁতৰ ঘৰলৈ যিসকল বন্ধুয়ে দেওবাৰে নিয়মিতভাবে অধ্যাপক দেৱনাথৰ গল্প শুনিবলৈ আহে, চামেলীৰ কথা শুনি তেওঁলোকে হাঁহিদিছিল।

"নাটকখন লিখাৰ ইমান শতিকাৰ পিছতো মানুহে তাক আনন্দেৰে উপভোগ কৰাতো বাৰু আচৰিত কথা নহয় নে?" সন্দীপৰ বন্ধু পাৰ্থই কৈছিল। "মই আশাকৰো এসময়ত বিক্ৰমাদিত্যই যেনেদৰে নাটকখন উপভোগ কৰিছিল ককাইও ঠিক তেনেদৰে উপভোগ কৰিব পাৰিছে।" পাৰ্থই মন্তব্য কৰিছিল।

বিশ্বাবসু

তেওঁলোকৰ ভিতৰত এজন আছিল গুপ্ত বংশৰ দ্বিতীয় চন্দ্ৰগুপ্ত । তেওঁৰ ৰাজধানী আছিল উজ্জয়িনিত । তেওঁৰ ৰাজত্ব কাল আছিল ৪ৰ্থ শতিকাত । খৃ: পূ: ১ম শতিকাত আৰু এজন ক্ষমতাশালী বিক্ৰমাদিত্য ৰজা থকাৰ কথা জনা যায় । তেওঁৰ ৰাজত্ব কালত বিক্ৰম যুগ নামৰ এক নতুন যুগৰ সূচনা কৰিছিল । এই যুগৰ সূচনা হৈছিল খৃ: পূ: ৫৮ শতিকাত । কিন্তু সেইজন বিক্ৰমাদিত্যৰ বিষয়ে বুৰঞ্জীত বিশেষ একো জনা নাযায় । কালিদাস সেইজন বিক্ৰমাদিত্যৰে সভা কবি আছিল নে দ্বিতীয় চন্দ্ৰগুপ্তৰে সভা কবি আছিল সেই বিষয়ে আমি বিশেষ নাজানো ।" ককা দেৱনাথে কৈছিল ।

"কিন্তু আমি যে বিক্ৰমাদিত্য আৰু বেতালৰ কাহিনী শুনিবলৈ পাওঁ সেইজন আকৌ কোন ৰজা ?" চামেলীয়ে আকৌ সুধিছিল ।

"হয় বাচা, মই ভাবো খৃষ্টিয় প্ৰথম শতিকাত উজ্জয়িনিত বিক্ৰমাদিত্য নামৰ এজন ৰাজা আছিল । বিক্ৰম আৰু বেতালৰ কাহিনীৰ ৰচয়িতা গুণধ্যও প্ৰথম শতিকাৰে লোক । তেওঁ নিশ্চয় ৰজাৰ যশ আৰু ক্ষমতাৰ দ্বাৰা অতিকৈ প্ৰভাবিত হৈছিল ।" অধ্যাপক দেৱনাথে কৈছিল ।

"কিন্তু, ককা, আমাকতো শিক্ষকে কৈছিল বিক্ৰম আৰু বেতালৰ কাহিনীৰ ৰচক আছিল সোমদেৱ !" সন্দীপে কৈছিল ।

"মই আৰু তোমাৰ শিক্ষক, আমাৰ দুয়োজনৰ কথাই সঁচা । সোমদেৱ আছিল কথাসৰিৎসাগৰৰ ৰচয়িতা । তুমি উল্লেখ কৰ বিক্ৰম বেতালৰ কাহিনীও সেইখনৰে এটা অংশ । কিন্তু কথাসৰিৎসাগৰখনো 'বৃহৎ কথা' নামৰ এখন পুথিৰ অংশহে, যিখন সোমদেৱতকৈ এহেজাৰ বছৰ আগতে গুণধ্যাই ৰচনা কৰিছিল । তাত নিশ্চয় আৰু বহুতো ভাল ভাল কাহিনী

নাটকখন চাই যে মই ভাল পাইছিলো তাত কোনো সন্দেহ নাই, কিন্তু বিক্ৰমাদিত্য ৰজা থকা হলে আৰু ভালদৰে উপভোগ কৰিব পাৰিলেহেতেন । সেই কালত ৰজাই মূল সংস্কৃত ভাষাত বচনবোৰ শুনিব পাৰিছিল । ইয়াক যেতিয়া ইংৰাজীত তৰ্জমা কৰা হয় ইয়াৰ সৌন্দৰ্য্য বহুখিনি হ্ৰাস হয় , যেনেদৰে চেক্সপীয়েৰৰ নাটক যদি সংস্কৃতলৈ তৰ্জমা কৰা হয় ইয়াৰ সৌন্দৰ্য বহুখিনি লোপ পাব ।" অধ্যাপক দেৱনাথে কৈছিল ।

"ককা, এইজনো সেই একেজনে বিক্ৰমাদিত্য নেকি, যিয়ে কবি কালিদাসৰ পৃষ্ঠপোষকতা কৰিছিল ?" চামেলীয়ে সুধিছিল ।

"তোমালোকে বুৰঞ্জীত মাথোঁ এজন বিক্ৰমাদিত্যৰ কথাহে পঢ়িছানে ? আগৰ কালত বিক্ৰমাদিত্য নাম ধৰী বহুতো ৰজা আছিল । ইয়াৰ মানে 'সূৰ্য্যৰ নিচিনা ক্ষমতাশালী ।"

আছিল, যিখনৰ এক বৃহৎ অংশ হেৰাই গৈছে।"

"সেইখন কেনেকৈ হেৰাইছে ককা ?" পাৰ্থই সুধিছিল।

"সেইটো অন্য এক দুখ জনক কাহিনী।" ককা দেৱনাথে কৈছিল। তাৰপাছত তেওঁ কাহিনীটো কবলৈ আৰম্ভ কৰিলে।

এতিয়াৰ পইথান নামৰ চহৰখনৰ আগতে নাম আছিল প্ৰতিস্থান। প্ৰায় দুহেজাৰ বছৰৰো আগতে সতৱাহন বংশৰ ৰজাসকলে ইয়াত ৰাজত্ব কৰিছিল। সেই বংশৰে এজন ৰজাৰ সভা কবি আছিল গুণধ্য।

এবাৰ ৰজাই সংস্কৃত ভাষা শিকিবলৈ সিদ্ধান্ত কৰিছিল। তেতিয়া গুণধ্যাই ৰজাক কৈছিল যে, সংস্কৃত ভাষাটো ভালদৰে শিকিবলৈ কেইবছৰমান সময় লাগিব। কিন্তু অন্য এজন পণ্ডিতে কৈছিল যে, তেওঁ ছমাহৰ ভিতৰতে ৰজাক সংস্কৃত ভাষা শিকাব পাৰিব।

তেতিয়া গুণধ্যাই খঙতে কৈছিল যে, "তুমি ছমাহৰ ভিতৰত ৰজাক সংস্কৃত শিকাব পাৰিলে মই সংস্কৃতত লিখিবলৈকে এৰি দিম।"

ৰজা আছিল খুব অধ্যয়নশীল ব্যক্তি। সেয়েহে ছমাহৰ ভিতৰতে ৰজাই সংস্কৃত ভালদৰে শিকিব পাৰিছিল। গুণধ্যাই অকল যে সংস্কৃতত লিখিবলৈকে এৰি দিছিল সেইটো নহয়, লগতে তেওঁ নগৰ এৰি যোৱাৰো সিদ্ধান্ত লৈছিল।

"হে কবিবৰ, তুমি যদি নগৰ এৰি গুচি যোৱা তেতিয়াহলে তোমাৰ সময়খিনি ভাল কামত ব্যৱহাৰ কৰিবা, "ৰজাই কৈছিল। "মোৰ উপদেশ মতে তুমি গোটেই দেশ ভ্ৰমণ কৰি, বিভিন্ন ঠাইত প্ৰচলিত গল্পবোৰ সংগ্ৰহ কৰি সেই-বোৰ সাধাৰণ মানুহৰ ভাষাত লিখি উলিয়াবা।

গুণধ্যাই ৰজাৰ এই উপদেশ মানি লৈছিল। তেওঁ হিমালয়ৰ পৰা কন্যাকুমাৰীলৈ ভ্ৰমণ কৰি, বিভিন্ন ঠাইত মানুহৰ মাজত প্ৰচলিত কাহিনীবোৰ শুনিছিল। সেইবোৰ তেওঁ বিভিন্ন ভাগত লিখি

উলিয়াইছিল । এইদৰে বহু বছৰ পাৰ হৈ গৈছিল। অৱশেষত তেওঁ এখন গৰুৰ গাড়ীত তালপত্ৰত লিখা পাণ্ডুলিপি কিছুমান বোজাই কৰি প্ৰতিস্থানলৈ উভতি আহিছিল । তেওঁ ভাবিছিল ৰজাই তেওঁক খুব উলহ-মালহেৰে আদৰণি জনাব । কিন্তু তেওঁ সেইটো নাপালে । এই কথাত মৰ্মাহত হৈ গুণধ্যাই পাহাৰৰ ওপৰলৈ পাণ্ডুলিপিবোৰ লৈ গৈছিল । তেতিয়া সন্ধিয়া হৈ আহিছিল । তেওঁ একুৰা জুইধৰি লৈছিল । জুইৰ পোহৰত তেওঁ প্ৰথম খণ্ডটো ডাঙৰ ডাঙৰ কৈ পঢ়ি গৈছিল । এইটো আছিল প্ৰকৃতিৰ বিষয়ে । তেওঁ পঢ়ি থাকোতে মেঘবোৰে দৌৰাদৌৰি কৰি আছিল আৰু শীতল বতাহ বলিছিল । কিন্তু তেওঁ যেতিয়া তালপত্ৰবোৰ জুইত জাপি দিছিল তেতিয়া খুব জোৰে বতাহ বলিছিল আৰু আকাশত মেঘবোৰে বিজুলি ঢেৰেকণি মাৰিছিল ।

তাৰপাছত তেওঁ জন্তু, চৰাই আৰু গছৰ বিষয়ে গল্প থকা দ্বিতীয় খণ্ডটো ডাঙৰ ডাঙৰকৈ পঢ়িছিল । সেই গল্পবোৰ শুনিবলৈ বহুতো জন্তু আহি তেওঁৰ চাৰিওফালে উপস্থিত হৈছিল আৰু চৰাইবোৰ আহি গছৰ ডালত পৰিছিল । তেওঁ যেতিয়া সেইখণ্ডটোৰ তালপত্ৰবোৰ জুইত জাপি দিছিল জন্তুবোৰে তেতিয়া চিঞৰ-বাখৰ লগাইছিল, চৰাইবোৰে পাখীদুখনেৰে ধপধপাই উঠিছিল আৰু জুই নুমুৱাবলৈ গছবোৰ হালি আহিছিল, কিন্তু সকলো চেষ্টাই ব্যৰ্থ হৈছিল ।

কোনোবা এজনে গৈ ৰজাক এই ঘটনা সম্পৰ্কে খবৰ নিদিয়া পৰ্য্যন্ত এইদৰে চলি আছিল । এই খবৰ শুনি ৰজাই নিজে আহি গুণধ্যাক আকোৱালি ধৰিছিল আৰু জুই নুমাই দিছিল । কিন্তু, ইতিমধ্যে পুথিখনৰ মুঠ পাঁচটা খণ্ডৰ ভিতৰত চাৰিটা খণ্ডই জুইত চাই হৈ গৈছিল । কাশ্মিৰৰ ৰজা অনন্তৰ ৰাজসভাৰ পণ্ডিত সোমদেৱে এই খণ্ডটো ১১ শ শতিকাত সংস্কৃতলৈ অনুবাদ কৰিছিল । ৰজা আৰু ৰাণীয়ে তেওঁলোকৰ পুত্ৰৰ বেয়া স্বভাৱৰ বাবে বুঢ়া অৱস্থাত দুখেৰে জীৱন কটাব লগা হৈছিল । সোমদেৱৰ এই গল্পবোৰে তেওঁলোকক সান্ত্বনা দিছিল ।

"এই গল্পবোৰৰ আঁৰত কিমান যে শিক্ষামূলক গল্প আছে !" চামেলীয়ে আচৰিত হৈ কৈছিল, বাকীবোৰেও তেওঁৰ কথাটো সমৰ্থন কৰিছিল ।



গণেশ

দেৱতা আৰু অসুৰসকল লগলাগি ক্ষীৰসাগৰ মন্থন কৰি অমৃত লাভ কৰিলে। বিষ্ণুৰে মোহিনী ৰূপ ধৰি অমৃতৰ পাত্ৰ ৰাক্ষসৰ হাতৰ পৰা ৰক্ষা কৰি দেৱতাসকলৰ হাতত অৰ্পণ কৰিলে। অমৃত পান কৰি দেৱতাসকলে অমৰত্ব লাভ কৰিলে আৰু তেওঁলোকে অহংকাৰী হৈ আপোন মনে বিহাৰ কৰি ফুৰিবলৈ ধৰিলে। এনেদৰে অসুৰসকলৰ প্ৰতি যি অন্যায় কৰা হৈছিল তাতে অসন্তুষ্ট হৈ তাৰকাসুৰে দেৱতাসকলৰ ওপৰত পোতক তুলিবলৈ অবিৰাম তপ কৰিবলৈ ধৰিলে। তপৰ দ্বাৰা ব্ৰহ্মাক সন্তুষ্ট কৰি তাৰকাসুৰে এনে বৰ বিচাৰিলে যাতে তেওঁৰ কেতিয়াও মৃত্যু নহয়।

তেতিয়া ব্ৰহ্মাই তাৰকাসুৰক বুজাই কলে, "জন্ম লোৱাৰ পিছত প্ৰতিটো প্ৰাণীৰে মৃত্যু নিশ্চিত। সেয়ে তুমি অন্য বৰ খোজা।" তাৰকাসুৰে ভাবিচিন্তি ব্ৰহ্মাৰ পৰা এই বৰ বিচাৰিলে তেওঁৰ যেন শিৱৰ পুত্ৰৰ হাততহে মৃত্যু হয়। ব্ৰহ্মাই 'তথাস্তু' বুলি কৈ অন্তৰ্ধান হ'ল।

সেই সময়ত শিৱৰ পত্নী সতীদেৱী পিতৃ দক্ষই পতা যজ্ঞলৈ গৈ যজ্ঞকুণ্ডত প্ৰাণ আহুতি দিছিল। কোনো সন্তান নোহোৱাকৈয়ে পত্নী সতীৰ বিয়োগৰ সন্তাপত সন্তপ্ত হৈ শিৱে উন্মত্তৰ দৰে হিমালয়ত ঘূৰি ফুৰিছিল। শেষত এক স্থানত বহি ঘোৰ তপস্যাত মগ্ন হ'ল।

ইয়াৰ ভিতৰতে তাৰকাসুৰে সকলো অসুৰকে একত্ৰিত কৰি ললে। তিনিও লোকতে আক্ৰমণ কৰি দেৱতাসকলৰ ওপৰত প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে তেওঁ দেৱতাসকলক বিৰক্ত কৰিবলৈ ধৰিলে। ইন্দ্ৰ আদি দেৱতাসকলে ব্ৰহ্মাৰ ওচৰলৈ গৈ নিজৰ দুৰাৱস্থাৰ কথা বৰ্ণনা কৰিলে।

তেতিয়া ব্ৰহ্মাই তেওঁলোকক বুজাই কলে, "মই তাৰকাসুৰক এনে বৰ দিছো, কেৱল শিৱৰ পুত্ৰৰ হাততহে তেওঁৰ মৃত্যু হব।" ইয়াকে কৈ ব্ৰহ্মাই দেৱতাসকলক লগত লৈ কোনো উপায় বিচাৰি পোৱাৰ আশাত বিষ্ণুৰ ওচৰত গৈ উপস্থিত হ'ল।

বিষ্ণুৰে তেওঁলোকক কলে, "সতী-

দেৱীয়ে হেমবন্ত ৰজাৰ কন্যা হিচাবে জন্ম গ্ৰহণ কৰি পাৰ্বতী ৰূপত আছে । তোমালোকে এনে ব্যৱস্থা কৰা যাতে শিৱৰ লগত পাৰ্বতীৰ বিবাহ হয় । ইয়াৰ পিছত দেৱতাসকলে নাৰদক হেমবন্তৰ ওচৰলৈ পঠালে । নাৰদৰ আদেশ অনুসাৰে হেমবন্ত, শিৱৰ ওচৰলৈ গ'ল । তেওঁ শিৱক পূজা কৰি এই বুলি নিবেদন কৰি কলে, শিৱই যেন পাৰ্বতীক তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ অনুমতি দিয়ে । শিৱে কোনো কথা নোকোৱাকৈ মৌন হৈ থকা বাবে হেমন্তই ভাবিলে ইয়াত তেওঁৰ সম্মতি আছে । তেতিয়া শিৱৰ সেৱাৰ কাৰণে পাৰ্বতীক নিযুক্ত কৰিলে ।

নাৰদে পাৰ্বতীক সৰুৰে পৰাই শিৱৰ কাহিনী শুনাইছিল । সেয়েহে শিৱৰ গুণ-গৰিমাৰ প্ৰতি পাৰ্বতীৰ কৌতুহল হৈ আছিল। তেওঁ মনতে ভাবিছিল, যদি কেতিয়াবা বিবাহ কৰাও তেতিয়াহলে শিৱৰ লগতে বিয়া হম । এনে এক মহান দেৱতা শিৱৰ সেৱা কৰিবলৈ পাই পাৰ্বতীয়ে নিজকে ভাগ্যৱতী বুলি ভাবিলে ।

শিৱে যি ঠাইত তপস্যা কৰি আছিল, পাৰ্বতীয়ে সেই ঠাইখন প্ৰতিদিন ৰাতিপুৱাৰ আগতে চাফচিকুন কৰিছিল, বৰফৰ পানীৰ লগত সুগন্ধি দ্ৰব্য মিহলাই চাৰিওফালে সেই পানী চটিয়াই দিছিল । সোণৰ থালত শিৱৰ অভিষ্ট ফল, ফুল, বেলপাত তথা বগা ভেটফুল আনি ৰাখিছিল । কমন্ডলুত হিমশিখৰৰ পৰা প্ৰবাহিত পৰিষ্কাৰ পানী ধৰি শিৱৰ ওচৰত ৰাখিছিল । ইয়াৰ পিছত শিৱক আকৃষ্ট কৰাৰ কাৰণে পাৰ্বতীয়ে নিজেও সুন্দৰ সাজ-পোচাক পিন্ধি তালৈ হিছিল । শিৱৰ দৃষ্টি তেওঁৰ ওপৰত পৰাৰ কাৰণে তেওঁ বাৰে বাৰে চেষ্টা কৰিছিল । শিৱৰ ওচৰত থাকিবলৈ পাই পাৰ্বতীৰ মনত খুব আনন্দ লাগিছিল ।

পাৰ্বতীয়ে ইয়াকে ভাবি তপস্যাত মগ্ন হৈ থকা শিৱৰ ফালে একেথৰে চাই থাকিল, যদি কেতিয়াবা তপস্যাৰ মাজতে তেওঁৰ ফালে এবাৰ শীতল দৃষ্টি নিক্ষেপ কৰে । তাৰ পাছত পাৰ্বতীয়ে ইয়াকে ভাবি নিৰাশো হৈছিল, যদি শিৱে ভুলতো তেওঁৰ ফালে এবাৰো দৃষ্টি নেপেলায় ।

দেৱৰাজ ইন্দ্ৰই ভাবিলে শিৱৰ মন বিচলিত কৰিবলৈ কামদেৱৰ সহায়ৰ আৱশ্যক হব । তেওঁ কামদেৱক মাতি পঠালে। কামদেৱ আহি উপস্থিত হোৱাত ইন্দ্ৰই তেওঁৰ খুব প্ৰশংসা কৰিলে আৰু তেওঁক অনুৰোধ কৰি কলে যে শিৱৰ মনত পাৰ্বতীৰ প্ৰতি অনুৰাগ জন্মাব লাগে ।

ইয়াৰ পাছত কামদেৱে ৰতিদেৱীৰ সৈতে ভাটৌয়ে টনা ৰথত উঠিল । বসন্তই সেই ৰথ

চলালে । কামদেৱে কুঁহিয়াৰৰ ধনু আৰু পুষ্পবাণ লৈ শিৱে তপস্যা কৰি থকা স্থানলৈ গ'ল । হঠাতে সেই ঠাইখন বসন্ত ঋতুৰ শোভাৰে সুশোভিত হৈ উঠিল । কুলিৰ সুমধুৰ মাত আৰু ফুলে ফুলে পৰি থকা ভোমোৰাৰ গুণগুণনিত সেই ঠাইখন আনন্দপূৰ্ণ হৈ উঠিল। শিৱে তপস্যা কৰি থকা স্থানৰ চাৰিওদিশৰ পৰিবেশ বসন্তৰ আগমনেৰে ভৰি উঠাত শিৱে চকু মেলি চালে । অসময়ত বসন্ত ঋতুৰ আগমন হোৱা দেখি শিৱ আচৰিত হ'ল লগতে তেওঁৰ তপস্যা ভঙ্গ হোৱা বাবে মনত দুখ লাগিল । তেওঁ হাতৰ জপমালা টান মাৰি পেলাইদিলে । ঠিক সেই সময়তে পাৰ্বতীয়ে জপমালা তুলি লৈ শিৱৰ হাতত দিবলৈ গ'ল। তেতিয়া কামদেৱে ফুল গছৰ আঁৰ লৈ শিৱৰ ফালে পুষ্পবান নিক্ষেপ কৰিলে । সেই বাণ শিৱৰ গাত লগাত তেওঁ চমকি উঠি চাৰিওফালে এবাৰ চালে । তেওঁৰ সম্মুখত আঠুকাঢ়ি একান্ত মনে তেওঁৰ ফালে চাই থকা পাৰ্বতীক দেখি শিৱৰ মনত ভাল লাগিল ।

আনহাতে তপস্যা ভঙ্গ হোৱা কাৰণে শিৱে ক্ৰোধিত হৈ ৰুদ্ৰৰূপ ধাৰণ কৰি নিজৰ তৃতীয় চকুটোৰে কামদেৱৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে । সেই দৃষ্টিত কামদেৱ পুৰি ভষ্ম হৈ গ'ল । ইয়াৰ পিছত শিৱে তাৰপৰা উঠি কৈলাশলৈ গ'ল ।

কামদেৱ ভষ্ম হোৱাত তেওঁৰ পত্নী ৰতিদেৱীয়ে সেই ভস্মৰ ওপৰত পৰি কান্দিবলৈ ধৰিলে । শিৱৰ তপস্যা ভঙ্গ কৰিবলৈ কামদেৱক পঠোৱা ইন্দ্ৰ আদি দেৱতাসকলক ৰতিদেৱীয়ে শাপ দিবলৈ উদ্যত হ'ল । তেতিয়া ব্ৰহ্মা আদি দেৱতা-সকল তাত উপস্থিত হৈ ৰতিদেৱীক বুজাই

কলে, যেতিয়া শিৱ আৰু পাৰ্বতীৰ বিবাহ হব তেতিয়া কামদেৱে পুনৰ জীৱীত হৈ উঠিব । ৰতিদেৱীয়ে পতি কামদেৱৰ ভস্মৰ ওপৰতে থাকি দিন কটাবলৈ ধৰিলে ।

ইফালে পাৰ্বতীৰ মনত নিজৰ সৌন্দৰ্য্যৰ প্ৰতি বিশ্বাস নোহোৱা হ'ল । নিজৰ সৌন্দৰ্য্যৰে শিৱৰ মন আকৰ্ষিত কৰিব নোৱাৰি পাৰ্বতীয়ে নিজৰ দেহকে নিৰৰ্থক বুলি ভাবি শিৱৰঞ্জনী ৰূপে তপস্যা কৰিবলৈ ধৰিলে । পাৰ্বতীৰ মাক মেনকাই তপস্য নকৰিবলৈ তেওঁক কিমান যে বুজালে, কিন্তু কোনো ফল নধৰিল । পাৰ্বতীয়ে ঘোৰ তপস্যাত মগ্ন হ'ল। জয়া আৰু বিজয়া নামৰ পাৰ্বতীৰ দুজনী সখীয়েক তেওঁৰ লগতে থাকি মেনকা আৰু হেমবন্তক পাৰ্বতীৰ কুশল বাতৰি জনাই থাকিল । পাৰ্বতীয়ে নিৰাহাৰে তপস্যা কৰিয়ে থাকিল ।

শিৱে তৃতীয় চকুৰ দৃষ্টিৰে কামদেৱক ভষ্ম

কৰিলে হয়, কিন্তু কামদেৱৰ বাণৰ প্ৰভাৱ ব্যৰ্থ নহল। পাৰ্বতীৰ তপস্যাও সফল হ'ল। শিৱে ছদ্মবেশ ধাৰণ কৰি পাৰ্বতীৰ ওচৰলৈ গৈ তেওঁৰ মনটো পৰীক্ষা কৰি চালে। তাৰ পাছত শিৱে পাৰ্বতীৰ প্ৰশংসা কৰি তেওঁক বিবাহ কৰিবলৈ নিশ্চয় কৰি ললে। এই উদ্দেশ্যে শিৱে সপ্তঋষিক হেমবন্তৰ ওচৰলৈ পঠালে। শিৱৰ নিচিনা মহান দেৱতা এজনক কন্যা দান কৰিবলৈ পাই, সেই উৎসাহতে হেমবন্তই নিজৰ শিখৰ আৰু ওখ কৰি দিলে। ঋষি সকলে বিবাহৰ দিন বাৰ ঠিক কৰি গুচি গ'ল।

প্ৰথমতে গণসকল আগে আগে গ'ল। তাৰ পাছত শিৱ দৰাৰূপে হেমবন্তৰ ঘৰত গৈ উপস্থিত হ'ল। হিমালয়ৰ শিখৰত বিবাহ মণ্ডপ বনোৱা হৈছিল। ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰ আদি দেৱতা, অসংখ্য ঋষি মুনি তথা নাৰদ গৈ তাত উপস্থিত হ'ল। অৰুন্ধতীয়ে শিৱৰ কপালত বিবাহৰ তিলক পিন্ধালে। শিৱক দৰাৰ ৰূপত অতি সুন্দৰ দেখা গৈছিল। তেতিয়াৰ পৰা সকলোৱে শিৱক সুন্দৰেশ্বৰ বুলি মাতিবলৈ ললে।

পাৰ্বতীয়েও কইনাৰ ৰূপত সাজি-কাচি ধুনীয়া হৈ ওলাইছিল। বিষ্ণুয়ে পাৰ্বতীক কইনাৰ ৰূপত শিৱৰ ওচৰলৈ লৈ আহি শিৱক কলে, "আপুনি যদি সুন্দৰেশ্বৰ হয় মোৰ ভনী পাৰ্বতী হব মীনাক্ষী।" এইবুলি কৈ বিষ্ণুয়ে পাৰ্বতীৰ হাত শিৱৰ হাতৰ ওপৰত ৰাখিলে। ইয়াৰ পিছত শিৱ আৰু পাৰ্বতীৰ বিবাহ মহা ধুমধামেৰে সম্পন্ন হ'ল।

হিমালয় পৰ্বতৰ যি ঠাইত শিৱ আৰু পাৰ্বতীয়ে তপস্যা কৰিছিল সেই ঠাইত নব দম্পতিৰ কাৰণে বিশ্বকৰ্মাই এক দিব্য অন্তঃপুৰ নিৰ্মাণ কৰিলে।

মঙ্গল বাদ্য আৰু উৰুলী ধ্বনিৰ মাজেৰে শিৱ আৰু পাৰ্বতীয়ে অন্তঃপুৰৰ ফালে আগবাঢ়ি গ'ল। সেই বাটত কামদেৱৰ ভস্মৰাশি দেখা পোৱা গ'ল। তাৰ ওচৰতে ৰতিদেৱীয়ে চকুপানী টুকি এনেদৰে বহি আছিল যেন তেওঁ স্বামীৰ প্ৰাণ ভিক্ষাহে খুজিছে।

শিৱ-পাৰ্বতীয়ে ৰতিদেৱীৰ ওচৰলৈ গৈ তেওঁৰ শিৰত হাত বুলাই আশীৰ্বাদ দিলে। ইয়াৰ পাছত শিৱে পুনৰ তৃতীয় নয়ন মেলি চালে। এইবাৰ তেওঁ তৃতীয় নয়নেৰে শীতল দৃষ্টি নিক্ষেপ কৰিলে। তেতিয়া সেই ভস্মবোৰ নোহোৱা হৈ গ'ল আৰু কামদেৱে নিজ ৰূপ ধাৰণ কৰি উঠি বহিল। তেওঁ ধনুত এবাৰ টঙ্কাৰ দি তাৰপৰা অদৃশ্য হৈ গ'ল।

তেতিয়া শিৱে ৰতিদেৱীক কলে, "দেৱী, তোমাৰ পতি পুনৰ জীৱীত হৈ

উঠিছে । তুমি আগৰ দৰে সদায় তেওঁক দেখি থাকিবা । কিন্তু, তোমাৰ দুই চকুৰ বাহিৰে অন্য মানুহে তেওঁক দেখা নাপাব । সেই কাৰণে কোনেও তেওঁৰ কোনো ক্ষতি কৰিব নোৱাৰিব ! তেওঁৰ বাণৰ আঘাতৰ পৰা কোনেও ৰক্ষা নাপাব । কিন্তু তোমাৰ বাহিৰে অন্য লোকক দেখা দিয়াতো তেওঁৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব । মই এই বৰে তেওঁক দিছো ।"

ইয়াৰ পিছত শিৱ আৰু পাৰ্বতীয়ে গৃহ-প্ৰৱেশ কৰিলে । কামদেৱেও অদৃশ্য হৈ পুষ্প বাণ আৰু ৰতিদেৱীক লগত লৈ সেই কক্ষত প্ৰৱেশ কৰিলে । তেতিয়া বিশ্বকৰ্মাই মানুহৰ সমান উচ্চতাৰ এখন আইনা শিৱ-পাৰ্বতীৰ সম্মুখত থিয় কৰাই দিলে । তাত পাতল পৰ্দা লগোৱা আছিল । তেওঁ কলে, এইখন এখন অতুলনীয় চিত্ৰ । ইয়াত দুজন ব্যক্তি চিত্ৰিত কৰা আছে । আমাৰ দৰে লোকৰ পক্ষে এইটো কোৱা খুবেই কঠিন, এই দুজনৰ ভিতৰত কাৰ সৌন্দৰ্য্য বেচি । এই চিত্ৰখন আপোনালোক দুয়োৰে সম্মুখত এই বিশ্বাসতে ৰাখিছো, আপোনালেকেহে ইয়াৰ এটা সদ উত্তৰ দিব পাৰিব । এতিয়া আপোনালোক দুয়ো কওক ।" এই বুলি কৈ বিশ্বকৰ্মাই চিত্ৰখনৰ পৰা পৰ্দাখন আঁতৰাই দিলে ।

এইখন এখন মানুহৰ সমান ওখ আইনা আছিল । সেই আইনাত শিৱ-পাৰ্বতীয়ে নিজৰ প্ৰতিবিম্ব দেখি মিচিকিয়াই হাঁহিবলৈ ধৰিলে ।

নাৰদে কলে, "হাঁহিক ইয়াৰ কোনো উত্তৰ বুলি ধৰিব নোৱাৰি । ইয়াৰ উত্তৰ আপোনালোকে দিবই লাগিব । শিৱে এটা মধুৰ হাঁহিমাৰি পাৰ্বতীৰ ফালে চাই কলে,



"সুন্দৰ অলঙ্কাৰেৰে শোভিতা পাৰ্বতীহে ধুনীয়া ।" এই কথা শুনি পাৰ্বতীৰ মুখমণ্ডল লাজতে ৰঙা পৰি উঠিল । তাৰ পাছত বীণাৰ দৰে মধুৰ সুৰত পাৰ্বতীয়ে কলে, "মোতকৈ ত্ৰিনেত্ৰ পুৰুষৰ সৌন্দৰ্য্যহে অধিক !"

ইয়াৰ পাছত সকলোৰে শিৱ আৰু পাৰ্বতীৰ ওপৰত পুষ্প বৰিষণ কৰিলে । তাৰ পাছত নৱদম্পতিয়ে সুসজ্জিত বিচনাৰ ওপৰত বহিল গৈ । তেওঁলোকৰ সম্মুখৰ বেৰত এখন সুন্দৰ চিত্ৰ অঙ্কিত কৰা আছিল। চিত্ৰখনত এহাল হাতীয়ে নৃত্যৰ ভঙ্গিমাত পিছ ঠেঙৰ ওপৰত ভৰ দি আগঠেং দুখন দাঙি আছিল । টোৰণৰ দৰে থকা হাতী দুটাৰ মাজেৰে সৰোবৰত এটা ডাঙৰ পদুম ফুল ফুলি থকা দেখ গৈছিল । সেই চিত্ৰখনত অঙ্কিত হাতী দুটাৰ ওপৰত শিৱ আৰু পাৰ্বতীৰ দৃষ্টি নিবদ্ধ হৈছিল । সেই সময়তে

পদুম ফুল থকা চিত্ৰখনত পূৰ্ণিমাৰ জোনৰ দৰে পোহৰ চমকি উঠিল । ইয়াৰ পোহৰ ধীৰে ধীৰে চাৰিওফালে বিয়পি পৰিল । সেই পোহৰতে তেওঁলোকে বিঘ্নেশ্বৰ গণেশক দেখিবলৈ পালে ।

বিঘ্নেশ্বৰৰ মুখমন্ডল হাতীৰ দৰে আছিল। তথাপিতো তাত দিব্যজ্যোতি বিৰাজ কৰিছিল। তেওঁৰ দৃষ্টি শান্ত আছিল আৰু ইয়ে মেধা শক্তিৰ পৰিচয় দিছিল । অভয় প্ৰদান কৰা হস্তমুদ্ৰাত থিয় হৈ থকা বিঘ্নেশ্বৰে পাৰ্বতীৰ ফালে প্ৰতিমাৰ নিচিনাকৈ চাই থাকিল ।

বিঘ্নশ্বৰৰ ফালে চাই থাকি থাকি শিৱ পাৰ্বতীৰ মনত আনন্দ লাগিল । বাওঁফালে মেৰাই থোৱা শুড়ডাল লৰাই-চৰাই মধুৰ স্বৰে বিঘ্নেশ্বৰে কবলৈ ধৰিলে, ‘‘মই বিঘ্নেশ্বৰ গণেশ। বিঘিনি দূৰ কৰা বিনায়ক। পঞ্চ ভূত গণৰ অধিপতি মই গণপতি, চিত্ৰ-বিচিত্ৰ ৰূপধাৰী মই চিত্ৰ-গণপতি । আপোনালোক দুয়োৰে অনুৰাগৰ পৰিণাম স্বৰূপে শিৱৰ পৰাক্ৰম লৈ কুমাৰ স্বামীয়ে জন্ম লব আৰু তেওঁৱেই তাৰকাসুৰক বধ কৰিব । কুমাৰ স্বামীৰ আগতে মই অৱতাৰ ধৰি আপোনালোক দুয়োৰে পুত্ৰ হিচাবে জন্ম গ্ৰহণ কৰিম । মই পুত্ৰ গণপতিৰ ৰূপত অৱতাৰ ধৰিবলৈ ওলাইছো ।’’ গণপতিৰ মুখত এই কথা শুনি পাৰ্বতীয়ে হাতমেলি তেওঁক কোলাত লবলৈ খুজিলে । কিন্তু গণপতি, জ্যোতিৰ সৈতে মিলি অদৃশ্য হৈ গ’ল । শিৱ আৰু পাৰ্বতীয়ে ইয়াকে ভাবি দুয়ো দুয়োৰে ফালে চাই থাকিল, এতিয়ালৈ যি দেখিছিলো সেয়া সপোন নে বাস্তৱ । এই দৃষ্টিৰ মিলনত তেওঁলোকে সকলো পাহৰি গ’ল। তেওঁলোকে যি অদ্ভুত দৃশ্য দেখিছিল, সেইবোৰ এনেদৰে পাহৰি গ’ল যেন একো হোৱাই নাছিল ।

ইয়াৰ পিছত শিৱ-পাৰ্বতীয়ে অন্তঃপুৰত গৈ আনন্দ সাগৰত দুবগৈ সংসাৰ চলাবলৈ ধৰিলে । সেই সময়তে জগতৰ কাৰণে এক উপদ্ৰৱৰ জন্ম হ’ল ।

দেৱী ভাগৱত

সকলো দেৱতাতকৈ শ্ৰেষ্ঠ দেৱতা আছিল ত্বষ্টু প্ৰজাপতি । তেওঁ ঘোৰ তপস্যা কৰিছিল। তেওঁৰ ইন্দ্ৰৰ সৈতে শত্ৰুতা আছিল, সেয়েহে তেওঁ তিনিটা মূৰ থকা বিশ্বৰূপৰ সৃষ্টি কৰিলে। বিশ্বৰূপ বয়সৰ লগে লগে ডাঙৰ হবলৈ ধৰিলে । বিশ্বৰূপে তিনিটা মূৰেৰে একে সময়তে বেলেগ বেলেগ কাম কৰা দেখি মুনিসকল আচৰিত হৈছিল । তেওঁ যদি এখন মুখেৰে বেদ পাঠ কৰিছিল, আনখন মুখেৰে সোমৰস পান কৰিছিল আৰু তৃতীয় মূৰটোৰে সংসাৰত ঘটিত লগা বিষয়বোৰৰ ওপৰত নজৰ দিছিল ।

বিশ্বৰূপে পঞ্চাগ্নিৰ মাজত তপস্যা কৰিবলৈ ধৰিলে । এখন ভৰিৰ ওপৰত থিয় হৈ তেওঁ শীত কালত পানীৰ মাজত আৰু গ্ৰীষ্মকালত অগ্নিৰ মাজত থিয় হৈ একো নোখোৱা নোবোৱাকৈ তপস্যা কৰি থাকিল। বিশ্বৰূপৰ তপস্যা দেখি ইন্দ্ৰই ভয়খালে । তেওঁ ভাবিলে বিশ্বৰূপে তেওঁৰ স্থান অধিকাৰ কৰাৰ চেষ্টা কৰিছে । সেয়েহে তেওঁৰ তপস্যা ভঙ্গ কৰিবলৈ ইন্দ্ৰই কেইজনীমান অপ্সৰা প্ৰেৰণ কৰিলে । কিন্তু অপ্সৰাসকলে তপস্যা ভঙ্গ কৰিবলৈ কৰা সকলো চেষ্টাই ব্যৰ্থ হ'ল। অপ্সৰাসকল ইন্দ্ৰৰ ওচৰলৈ উভতি আহি কলে যে বিশ্বৰূপৰ তপস্যা ভঙ্গ কৰা তেওঁলোকৰ পক্ষে সম্ভৱ নহয় ।

তেতিয়া ইন্দ্ৰই বিশ্বৰূপক বধ কৰাৰ সিদ্ধান্ত কৰিলে । তেওঁ যে কিমান ডাঙৰ পাপ কৰিবলৈ গৈছে, সেই কথা ইন্দ্ৰই এবাৰো নাভাবিলে । তেওঁ ঐৰাৱতত উঠি বিশ্বৰূপৰ ওচৰলৈ বজ্ৰ মহাস্ত্ৰ নিক্ষেপ কৰিলে ।

ত্বষ্টুয়ে যেতিয়া জানিব পাৰিলে ইন্দ্ৰই

তেওঁৰ পুত্ৰক হত্যা কৰিছে তেতিয়া তেওঁ ক্ৰোধান্বিত হৈ উঠিল । তেওঁ এক অগ্নিকুণ্ড নিৰ্মাণ কৰি তাতে অধৰ্বণ মন্ত্ৰ উচ্ছাৰণ কৰি আহুতি দিলে । তেতিয়া সেই অগ্নিকুণ্ডৰ পৰা তেওঁৰ এক পুত্ৰৰ জন্ম হৈ ওলাই আহিল । তেতিয়া ত্বষ্টুয়ে কলে, "তোমাৰ নাম হব বৃত। তোমাৰ জেষ্ঠ্য ভাতৃক ইন্দ্ৰই বজ্ৰ নিক্ষেপ কৰি বধ কৰিছে । সেই ইন্দ্ৰক বধ কৰাৰ বাবেই তোমাৰ জন্ম হৈছে । তুমি এই কাম কৰিব লাগিব ।"

তেওঁ বৃতৰ বাবে নানা ধৰণৰ অস্ত্ৰ নিৰ্মাণ কৰি তেওঁৰ হাতত অৰ্পণ কৰিলে । এক উপযুক্ত মুহূৰ্ত্তত ব্ৰাহ্মণৰ আশীৰ্বাদ লৈ ত্বষ্টুয়ে পুত্ৰক এখন ৰথত তুলি দি ইন্দ্ৰক বধ কৰিবলৈ পঠাই দিলে ।

ঋষি-মুনি তথা দেৱতাসকলে যেতিয়া শুনিবলৈ পালে বৃতই ইন্দ্ৰক বধ কৰিবলৈ আহি আছে, তেওঁলোক খুব চিন্তা পৰিল । তেওঁলোকে পলাবলৈ ধৰা দেখি ইন্দ্ৰই দূতক আদেশ দি কলে, "ৰুদ্ৰ, আদিত্য, বসুসকল আৰু দিক্‌পালসকলক নিজৰ নিজৰ বাহনত উঠি যুদ্ধৰ কাৰণে সাজু হৈ আহিবলৈ কোৱা।"

তাৰপাছত ইন্দ্ৰই বৃহস্পতিকো নিজৰ হাতীৰ ওপৰত বহুৱাই লৈ যুদ্ধ কৰিবলৈ গ'ল। তেওঁৰ পিছে পিছে অস্ত্ৰ-শস্ত্ৰ লৈ দেৱতাসকলো ওলাই গ'ল । বৃতইও দানব সেনাসকলক লগত লৈ আগবাঢ়ি আহিছিল। দুয়োদল সৈন্যৰে মানস সৰোবৰৰ উত্তৰে থকা পৰ্বতত ভেটা-ভেটি হ'ল ।

এশ বছৰ ধৰি এই যুদ্ধ চলিছিল । অৱশেষত দেৱতাসকল হাৰ মানিবলৈ বাধ্য হয় । প্ৰথমতে বৰুণে পলায়ন কৰিলে । ইয়াৰ পিছত ক্ৰমে বায়ু, যম, অগ্নিয়ে এক এক কৰি পলাবলৈ ধৰিলে । শেষত ইন্দ্ৰইও পলাবলৈ বাধ্য হয় । সকলো দেৱতাকে পৰাস্ত কৰি বৃতই পিতৃৰ ওচৰলৈ আহি প্ৰণাম কৰি কলে, "পিতা, সকলো দেৱতাই ভয়তে পলায়ন কৰিলে । তেওঁলোকে ভীত সন্ত্ৰস্ত হৈ পলায়ন কৰা বাবে তেওঁলোকক বধ নকৰিলো । ইন্দ্ৰই হাতীটো এৰি পলায়ন কৰা বাবে তেওঁৰ হাতীটো ধৰি লৈ আহিছো । এইটো আপোনাক উপহাৰ দিলো, আপুনি গ্ৰহণ কৰক । ইয়াৰ পিছত মোৰ কৰ্ত্তব্য কি হব আপুনি দয়া কৰি কওক । মই যি কোনো কঠিন কাম কৰিবলৈকে প্ৰস্তুত ।"

নিজৰ পুত্ৰৰ কাৰ্য্যত সন্তুষ্ট হৈ ত্বষ্টুই কলে, "পুত্ৰ, তোমাৰ পৰাক্ৰম সঁচাকৈয়ে অসামান্য। এতিয়া তুমি যলৈকে ইচ্ছা যাব পাৰা । আজি মোৰ মনোবেদনাৰ অন্ত হ'ল আৰু জীৱনো সফল হ'ল । এতিয়া মোৰ মনত কোনো অশান্তি নাই । ইয়াৰ পিছত

তোমাৰ কৰ্ত্তব্য কি হব তাকো কওঁ শুনা ।

ইন্দ্ৰক বিশ্বাস কৰিব নোৱাৰি । তেওঁ বৰ চতুৰ । তেওঁ যি কোনো কামকে কৰিব পাৰে। ব্ৰহ্মাক তপস্যা কৰি অমৰ হৈ লোৱা । ইয়াৰ পিছত ইন্দ্ৰক সংহাৰ কৰিবা । দুষ্ট ইন্দ্ৰই অকাৰণতে মোৰ পুত্ৰক বধ কৰিছে । এই কথা মই কেতিয়াও নাপাহৰো । গতিকে তুমি ইন্দ্ৰক বধ কৰিবলৈ প্ৰস্তুত হোৱা ।

বৃতই পিতাকৰ অনুমতি লৈ গন্ধমাদন পৰ্বতলৈ গ'ল । নদীত স্নান কৰি উঠি এঠাইত বহি বৃতই ব্ৰহ্মাৰ উদ্দেশ্যে তপস্যাত মগ্ন হ'ল। তেওঁৰ তপস্যা দেখি মুনিগনো মুগ্ধ হ'ল। বৃতৰ তপস্যাত সন্তুষ্ট হৈ ব্ৰহ্মাই দেখা দি কলে, "বাচা, মই তোমাৰ তপস্যাত সন্তুষ্ট হৈছো । তোমাক কি বৰ লাগে কোৱা ।"

বৃতই হাতযোৰ কৰি ব্ৰহ্মাক কলে, "প্ৰভু, ইন্দ্ৰক পৰাজিত কৰি মই অতি সন্তুষ্ট হৈছো। আজি আপোনাৰ দৰ্শন পাই তাতোকৈ ধন্য হৈছো । আপুনি যদি মোক বৰ দিব খোজে মোক এনে বৰ দিয়ক মই যাতে অমৰ হব পাৰো । লোহা, কাঠ, কোমল, কঠিন যি কোনো বস্তু তথা অস্ত্ৰেৰে যাতে মোক বধ কৰিব নোৱাৰে । যুদ্ধ যিমানেই ভয়ানক হয় মোৰ শক্তিও যেন সিমানে বাঢ়ি যায় । মোক এয়ে বৰ দিয়ক ।

ব্ৰহ্মাই 'তথাস্তু' বুলি কৈ তাৰ পৰা গুচি গ'ল ।

বৃতই আনন্দ মনেৰে পিতাকৰ ওচৰলৈ আহি সকলোবোৰ কথা সবিস্তাৰে বৰ্ণনা কৰি কলে ।

"পুত্ৰ, তোমাৰ জয় হওঁক । তোমাৰ জেষ্ঠ্য ভাতৃৰ হত্যাকাৰী দুষ্ট ইন্দ্ৰক এতিয়া অনায়াসে বধ কৰিব পাৰিবা । নিৰ্ভয় হৈ আগবাঢ়ি যোৱা ।"



পিতাকৰ আজ্ঞা অনুসাৰে বৃতই ৰথত উঠি এদল বিশাল সৈন্য লৈ ইন্দ্ৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আগবাঢ়ি গ'ল । ইন্দ্ৰই পুনৰ বৃতৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হ'ল ।

ইন্দ্ৰ আৰু বৃতৰ মাজত তয়াময়া যুদ্ধ লাগে। সেই যুদ্ধ বহুদিন ধৰি চলে । শেষত ইন্দ্ৰই পৰাজিত হৈ ছত্ৰভঙ্গ দিবলৈ বাধ্য হয় । বৃতই অমৰাৱতীলৈ আহি তাৰ সকলো বস্তুকে নিজৰ অধীন কৰি ললে ।

নিজ পুত্ৰক স্বৰ্গৰ ৰজা হোৱা দেখিবলৈ পাই ত্বষ্টুৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল। দেৱতাসকলে অনাথ হৈ চাৰিওফালে ঘূৰি ফুৰিবলৈ ধৰিলে । দেৱনগৰী গৈ ৰাক্ষস নগৰীত পৰিণত হ'ল ।

দেৱতাসকলে শিৱৰ ওচৰলৈ গৈ নিজৰ দুৰৱস্থাৰ কথা বৰ্ণনা কৰি উঠি কলে, "হে শিৱ, এতিয়া আমি আপোনাৰ শৰণাগত । আমাক ৰক্ষা কৰক ।"

এতিয়া জগন্মাতাৰ ওচৰলৈ যোৱা ।"

দেৱতাসকল কল্পবৃক্ষৰে ভৰা মেৰুপৰ্বতলৈ গ'ল । তাত তেওঁলোকে মহাদেৱীৰ ধ্যান কৰিবলৈ ধৰিলে । মহাদেৱীয়ে পূৰ্বতে দেৱতাসকলক কৰা সহায়ৰ কথা বৰ্ণনা কৰি কলে, "আপুনি আগতেও মহিষাসুৰ, শুম্ভ নিশুম্ভ তথা অন্যান্য ৰাক্ষসক বধ কৰি আমাক ৰক্ষা কৰিছে । হে মাতা, এই বৃতও আগতে আপোনাৰ শত্ৰু আছিল কিজানি । নহলে আপোনাৰ ভক্ত, আমাৰ লগত কিয় শত্ৰুতা কৰিব ?"

দেৱতাসকলৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ দেৱীয়ে তিনিটা চকু, চাৰিখন হাত আৰু এক দিব্য জ্যোতিৰে দেৱতাসকলক দেখা দিলে । তেওঁ সুন্দৰ বস্ত্ৰ পৰিধান কৰিছিল আৰু দেহত আছিল নানা অলঙ্কাৰ । দেৱীয়ে দেৱতাসকলক সহায় কৰাৰ আশ্বাস দি অন্তৰ্ধান হৈ গ'ল । দেৱতাসকলেও এক তৃপ্ত মন লৈ উভতি আহিল । তাৰ পাছত তেওঁলোকে বৃত আৰু ইন্দ্ৰৰ মাজত বন্ধুত্ব স্থাপন কৰাৰ উদ্দেশ্যৰে মুনিসকলক বৃতৰ ওঁচৰলৈ পঠালে ।

মুনিসকলে বৃতৰ ওচৰলৈ আহি কলে, "বৃত, তুমি সঁচাকৈয়ে এজন যোগ্য লোক । ইন্দ্ৰও এজন মহান দেৱতা । এনে অৱস্থাত তোমালোকৰ সম্বন্ধ যদি মৈত্ৰীপূৰ্ণ হয় তেতিয়া সকলোৰে পক্ষে ভাল হব । ইন্দ্ৰই তোমাক বন্ধুত্ব আগবঢ়াব । তুমিও ইন্দ্ৰক বন্ধুভাবে লবা । আমি মুনিসকলে তোমালোকৰ মাজত মধ্যস্থতা কৰিম ।"

তেতিয়া বৃতই কলে, "আপোনালোকৰ প্ৰতি মোৰ অসীম শ্ৰদ্ধা আছে । মই আপোনালোকৰ ইচ্ছাক অস্বীকাৰ কৰিব

তেতিয়া শিৱই দেৱতাসকলক কলে, "আমি ব্ৰহ্মাক লগত লৈ বিষ্ণুৰ ওচৰলৈ যোৱাতো উত্তম হব । বৃতক বধ কৰাৰ তেওঁৰহে শক্তি আছে ।"

তাৰ পিছত সকলো দেৱতা লগহৈ বৈকুণ্ঠলৈ গ'ল । বিষ্ণুয়ে দেৱতাসকলক দেখি সুধিলে, "সকলোৱে মিলি আহিছা দেখো । কথানো কি ?"

দেৱতাসকলে তেওঁলোকৰ দুৰাৱস্থাৰ কথা সবিশেষ বৰ্ণনা কৰি বিষ্ণুৰ আগত কলে। তেতিয়া বিষ্ণুয়ে কলে, "মই তোমালোকৰ দুখৰ কথা বুজিব পাৰিছো । বৃত আৰু ইন্দ্ৰৰ মাজত মৈত্ৰী বঢ়োৱা । বজ্ৰ যুদ্ধৰ কাৰণে মই অদৃশ্য হৈ থাকি তোমালোকক সহায় কৰিম। সমস্ত ইচ্ছাকে পূৰণ কৰাৰ গৰাকী জগন্মাতাক যদি প্ৰাৰ্থনা কৰা তেওঁ নিজৰ যোগমায়াৰ বলেৰে তোমালোকক সহায় কৰিব । তেওঁৰ মায়াৰ বলতে বৃতই ইন্দ্ৰৰ হাতত বধ হব ।

নোৱাৰো । কিন্তু এই ব্ৰহ্মহত্যাকাৰী, পাপী ইন্দ্ৰক কেনেকৈ বিশ্বাস কৰো ?”

মুনিসকলে কলে, “পাপীয়ে নিশ্চয় পাপৰ ফল ভোগ কৰিব । ব্ৰহ্মহত্যা আৰু সোমৰ পান কৰা অপৰাধৰ বাবে প্ৰায়শ্চিত্তৰ উপায় আছে । কিন্তু মৈত্ৰী দ্ৰোহৰ কোনো প্ৰায়শ্চিত্ত নাই । গতিকে ইন্দ্ৰ আৰু তুমি বন্ধুত্ব কৰিব পাৰা ।”

“তিতা অথবা শুকান ঠাইত, শিল অথবা কাঠেৰে, দিন অথবা ৰাতি, দেৱতা অথবা তেওঁলোকৰ অধিপতি ইন্দ্ৰই মোক যদি নামাৰে মই তেতিয়াহলে ইন্দ্ৰৰ লগত বন্ধু হব পাৰো ।” বৃতই কলে ।

মুনিসকলে এই সকলোবোৰ কথা ইন্দ্ৰক কোৱাত ইন্দ্ৰই চৰ্ত মানি লালে । ইন্দ্ৰই অগ্নিক সাক্ষী কৰি প্ৰতিজ্ঞা কৰাত বৃতই ইন্দ্ৰৰ লগত বন্ধুত্ব কৰিলে ।

দুয়ো মিলি একে লাগে ঘূৰা ফুৰা কৰে, সৌহাৰ্দপূৰ্ণ ব্যৱহাৰ কৰে । কেতিয়াবা সমুদ্ৰ উপকূলত কেতিয়াবা নন্দন কাননত তেওঁলোকে বিচৰণ কৰে । এতিয়াহে বৃতৰ ইন্দ্ৰৰ ওপৰত বিশ্বাস জন্মিল । কিন্তু ইন্দ্ৰই, বৃতক মাৰিবৰ বাবে চেগ চাই থাকিল ।

এদিন সন্ধিয়া ইন্দ্ৰ আৰু বৃতই সমুদ্ৰৰ পাৰত ফুৰি আছিল । সেই সময়চোৱা দিনো নাছিল ৰাতিও নাছিল । ইয়াৰ বাহিৰে সেই সময়ত বৃত অকলে আছিল । ইন্দ্ৰই ভাবিলে বৃতক বধ কৰাৰ এইটোৱে উপযুক্ত সময় । তেওঁ বিষ্ণুক স্মৰণ কৰিলে । বিষ্ণু আহি অদৃশ্য হৈ বজ্ৰ যুদ্ধত প্ৰৱেশ কৰিলে । ইন্দ্ৰই সমুদ্ৰৰ মাজত এটা বালিচৰ দেখিলে । সেইটো তিতাও নাছিল শুকানো নাছিল । তাত কোনো অস্ত্ৰও নাছিল। ইন্দ্ৰই মনেমনে দেৱীক আৰাধনা কৰিলে । দেৱীয়ে নিজৰ শৰীৰ সেই বালিচৰত মিলাই দিলে । ইন্দ্ৰই নিজৰ বজ্ৰপাত ঢাকি ধৰি জোৰেৰে বৃতৰ ওপৰত নিক্ষেপ কৰিলে । তাৰ আঘাতত বৃত ধৰাশায়ী হৈ গ'ল আৰু তাতেই মৃত্যু বৰণ কৰিলে ।

শত্ৰু ভয়ৰ পৰা মুক্ত হৈ ইন্দ্ৰই অমৰাৱতীলৈ উভতি আহিল । মুনিসকলৰ মন্ত্ৰ পাঠেৰে মহাদেৱীৰ উৎসৱ পালন কৰা হ'ল । নন্দন উদ্যানত দেৱীৰ এটা সুন্দৰ মন্দিৰ নিৰ্মাণ কৰা হ'ল তাৰ তাতেই দেৱীৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হ'ল ।

(সমাপ্ত)





একতা

সুকৰ্ম নামৰ এজন সাধুয়ে তেওঁৰ শিষ্য সুহস্ৰৰ সৈতে দেশ ভ্ৰমণ কৰিবলৈ গৈছিল । সূৰ্য্যাস্তৰ সময়ত তেওঁলোক দুয়ো গৈ নিমবৰ নামৰ গাওঁ এখনত উপস্থিত হ'ল । সেই ৰাতি তেওঁলোকে তাতে থকাৰ উদ্দেশেৰে এটা অতিথিশালাত গৈ সোমাল ।

গুৰু-শিষ্য গৈ যেতিয়া তাত উপস্থিত হ'ল ভিতৰত তেওঁলোকে গন্ডগোল শুনিবলৈ পালে। এজন বলবান মানুহে বাৰ বছৰমান বয়সৰ এজন ল'ৰাক বেতেৰে কোবাই আছিল । ভিতৰলৈ গৈ এই দৃষ্য দেখিবলৈ পাই তেওঁলোকৰ মনত খুব দুখ লাগিল।

তেওঁলোকে এই বিষয়ে সুধি-পুচি জানিব পাৰিলে সেই ল'ৰাটোৱে সিদিনালৈকে সেই মানুহজনৰ ঘৰত কাম কৰিছিল । সেই মানুহজনৰ ঘৰত কাম কৰি ল'ৰাজনে কিন্তু ভাল পোৱা নাছিল । সেই ঘৰখন তাৰ নৰক যেন লাগিছিল। সেয়েহে কাকো একো নোকোৱাকৈ সি তাৰপৰা গুচি আহিছিল । তাৰ কোনো নিজা মানুহ নথকাত সি অতিথিশালাতে আহি সোমাইছিল। বলবান মানুহজনে ল'ৰাজনৰ ওপৰত দোষাৰোপ কৰি কৈছিল যে, সি এড়াল মূল্যবান হাৰ চুৰি কৰি আনিছে ।

সেই অপৰাধতে মানুহজনে অতিথিশালালৈ আহি ল'ৰাজনক পিটিব ধৰিছে । ল'ৰাজনে কান্দি কান্দি কৈ আছিল যে সি কোনো বস্তু চুৰি কৰি অনা নাই । মানুহজনৰ ঘৰত আকৌ কাম কৰিবলৈ লৈ যাবৰ কাৰণে এই ষড়যন্ত্ৰ কৰিছে ।

ল'ৰাজনক এইদৰে আধামৰা কৰা দেখি অতিথিশালাত থকা মানুহবোৰৰ মনত খুব বেয়া লাগিছিল । কিন্তু ল'ৰাজনক ৰক্ষা কৰাৰ বাবে কোনেও হলে আগবাঢ়ি অহা নাছিল ।

ল'ৰাজনে মানুহজনৰ মাৰ সহ্য কৰিব নোৱাৰি গঙ্গা নামৰ এজন মানুহৰ ভৰিত সাবতি ধৰি তাক ৰক্ষা কৰিবলৈ কাকুতি কৰিবলৈ ধৰিলে। গঙ্গাও এজন অতি হৃষ্ট-পুষ্ট লোক

-কীৰ্তি আগৰৱালা-

আছিল। কিন্তু গঙ্গাই ল'ৰাজনৰ কোনো কাকুতি মিনতি নুশুনিলে। তেওঁ অতি নির্দয়ভাবে তাক থেলামাৰি আঁতৰাই দি কবলৈ ধৰিলে, "তোমাক বচাবলৈ মোৰ কি গৰজ পৰিছে। এইটো মোৰ কাম নহয়। যদি ইচ্ছা কৰা পুলিচত গোচৰ দিয়া।"

পুলিন নামৰ এজন অতি ক্ষীণ মানুহে এই ঘটনাটো লক্ষ্য কৰি আছিল। মানুহজনৰ নির্দয়তা দেখি তেওঁ অতি খঙেৰে কলে, "এইটো কি অন্যায় কথা। যদি সঁচাকৈয়ে তোমাৰ হাৰ হেৰাইছে তেতিয়াহলে পুলিচৰ ওচৰত গোচৰ দিয়া। তুমি তাক যেনেদৰে মাৰিব ধৰিছা কি তাক তুমি জন্তু বুলি ভাবিছা নেকি? তাক এৰি দিয়া।"

তেতিয়া বলিষ্ঠ লোকজনে পুলিনৰ ফালে ঘুৰি চাই কলে, "কি তোমাৰ আকৌ কি হ'ল? তোমাৰো এচাট খোৱাৰ ইচ্ছা নেকি?" এইবুলি কৈ পুলিনক গটা মাৰি দিলে। পুলিনে গৈ মানুহৰ মাজত বাগৰি পৰিল।

তথাপিতো পুলিনে ল'ৰাজনক ৰক্ষা কৰিবলৈ তাত উপস্থিত থকা মানুহবোৰক অনুৰোধ কৰিলে। কিন্তু কোনেও তাক সহায় কৰিবলৈ আগবাঢ়ি নাহিল।

শেষত গুৰু-শিষ্যৰ অনুৰোধত অতিথিশালাৰ মালিকে কথাটোত হস্তক্ষেপ কৰি পুলিচক মাতিলে। তাৰপিছত সেই বলিষ্ঠ মানুহজনক আৰু ল'ৰাজনক পুলিচক গটাই দিলে। তেতিয়ালৈকে ৰাতি হৈ গৈছিল। সেই ৰাতিটো গুৰু-শিষ্যই তাতে থাকি পিছদিনা ৰাতিপুৱা তাৰ পৰা গুচি গ'ল।

তেওঁলোক গৈ থাকোতে বাটতে শিষ্য সুহৃদ্ৰই গুৰুক সুধিলে, "গুৰুদেৱ, ৰাতি অতিথিশালাত ঘটা ঘটনা দেখি মোৰ মনত খুব দুখ লাগিছে। এজন বলিষ্ঠ মানুহে, এটা সৰু ল'ৰাক ইমান মাৰিছিল আৰু তাত উপস্থিত থকা সকলোৰে মৌন হৈ চাই আছিল। তাক ৰক্ষা কৰিবলৈ



কোনেও আগবাঢ়ি নাহিল। সঁচাকৈয়ে সেই মানুহজন কিমান নীচ ?"

তেতিয়া সাধুয়ে কলে, "জীৱনত প্ৰথমবাৰ তুমি এই দৃশ্য দেখিছা, সেয়েহে তোমাৰ মনত ইমান দুখ লাগিছে। কেতিয়াবা কোনো ব্যক্তিৰ জীৱনত কোনো ঘটনা ঘটিলে সেই ঘটনাই তেওঁৰ অন্তৰ চুই যায়। ইয়াৰ দ্বাৰা সেই ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কে বুজিব পাৰি। সকলোৱে ভাবে তেওঁ নিজে যেন কোনো বিপদত নপৰে। ইয়াৰ মূল কাৰণ একতাৰ অভাৱ। সেই বলিষ্ঠ মানুহজনৰ সন্মুখীন হোৱাৰ বাবে গঙ্গাৰ দেহত শক্তি আছে। ইচ্ছা কৰিলে তেওঁ, মানুহজনৰ হাতৰ পৰা ল'ৰাটোক ৰক্ষা কৰিব পাৰিলেহেতেন। কিন্তু তেওঁৰ মনত এই ঘটনাৰ কোনো প্ৰভাৱ নপৰিল। কাৰণ তেওঁৰ দয়াশীল এটা মন নাই। পুলিনৰ আনৰ দুখত ব্যথিত এখন হৃদয় আছে, ল'ৰাজনক ৰক্ষা কৰাৰ ইচ্ছা আছে, কিন্তু তেওঁৰ শাৰীৰিক শক্তি নাই। তাত থকা সকলোবোৰ মানুহ এক হৈ গলে আপোনা আপুনি শক্তি উৎপন্ন হ'ব। কিন্তু দুৰ্ভাগ্যৰ বিষয়, তেওঁলোকৰ মাজত একতা নাই।"

"গুৰুদেৱ, ইয়াৰ কোনো উপায় নাই নেকি? শিষ্যজনে সুধিলে।

তেতিয়া সাধুয়ে এটা মিচিকিয়া হাঁহি মাৰি কলে, "কিয় নহব, ইয়াৰ উপায় আছে। মোৰ কথা মনোযোগেৰে শুনা। বহুদিন আগতে দহজন মানুহ কাশীলৈ তীৰ্থ কৰিবলৈ গৈছিল। বাটত তিনিজন ডকাইতে তেওঁলোকক ৰখালে আৰু ডেগাৰ দেখুৱাই ভয় খুৱালে। তাৰপাছত যাত্ৰীসকলক চৰ্দাৰৰ ওচৰলৈ লৈ গ'ল। যাত্ৰী-সকলৰ ভিতৰত এজন বুদ্ধিমান যাত্ৰীয়ে গান গাবলৈ ধৰিলে। ডকাইতকেইজনে ভাবিলে সি গান হে গাইছে গাবলৈ দে। গীতৰ মাজেৰে সেই বুদ্ধিমানজনে কৈছিল যে তিনিয়ে তিনিয়ে ন হয়। শেষত যাত্ৰীকেইজনে গীতৰ অন্তৰ্নিহিত অৰ্থ বুজিব পাৰি তিনিজন যাত্ৰীয়ে মিলি একোজন ডকাইতক ভালদৰে ধৰি ললে। দশমজন যাত্ৰীয়ে ডকাইতহঁতৰ হাতৰ পৰা ডেগাৰবোৰ কাঢ়ি লৈ গ'ল আৰু জঙ্ঘলী লতাৰে গছত ভালদৰে বান্ধি থলে। সেই-দৰে জ্ঞানী সকলে, মানৱতাত বিশ্বাসী লোকসকলে মানুহৰ মাজত সুপ্ত হৈ থকা চেতনা জগাই তুলি পথ প্ৰদৰ্শক হিচাবে কাম কৰা উচিত।"

সুহস্ৰৰ মনৰ সন্দেহ দূৰ হোৱাত তেওঁ মৌন হৈ গুৰুৰ পিছে পিছে গৈ থাকিল।





সুন্দৰীৰ সাৱধানবাণী

এখন গাঁৱত কমল আৰু সুন্দৰী নামৰ এহাল দম্পতিয়ে বাস কৰিছিল । তেওঁলোকৰ এটা খাপৰীৰ ঘৰ আৰু অলপ খেতিৰ মাটি আছিল । ইয়াৰ বাহিৰে তেওঁলোকৰ আৰু কোনো সা-সম্পত্তি নাছিল । কমল আছিল এজন এক নম্বৰ ধোদ । ঘৰৰ কোনো কাম-কাজ নকৰিছিল । পাৰিবাৰিক জঞ্জালৰ পৰা তেওঁ সদায় আঁতৰত আছিল । সুন্দৰী খুব কৰ্মী আছিল । সেয়েহে, যেনেকৈয়ে নহওক তেওঁ নিজৰ পৰিয়ালটো চলাইছিল ।

এদিন কমলে সুন্দৰীক কলে, "পূজাও আহিবৰ হ'ল । ঘৰৰ বেৰবোৰো পুৰণি যেন দেখা হৈ গৈছে । পূজাৰ সময়ত দুই চাৰিজন আলহীও আহিব পাৰে । ঘৰৰ এই অৱস্থা দেখি আলহীয়ে বা কি ভাবিব । আজিয়েই তিনি-চাৰিজন হাজিৰাৰ মানুহ লগাই দি বেৰত চূন তেল দিও বুলি ভাবিছো ।"

কমলৰ কথাত অসন্তুষ্ট হৈ সুন্দৰীয়ে কলে, "আমি দুজন ঘৰৰ মানুহ আছোয়ে । দুয়ো মিলি এই কামখিনি নিজেই কৰিব পাৰিম । হাজিৰাৰ মানুহ লগালে সিহঁতক হাজিৰাৰ টকা দিব লাগিব । ইয়াৰ উপৰি সিহঁতে যেনেদৰেহে চূন দিব, বেৰবোৰে নষ্ট হব । মই ভালদৰে জানো বেৰত কেনেদৰে চূণ দিব লাগে । তুমি অলপ সহায় কৰি দিবা । যোৱা, আমাৰ ওচৰৰে গৌৰীৰ ঘৰৰ পৰা চূণদিয়া ব্ৰাছপাত লৈ আহা গৈ । মই বাৰু পাণী দি চূণখিনি গলিবলৈ দিওঁ।

এতিয়াহে কমলৰ অনুশোচনা হ'ল, কিয়নো মই মিছাতে চূণ তেল দিয়াৰ কথা উলিয়াই-ছিলো । তেওঁ নিজকে নিজে দোষাৰোপ কৰি ঘৰৰ পৰা ওলাই গৈ ভনীয়েক কমলাৰ ঘৰ পালে গৈ ।

কমলাৰ শহুৰেকৰ ঘৰ অৱস্থাপন্ন আছিল, কমলা অলপ ক'লা আছিল । ইয়াকে লৈ কমলাৰ শাহুয়েকে মাজে মাজে ঠাট্টা কৰি কমলাক কৈছিল মাক বাপেক ক'লা কাৰণে তেওঁৰ বোৱাৰীয়েকো ক'লা । মাজে সময়ে শাহু বোৱাৰীৰ মাজত কাজিয়াও লাগিছিল । কাজিয়া অলপ ডাঙৰ হলে কমলাই ককায়েকৰ ঘৰলৈ গুচি আহিছিল । তাৰপিছত তেওঁৰ পতি আহি বুজাই-বঢ়াই

নিৰ্মলা দেৱী



কমলাক লৈ গৈছিল । এই ঘটনা প্ৰায়ে ঘটিছিল।

কমলে ভনীয়েক কমলাৰ ঘৰলৈ আহিয়ে কলে, "কমলা, তোমাৰ বৌয়েৰাই পূজাৰ চাৰিদিনমান আগতে তোমাক লৈ যাবলৈ কৈছে। সেই কাৰণে মই নিবলৈ আহিছো । পলম নকৰিবা । তোমাৰ শাহুয়েৰাক কথাটো কৈ এতিয়াই মোৰ লগতে যাবলৈ ওলোৱা ।"

কমলাৰ এই কথাটো বিশ্বাস হোৱা নাছিল। কাৰণ তেওঁ বৌয়েকৰ স্বভাৱৰ কথা খুব ভালদৰে জানে । কিন্তু ককায়েকৰ কথা শুনি কমলাৰ মনত খুব আনন্দও লাগিছিল । তেওঁ শাহুয়েকৰ অনুমতি লৈ ককায়েকৰ লগতে ঘৰলৈ বুলি ৰাওনা হ'ল ।

কিছুদূৰ যোৱাৰ পিছত কমলে ভনীয়েকক কলে, "তুমি পোনে পোনে আমাৰ ঘৰলৈ যোৱা। মোৰ অলপ বজাৰত বস্তু কিনিব লগা আছে । বস্তুখিনি কিনি লৈ মই অতি সোনকালে ঘৰলৈ গৈ আছো ।"

কমলাই 'ঠিক আছে' বুলি কৈ কমলক এৰি অকলেই ককায়েকৰ ঘৰ অভিমুখে আহিল । ইয়াতো কমলৰ এক চতুৰালী আছিল । তেওঁ ভাবিছিল যে সুন্দৰীয়ে ননদ কমলাৰ আগত চূণ তেল দিয়া কাম কৰিবলৈ লাজ পাব । তেতিয়া তেওঁ হাজিৰাৰ মানুহ লগায়ে চূণ দিয়াব । তেতিয়া তেওঁ নিজেও এই লেতেৰা কামবোৰ কৰাৰ পৰা বিৰত থাকিব পাৰিব ।

ইপিনে সুন্দৰীয়ে অলপ পিছত জানিব পাৰিলে যে তেওঁৰ পতি, গৌৰীৰ ঘৰলৈ চূণ দিয়া ব্ৰাছ আনিবলৈ যোৱা নাই । সেয়ে তেওঁ নিজে গৈ গৌৰীৰ ঘৰৰ পৰা ব্ৰাছ আনি চূণ দিয়া কামত লাগি গ'ল । কমলনো কলৈ গ'ল তাই ভাবিবলৈ ধৰিলে ।

এনেতে কমলাই ককায়েকৰ ঘৰ আহি পাই বৌয়েকক কলে, "বৌ, দাদাই কৈছে, তুমি বোলে পূজাৰ তিনি-চাৰিদিন আগতে মোক আহিবলৈ কৈছা । দাদাই মোক আনিবলৈ গৈছিল । তেওঁ কিবা বস্তু কিনিবলৈ বজাৰত সোমাইছে ।"

কমলাৰ কথা শুনি সুন্দৰীয়ে তেওঁৰ পতিৰ ধূৰ্ত্তালিৰ কথা বুজিব পাৰিলে । তেওঁৰ খং উঠিছিল যদিও সেইটো প্ৰকাশ নকৰি কমলাক হাঁহি হাঁহি কলে, "ঠিক হৈছে, ঠিক সময়তে তুমি আহি পাইছা । ঘৰৰ লগে লগে তোমাৰ গাতো চূণ সানি শাহুয়েৰাৰ ঘৰলৈ পঠাই দিব পাৰিম । কাৰণ, তোমাৰ শাহুয়েৰাই ক'লী বুলি তোমাকতো ঠাট্টা কৰিয়ে থাকে । তেতিয়া তোমাক দেখি আৰু ক'লী বুলি ঠাট্টা কৰিব নোৱাৰিব ।"

বৌয়েকৰ কথা শুনি কমলাই অসন্তুষ্ট হৈ কলে, "বৌ, এয়া তুমি কি কৈছা ? আগতে আহি মই ডাঙৰ ভুল কৰিলো ।" এইবুলি কৈ কমলাই বেগাই নিজৰ ঘৰ অভিমুখে ৰাওনা হ'ল।

সুন্দৰীয়ে ননদেক কমলাৰ কথাত কোনো গুৰুত্ব নিদিলে । তেওঁ চূণ দিয়া কামতে ব্যস্ত হৈ থাকিল ।

কমলে দূৰৰ পৰাই দেখিবলৈ পালে, ভনীয়েক কমলাই খঙতে নিজে নিজে মুখেৰে ভোৰভোৰাই শহুৰেকৰ ঘৰৰ ফালে বেগাই গৈ আছে । ঘৰলৈ আহি কমলে সুন্দৰীক সুধিলে, "কমলাক খুব অসন্তুষ্ট যেন দেখিলো, কি তুমি কিবা কৈছা নেকি ?"

মনত অসন্তুষ্টিৰ ভাও জুৰি সুন্দৰীয়ে কলে, "বৌয়েক আৰু নন্দেকৰ মাজততো বহুতো কথাই হয় । তোমাৰ ভনীয়েৰাতো একেবাৰে টিভিৰি তুলা । খং কৰি মাকৰ ঘৰলৈ অহা আৰু শহুৰেকৰ ঘৰলৈ যোৱা তেওঁৰতো এইটো নতুন কথা নহয় । এইটো তেওঁৰ অভ্যাসেই হৈ গৈছে। পিছত বাৰু তুমি গৈ বুজাই ঠান্ডা কৰি আহিবা । এতিয়া চূণ দিয়া কামত লাগি যোৱা ।" অলপ খং ভাবে সুন্দৰীয়ে কলে ।

কমলে বুজিব পাৰিলে তেওঁৰ বুদ্ধি কামত নালাগিল । এতিয়া বেচেৰাই কৰিব কি ? উপাই নাপাই চূণ দিয়া কামত লাগি গ'ল ।

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
11
চিত্ৰ : পাণি
নিজৰ পূৰ্বপুৰুষৰ নিচিনাকৈ আদিত্যইও গৰুড়ৰ মূৰ্ত্তিৰ পূজা কৰি থাকোতে কোঠাটো হঠাতে পোহৰ হৈ উঠিল । তেওঁ নিজৰ শাৰীৰিক পৰিবৰ্তনৰ কথা অনুভৱ কৰিলে । তেওঁ ৰজাক অপহৰণ হোৱাৰ পৰা ৰক্ষা কৰি সুৰক্ষিত স্থানত ৰাখিলে । সেনাপতি নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰদে ৰজা আৰু প্ৰধানমন্ত্ৰী নোহোৱা হোৱাৰ সুযোগ লৈ াবধায়ক চৰকাৰৰ প্ৰধান হ'ল ।
নৰেন্দ্ৰদেৱে ভিৰৰ মাজতো আদিত্যক চিনি পালে ।
তেওঁ এইটোতো ভবা নাই যে তেওঁক কোনেও চিনি নাপাব ?
কোন মোৰ পিতা ? আদিত্য ?
আৰু কোন ? তেওঁক স্বাগতম জনাবলৈ গৈছে ?
পুনঃ স্বাগতম ! আমি সকলোৱে ভয় খাই গৈছিলো, আপুনি কিবা ডাঙৰ বিপদত পৰিছে বুলি । এই বেশ কিয় ?
বিপদত পৰিব ধৰিছিলো । কিন্তু, এই বেশৰ কাৰণে ৰক্ষা পৰিলো ।
আমাৰ প্ৰিয় প্ৰধানমন্ত্ৰীৰ জয় হওঁক!
আদিত্যদেৱৰ কি জয় ।
ৰবীন্দ্ৰদেৱক আনন্দিত হোৱা যেন দেখা নগৈছিল ।
আদিত্য কেনেকৈ নোহোৱা হৈ গৈছিল ? প্ৰধানমন্ত্ৰী হোৱা বাবে আপুনি প্ৰজাৰ আগত এই কথা কব লাগিব ।

কোনো উত্তৰ নিদিয়াকৈ আদিত্যই ভিৰৰ ফালে মুখ ঘূৰালে।
ৰজাক অপহৰণ কৰিছে। তেওঁৰ জীৱন বিপন্ন হব পাৰে।
মোৰ কথা শুনা। আমাৰ ৰজা সুৰক্ষিত। এক সম্ভাব্য বিপদৰ পৰা হাত সাৰিবলৈ তেওঁ মহল এৰিব লগা হৈছে। তেওঁ সোনকালেই উভতি আহিব। ইয়াতকৈ বেচি কব নোৱাৰিম। ধৈৰ্য্য ধৰা
তুমি মিছা কৈছা। তুমিয়ে গৰুড়ৰ লগত লগ হৈ ৰজাক অপহৰণ কৰিছা। তুমি ৰজাক হত্যাও কৰিব পাৰা।
আদিত্যই দেখিবলৈ পালে কিছুমান পহৰাদাৰ তেওঁৰফালে আগবাঢ়ি আহিছে।
পহৰাদাৰসকল! এওঁক বন্দী কৰা। এওঁ ইয়াৰে উপযুক্ত।
নৰেন্দ্ৰদেৱে মধ্যস্থতা কৰা দেখি ৰবীন্দ্ৰদেৱ আচৰিত হ'ল।
আদিত্য, তুমি তোমাৰ ঘৰলৈ উভতি যোৱা। মই ৰজাৰ বাবে অতিকৈ চিন্তিত।
ধন্যবাদ! ৰজা সম্পূৰ্ণ সুৰক্ষিত আৰু তেওঁ প্ৰাসাদলৈ শীঘ্ৰে উভতি আহিব।
তেওঁৰে কিবা বুদ্ধি হব। নহলে তেওঁ মোক ইমান সোনকালে কিয় এৰি দিব?

ঘটনাচক্ৰ পৰিবৰ্তন হোৱা দেখি মানুহে বিচূৰ্তি খালে ।
কি, তেওঁ-লোকে প্ৰধান মন্ত্ৰীকো বন্দী কৰাৰ সাহস কৰিব ।
বিশ্বাস কৰা বন্ধু ! তেওঁলোক পিতা-পুত্ৰই যিকোনো কামেই কৰিব পাৰে ।
সেনাই মানুহবোৰক পিছলৈ থেলি দিলে ।
আমাৰ প্ৰধানমন্ত্ৰীৰ কোনো বিপদ নাই ।
প্ৰাসাদলৈ উভতি আহি সেনাপতিয়ে নিজৰ বিশ্বাসী অধিকাৰীসকলক মাতিলে ।
চাবা, যাতে প্ৰধানমন্ত্ৰীয়ে বাহিৰলৈ যাব নোৱাৰে । তেওঁৰ লগত দেখা কৰা সকলৰ ওপৰতো নজৰ ৰাখিবা ।
হয় হুজুৰ ! তেওঁক আমি ঘৰৰ পৰা বাহিৰলৈ যাব নিদিও ।
আদিত্যই কোঠাটো চিন্ন-ভিন্ন অৱস্থাত দেখিলে । খুব ভাগৰ লগা কাৰণে তেওঁ দুৱাৰ বন্ধ কৰি শুই থাকিল ।

প্ৰাসাদৰ ভিতৰত নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱে অতি মনো-যোগেৰে দৈৱবাণী শুনিলে ।
আঃ ! মই ৰজাক দেখিবলৈ পাইছো । তেওঁক অতি আনন্দিত দেখা গৈছে । তেওঁৰ সৈতে দুজন ব্যক্তি আছে ...
...এক পুৰুষ আৰু এজনী নাৰী । আৰে ! সেই ঠাইখনতো সকলো প্ৰকাৰৰ জন্তু-জানোৱাৰেৰে ভৰি আছে । কি, তাত জলপ্ৰপাতো আছে ? একো স্পষ্টকৈ দেখিবলৈ পোৱা নাই ।
পিতা-পুত্ৰ দুয়ো অধীৰ হৈ আছে ।
গৰুড় !
আচাৰ্যদেৱ, আৰু অলপ ওচৰৰ পৰা চাওক ।
মোৰ দুখ লাগিছে মহাশয়, কিন্তু...কিন্তু...এয়া আকৌ কি ? এটা গৰুড় পক্ষী ? আকাশত উৰি ফুৰা গৰুড় ?
ক্ৰমশঃ



বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

ডিচেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী
বিশাল বৰ্মন
মাৰফৎ - এইচ.বৰ্মন
এচ.আই.এচ.আই. বামুনীমইদান,
গুৱাহাটী-২১, চান্দমামাৰ

বিজয়ী বাক্য

নাচনী ওলাল সাজি-কাচি।
কি যে মধুৰ শিশুৰ হাঁহি।

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

বছৰেকীয়া বৰঙণি

Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited. No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Get your copy of e-Chandamama today!



You can now play games, *online.*

Don't wait, just log on to

chandamama.org

http://www.chandamama.org

Freebies too!

Play
View
Read
Discuss

Games
Animated story books
Hypertales
India
Issues

Across media, a common tradition!

CHANDAMAMA (Assamese) FEBRUARY 2002
Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001